www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ডাঙৰ কলেবৰৰ গ্ৰন্থবোৰক সদায় অতিমাত্ৰা প্ৰশংসা কৰা হয় এই কাৰণেই যে পাঠক এজনে পতিয়ন নিয়াব বিচাৰে যে তেওঁ কিতাপখন পঢ়িছে। - ই. এম. ফৰষ্টাৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১৭৭ | সোমবাৰ | ২৭ এপ্ৰিল, ২০২৬ চন | Volume/Year- I | Issue- 177 | Monday | 27th April, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

■ তীব্ৰবেগী ছুইফট ডিজায়াৰৰ বৈ থকা ট্ৰাকত খুন্দা; পলায়ন চালকৰ, আৰক্ষীৰ তদন্ত অব্যাহত ■

# মঠঘৰীয়াত শোকাৱহ দুৰ্ঘটনাত তিনি যুৱতীৰ কৰুণ মৃত্যু





**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ এপ্ৰিল ঃ** শনিবাৰে তামুলপুৰ আৰু কলিয়াবৰত সংঘটিত পথ দুৰ্ঘটনাৰ আঘাত নৌমাৰোঁতেই দেওবাৰে পুৱতি নিশা মহানগৰীৰ মঠঘৰীয়া অঞ্চলত সংঘটিত হৈছে আন এক শোকাৱহ পথ দুৰ্ঘটনা। তীব্ৰবেগী এখন ছুইফট ডিজায়াৰ বাহনে পথৰ দাঁতিত ৰৈ থকা ট্ৰাকত খুন্দা মৰাৰ ফলত তিনিগৰাকী যুৱতীয়ে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাটো সংঘটিত হয় মঠঘৰীয়াৰ গে'ট হাস্পতালৰ সমীপত। গীতানগৰ দিশৰ পৰা অতি তীব্ৰ বেগত অহা AS 01 GP 0562 নম্বৰৰ ছুইফট বাহনখনে পথৰ দাঁতিত ৰৈ থকা এখন ট্ৰাকত পিছফালৰ পৰা খুন্দা মাৰে। দুৰ্ঘটনাৰ তীব্ৰতাত বাহনখনৰ ভিতৰত থকা তিনিগৰাকী যুৱতীৰ ভিতৰত দুগৰাকী থিতাতে নিহত হয়। গুৰুতৰভাৱে আহত আন এগৰাকী যুৱতীক উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়, কিন্তু চিকিৎসাধীন অৱস্থাত তেখেতৰো মৃত্যু হয়। ঘটনা সংঘটিত হোৱা পুৱা প্ৰায় ৩.৪০ বজাত। দুৰ্ঘটনাৰ পাছতেই আতংকিত হৈ বাহনখনৰ ❑ ৬ পৃষ্ঠাত

অসমবাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

## উত্তৰ-পূবৰ বাঁহ অৰ্থনীতিক নতুন গতি দিবলৈ 'মন কি বাত'ত প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** দেওবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ জনপ্ৰিয় অনাতাঁৰ অনুষ্ঠান 'মন কি বাত'ৰ জৰিয়তে দেশবাসীক সম্বোধন কৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাঁহ শিল্পক এক ডাঙৰ প্ৰোৎসাহন প্ৰদান কৰে। তেওঁ দেশৰ প্ৰতিগৰাকী নাগৰিকক উত্তৰ-পূবৰ পৰা অন্ততঃ এবিধ বাঁহৰ সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনায়। ❑ ৬ পৃষ্ঠাত

চিপৰাং ৰাজনীতিৰ প্ৰসংগত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ বিস্ফোৰক পোষ্ট

## 'মই নেপোলিয়ন নহয়, মই ৰণজিৎ'

বিজেপিৰ ভিতৰুৱা 'গাদ্দাৰ' আৰু কমিউনিষ্টৰ একত্ৰিত ষড়যন্ত্ৰ ভেদ কৰি জয়লাভ কৰাৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ফলাফল ঘোষণাৰ কিছু দিন আগতেই মন্ত্ৰী তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰণজিৎ কুমাৰ দাসে সামাজিক মাধ্যমত এক ❑ ৬ পৃষ্ঠাত

❑ চৰ্চা কৰা হ'ব শিল্পীগৰাকীৰ প্ৰেৰণাদায়ী বাণীসমূহ ❑

## জুবিন গাৰ্গক উচ্চতৰ মাধ্যমিকৰ নতুন শিক্ষাবৰ্ষত থীম হিচাপে গ্ৰহণ

ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ প্ৰশংসনীয় পদক্ষেপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ এপ্ৰিল ঃ** অসমবাসীৰ বাবে এক সন্তোষজনক খবৰ আহিছে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (সংমণ্ডল-২)ৰ পৰা। উচ্চতৰ মাধ্যমিকৰ নতুন শিক্ষাবৰ্ষ ২০২৬-২৭ত বছৰজুৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ চৰ্চা কৰাৰ ব্যৱস্থা কৰা ❑ ৬ পৃষ্ঠাত

❑ উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যত বৰষুণ ❑

## অসমত প্ৰবল বৃষ্টিৰ লগতে বজ্ৰপাত আৰু ধুমুহাৰ সম্ভাৱনা, সতৰ্কবাণী জাৰি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** ব'হাগ মাহৰ শেষৰ ফালে আহিও ৰাজ্যত গৰমৰ প্ৰকোপ ভালদৰে অনুভৱ নহৈছে। চ'ত মাহৰ শেষৰ পৰা অহা অবিৰত বৰষুণে তাপমাত্ৰা বহু পৰিমাণে নিয়ন্ত্ৰণত ৰাখিছে। কিন্তু মাজে মাজে অতি বেছি পৰিমাণৰ বৰষুণ হোৱাত কৃত্ৰিম বানৰ দৰে সমস্যাও দেখা দিছে। দেওবাৰে অসমৰ বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগন্তুক ২৪ ঘণ্টাৰ বাবে বতৰৰ পূৰ্বানুমান জাৰি কৰিছে। বতৰ ❑ ৬ পৃষ্ঠাত

ৰাজ্যসভাৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ; সংবিধানৰ দশম অনুসূচী অনুসৰি খাৰিজ হওক সদস্যপদ

## দলত্যাগী ৰাজ্যসভাৰ সাংসদক অযোগ্য ঘোষণাৰ দাবী আপৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** আম আদমি পাৰ্টী (আপ) এ দল ত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টি (বিজেপি) ত যোগদান কৰা ৰাজ্যসভাৰ সাতগৰাকী সাংসদৰ সদস্যপদ খাৰিজ কৰিবলৈ দাবী জনাইছে। পাৰ্টিটোৱে সংবিধানৰ দশম ❑ ৬ পৃষ্ঠাত

হোৱাইট হাউছৰ গুলীচালনাৰ ঘটনা সম্পৰ্কত মোদীৰ প্ৰতিক্ৰিয়া

## গণতন্ত্ৰত হিংসাৰ কোনো স্থান নাই ঃ মোদী

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডিচিত অৱস্থিত হোৱাইট হাউছৰ সাংবাদিকৰ বাৰ্ষিক নৈশভোজত সংঘটিত গুলীচালনাৰ ঘটনাক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। দেওবাৰে সামাজিক মাধ্যম এক্সত ❑ ৬ পৃষ্ঠাত

পুনৰ আক্ৰমণাত্মক সাই সুদৰ্শন

## চেন্নাইক ৮ উইকেটত হৰুৱালে গুজৰাটে



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** আইপিএল ২০২৬ৰ দেওবাৰে অনুষ্ঠিত 'ডাবল হেডাৰ'ৰ প্ৰথমখন মেচত চেন্নাই ছুপাৰ কিংছক ৮ উইকেটৰ ব্যৱধানত পৰাস্ত কৰি বিশাল জয় লাভ কৰে গুজৰাট টাইটানছে। চেন্নাইৰ ❑ ৬ পৃষ্ঠাত

## হাফলং সমষ্টিত বিজেপিৰ জয় সুনিশ্চিত; দেৱলাল গাৰ্লোচাৰ দাবী



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰেক্ষাপটত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাই এক জোৰদাৰ দাবী উত্থাপন কৰিছে। তেওঁ কয় যে ১১৩ নম্বৰ জনজাতি ❑ ৬ পৃষ্ঠাত

'বিজেপিৰ ভিতৰুৱা বিবাদ আৰু অপশাসনৰ বাবে ৰাইজ কংগ্ৰেছৰ পক্ষত'

## অসমত কংগ্ৰেছৰ চৰকাৰ গঠন হ'ব, নীৰৱ ভোটাৰেই স্থিৰ কৰিব কাৰ হাতত ৰাজ্যভাৰ ঃ দেৱব্ৰত শইকীয়া

মুখ্যমন্ত্ৰী শৰ্মাৰ হিটলাৰী শাসনৰ তীব্ৰ সমালোচনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ এপ্ৰিল ঃ** অসমৰ ৰাজনৈতিক পটভূমিত পুনৰ ব্যাপক আলোড়ন সৃষ্টি কৰি কংগ্ৰেছৰ বৰিষ্ঠ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিজেপিৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে তীব্ৰ অভিযোগ উত্থাপন কৰিছে। দেওবাৰে গুৱাহাটীত অনুষ্ঠিত এক সংবাদ মেলত তেওঁ স্পষ্ট ভাষাত কয় যে অহা বিধানসভা নিৰ্বাচনত অসমত ❑ ৬ পৃষ্ঠাত

আমেৰিকা-ইজৰাইলৰ আক্ৰমণৰ পিছত আৰোপ কৰা নিষেধাজ্ঞা আজিও বলবৎ

## ইৰানত ৫৪ দিন ধৰি বন্ধ ইণ্টাৰনেট সেৱা

প্ৰতিদিনে প্ৰত্যক্ষ লোকচান ৪০ মিলিয়ন ডলাৰ



**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৬ এপ্ৰিল** ইৰানত সম্পূৰ্ণৰূপে ইণ্টাৰনেট সেৱা বন্ধ হৈ আজি ৫৪ দিন অতিক্ৰম কৰিলে। দেশখনৰ তথ্য আৰু যোগাযোগ প্ৰযুক্তি মন্ত্ৰী ছাট্টাৰ হাছেমীয়ে ❑ ৬ পৃষ্ঠাত

## খোৱাঙৰ পৰা নিৰ্যাতন বিৰোধী মঞ্চৰ হুংকাৰ - আলফাৰ নামত নিৰ্যাতিত হাজাৰ হাজাৰ লোক আজিও উপেক্ষিত কিয় ?

অষ্টাদশ প্ৰতিষ্ঠা দিৱসত আলোচনা পন্থী আলফা আৰু চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ;

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ এপ্ৰিল ঃ** স্বাধীন অসমৰ সপোন লৈ আলফালে ঢাপলি মেলা একাংশ আলোচনা পন্থী আলফাই যেন কেতিয়াও নুবুজিলে সেই সময়ত তেওঁলোকৰ সংগ্ৰামৰ নামত নিৰ্যাতনৰ বলি হোৱা সাধাৰণ লোকৰ মৰ্মবেদনা। ❑ ৬ পৃষ্ঠাত



বড়ো, মিচিং, চাহ জনগোষ্ঠীৰ কষ্টি প্ৰদৰ্শনৰ লগতে ঢোল পেঁপাৰ মাতত মুখৰিত গোলাঘাট অধিবক্তা সন্থাৰ চৌহদ

# আদালতৰ কাম-কাজ এৰি বিহু মঞ্চত গোলাঘাটৰ অধিবক্তা সমাজ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৬ এপ্ৰিল ঃ** আদালতৰ মজিয়াত অপৰাধীৰ বিৰুদ্ধে আৰু নিৰপৰাধী লোকৰ সপেক্ষে নিজৰ যুক্তি দাঙি ধৰি অহা অধিবক্তাসকলৰ মাজত যে অসমীয়া কৃষ্টি সংস্কৃতিৰ প্ৰতিভা আছে তাৰে উদাহৰণ দাঙি ধৰিলে গোলাঘাটৰ অধিবক্তা সন্থাৰ বিষয়ববীয়া সকলে। ক'লা কোট, ক'লা পেণ্ট পৰিধানৰ পৰিৱৰ্তে জাতীয় সাজপাৰ পৰিধান কৰি মঞ্চত হুচৰি প্ৰৰ্দশন কৰি দৰ্শকৰ মন মুহিবলৈ সক্ষম হয় গোলাঘাটৰ অধিবক্তা সমাজে। অসমৰ ভিতৰত প্ৰথমবাৰৰ বাবে গোলাঘাট অধিবক্তা সন্থাৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় ৰঙালী বিহু উদ্‌যাপন। অধিবক্তা সন্থাৰ বিষয়ববীয়া আৰু পৰিয়ালৰ মাজত লুকাই থকা প্ৰতিভা বিকাশ আৰু অসমীয়া কৃষ্টি সংস্কৃতিক আগুৱাই নিয়াৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এই ৰঙালী বিহু উদযাপন কাৰ্যসূচী পঞ্চম বছৰত ভৰি দিলে। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে গোলাঘাট অধিবক্তা সন্থাৰ সভাপতি দীপম ৰঞ্জন সন্দিকৈয়ে, স্মৃতি তৰ্পণ কৰে উপ-সভাপতি নিতুল বৰাই, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সম্পাদক প্ৰদ্যুৎ মাধৱ দত্তই। ইয়াৰ পাছত এক বাৰেৰহণীয়া বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই সাংস্কৃতিক শোভাযাত্ৰা শুভাৰম্ভ কৰে গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰোহিত গগৈয়ে। শোভাযাত্ৰাৰ পাছত বিভিন্ন জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন কৰাৰ লগতে অধিবক্তা সন্থাৰ এটা বিহুৰ দলে হুঁচৰি প্ৰদৰ্শন কৰে। নিশা জনপ্ৰিয় কণ্ঠশিল্পী প্ৰাঞ্জল প্ৰতিম আৰু বিতোপনৰ গীতৰ অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। বিহু উদযাপন সম্পৰ্কত গোলাঘাট অধিবক্তা সন্থাৰ সভাপতি দীপম ৰঞ্জন সন্দিকৈয়ে কয় দৈনিক আইন আদালতৰ লগত আমি ব্যস্ত থাকো। যাৰ বাবে সকলো আনন্দ উল্লাসৰ পৰাও বিৰত থাকিবলগীয়া হয় লগতে সময়ৰ অভাৱৰ বাবে ৰাজহুৱা অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ অসুবিধা। কাৰণ আমাৰ অধিবক্তাসকলৰ আদালতত এমাহৰ আগতে দিন ধাৰ্য কৰি দিয়া থাকে। যাৰ বাবে চাৰিবছৰ পূৰ্বে অসমত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰিছিল বিহু উদযাপন আৰু এইবাৰ পঞ্চমবাৰৰ বাবে বাবে ৰঙালী বিহু উদ্‌যাপন কৰিছোঁ। আজি কাৰ্যসূচীৰ আৰম্ভণিতে পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি, আৰু এই আমি এক সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰোঁ। আমাৰ কৰ্মব্যস্ততাৰ মাজতো আমি আমাৰ কৃষ্টি সংস্কৃতি জীয়াই ৰখাৰ বাবে সামান্য চেষ্টা কৰিছোঁ, যাতে নৱপ্ৰজন্মৰ মাজত দেখুৱাব পাৰোঁ আৰু আমাৰ অধিবক্তাসকলৰ মাজত বহু প্ৰতিভা লুকাই আছে সেই লুকাই থকা প্ৰতিভাসমূহৰ বিকাশৰ সুযোগ দিবলৈ আমি সামান্য প্ৰচেষ্টা চলাইছোঁ। ইয়াৰ উপৰিও আমাৰ ৭০ বছৰ উৰ্দ্ধৰ অধিবক্তা সকলকো আমি বিশেষ সম্বৰ্ধনা জনালোঁ।

শ্ৰেষ্ঠা বিহুৱতী ইনাশ্ৰী গগৈ; স্মৃতিগ্ৰন্থ 'বিহুৱান' উন্মোচন; সংগীতানুষ্ঠানত গীত পৰিৱেশন জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ

# ৫৬ সংখ্যক ডুমডুমা ৰাজহুৱা ৰঙালী বিহুৰ সফল সামৰণি

## হুঁচৰি প্ৰতিযোগিতাত শ্ৰেষ্ঠ চৰাইদেউ সমন্বয় বিহু হুঁচৰি দল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৬ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ৰূপে পৰিচিত ডুমডুমাৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো লোক একত্ৰিত হৈ প্ৰতিবছৰে উদ্‌যাপন কৰি অহা ডুমডুমা ৰাজহুৱা ৰঙালী বিহু সন্মিলনখনি এইবাৰো যোৱা ২১ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ অন্তত যোৱা নিশা সফল সামৰণি মাৰে। কালি নিশা উদ্‌যাপন সমিতিৰ সভাপতি দুলু আৰন্ধৰা আৰু কাৰ্যকৰী সভাপতি মৃগেন শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত আদৰণি ভাষণ প্ৰদান কৰে উদযাপন সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণে। ইয়াৰ পাছতে দেবেন ডেকা আৰু ছত্ৰপতি মৰাণৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'বিহুৱান' উন্মোচন কৰে এন কে টিভিৰ গুৱাহাটীৰ সংবাদদাতা তথা ডুমডুমাৰ সন্তান বনজিৎ কলিতাই। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সুৰজিৎ মৰাণ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, বিশিষ্ট সমাজকৰ্মী ডাঃ প্ৰণৱজাতি ডেকা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, উদযাপন সমিতিৰ অন্যতম কাৰ্যকৰী সভাপতি ধীৰাজ গোঁহাই, মতিৰাম কৈৰী ন্যাস সমিতিৰ নৰেন কৈৰী, উদযাপন সমিতিৰ যুটীয়া সম্পাদক প্ৰতিম নেওগ, কল্যাণজ্যোতি মৰাণ, কোষাধ্যক্ষ জ্যোতি কুমাৰ ডেকা, যুটীয়া সম্পাদক অচিন্ত্য মেধি, বিশিষ্ট ব্যৱসায়ী ৰাজু গাৰোদিয়া, সমাজকৰ্মী বীৰেন শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু প্ৰতিযোগিতাৰ পুৰস্কাৰৰ দাতা পৰিয়ালৰ সদস্যসকল উপস্থিত থকা এই সভাত বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰে। ৫৬ সংখ্যক ডুমডুমা ৰাজহুৱা ৰঙালী বিহু উপলক্ষে প্ৰথম দিনা অনুষ্ঠিত কৰা ক্ৰমে বিহুনাম প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে জেৰিণা গগৈ, দ্বিতীয় বৈদেকা মৰাণ, তৃতীয় ভাগ্যশ্ৰী চুতীয়া আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে দানিসা সোণোৱালে। ঢোলবাদনত প্ৰথম লিভাএল মৰাণ, দ্বিতীয় প্ৰিয়ংকা দাহ্ন আৰু তৃতীয় ভৈৰৱ মৰাণ। গগনা বাদনত প্ৰথম চুহানা দেৱী চাংমাই, দ্বিতীয় তেজশ্ৰী বৰা আৰু তৃতীয় লালিত্য বৰগোহাঁই। বিহুনাচ 'ক' শাখাত প্ৰথম স্থান লাভ কৰা জাগৃতি মৰাণক বঁটা আৰু জিংকু মেধী সোঁৱৰণী নগদ ৫০০১/- টকা, দ্বিতীয় চুহানা দেৱী চাংমাইক বঁটা আৰু হৰেশ্বৰ শৰ্মা সোঁৱৰণী নগদ ৩০০১/- টকা, তৃতীয় দৃষ্টি গগৈক বঁটা আৰু নাৰায়ণ মহন্ত সোঁৱৰণী নগদ ২০০১/- টকা প্ৰদান কৰাৰ লগতে বিচাৰকৰ বিশেষ বঁটা লাভ কৰা তনুশ্ৰী কোঁচ আৰু পুষ্পাঞ্জলী সোণোৱালক বঁটা প্ৰদান কৰে। বিহুনাচ 'খ' শাখাত প্ৰথম স্থান লাভ কৰা বাৰ্বি চেতিয়াক বঁটা আৰু লোহিত গগৈয়ে আগবঢ়োৱা নগদ ৫০০১/- টকা, দ্বিতীয় ফ্লুৰিন বৰুৱা বঁটা আৰু তমাল গুপ্ত সোঁৱৰণী ৩০০১/- টকা আৰু তৃতীয় স্থান লাভ কৰা চিত্ৰানী সোণোৱালক বঁটা আৰু তমাল গুপ্ত সোঁৱৰণী নগদ ২০০১/- টকা আগবঢ়ায়। আনহাতে দ্বিতীয় দিনা অনুষ্ঠিত হোৱা গাভৰু বিহু প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা হাঁচতি জেংবিহু দলক বঁটা আৰু বিৰাজ গোঁহাইৰ সোঁৱৰণত নগদ ৬০০১/- টকা, দ্বিতীয় কুঁহিপাত জেংবিহু দলক বঁটা আৰু পূৰ্ণকান্ত বৰবৰা আৰু অনু ঠাকুৰ বৰবৰাৰ সোঁৱৰণত নগদ ৫০০১/- টকা আৰু তৃতীয় স্থান লাভ কৰা দিহিংপৰীয়া জেংবিহু দলক বঁটা আৰু ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই আগবঢ়োৱা নগদ ৪০০১/- টকা প্ৰদান কৰে। হুঁচৰি প্ৰতিযোগিতাত শ্ৰেষ্ঠতা অৰ্জন কৰা চৰাইদেউ সমন্বয় বিহু হুঁচৰি দলক বঁটা আৰু যাদৱ চন্দ্ৰ ডেকাৰ সোঁৱৰণত নগদ ৫০, ০০১/- টকা, দ্বিতীয় ৰংঘৰ হুঁচৰি দলক বঁটা আৰু সন্দীপ আগৰৱালা আৰু অৰ্জুন বৰুৱাই আগবঢ়োৱা নগদ ১৫, ০০১/- টকা আৰু তৃতীয় সূৰুজমুখী হুঁচৰি দলক বঁটা আৰু মতিৰাম কৈৰী ন্যাসে আগবঢ়োৱা ১০, ০০১/- টকা প্ৰদান কৰে। আনহাতে ৫৬ সংখ্যক ডুমডুমা ৰাজহুৱা ৰঙালী বিহুৰ শ্ৰেষ্ঠা বিহুৱতীৰ সন্মান লাভ কৰা ইনাশ্ৰী গগৈক বঁটা আৰু মোহনলাল গাৰোডিয়া আৰু পৰমেশ্বৰী দেৱী গাৰোডিয়া সোঁৱৰণী নগদ ৩৫, ০০১/-টকা, দ্বিতীয় ভাস্বতী শইকীয়াই বঁটা আৰু সঞ্জয় আগৰৱালাই আগবঢ়োৱা নগদ ১০, ০০১/- টকা আৰু তৃতীয় স্থান লাভ কৰা জুমনশ্ৰী সোণোৱালক বঁটা আৰু সমিতিয়ে আগবঢ়োৱা নগদ ৬০০১/- টকা প্ৰদান কৰে। এই সভাৰ পাছতে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে গীতৰ শৰাই আগবঢ়ায়।

দীৰ্ঘ সময় ৰাষ্ট্ৰীয় ঘাইপথত পৰি আছিল চেটাৰ্জী; শোকৰ ছাঁ

# কুকুৰমাৰাৰ সমাজ সচেতন ব্যক্তি তথা দীৰ্ঘকাল চিকিৎসা সেৱাৰ সৈতে জড়িত অভিনেতা দিলিপ চেটাৰ্জীৰ মৃত্যু

**অসম বাৰ্তা, ছয়গাঁও, ২৬এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ কুকুৰমাৰাৰ সমাজ সচেতন ব্যক্তি তথা দীৰ্ঘকাল চিকিৎসা সেৱাৰ সৈতে জড়িত দিলিপ চেটাৰ্জী আজি আবেলি ৪-৩০ বজাত ইহঃ সংসাৰ ত্যাগ কৰে। আজি দুপৰীয়াৰ ভাগত শাৰীৰিকভাৱে অসুস্থ দিলিপ চেটাৰ্জী কুকুৰমাৰা বজাৰৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নিজ গৃহ অভিমুখে আহি থাকোঁতে হঠাতে অহা প্ৰচণ্ড ধুমুহা বৰষুণৰ মাজত তেওঁ ৰাষ্ট্ৰীয় ঘাইপথতে অচেতন হৈ পৰি আছিল। তেনে সময়তে সাংবাদিক বিশ্বজিৎ দাস আৰু এহাল দম্পতীয়ে দৃশ্যটো দেখি চেটাৰ্জীক ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা তুলি পৰিয়ালৰ লোকৰ সৈতে সংযোগ স্থাপন কৰি দিয়ে। তাৰ পিছতে পৰিয়ালৰ লোকে ততাতৈয়াকৈ দিলিপ চেটাৰ্জীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাৰ বাবে নিয়ে যদিও কিছু সময় পিছত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উল্লেখযোগ্য যে কলিকতাৰ পৰা দিলীপ চেটাৰ্জী কুকুৰমাৰাৰ কলহী নদীৰ ওপৰত থকা দলংখন নিৰ্মাণ কৰাৰ সময়ত মহৰী হিচাপে অসমলৈ আহিছিল। তাৰ পিছতে কুকুৰমাৰা গাঁৰৰ আইকন দাসৰ সৈতে বিবাহপাশত আবদ্ধ হৈ চাৰিটা সন্তানৰ সৈতে সুন্দৰকৈ জীৱন নিৰ্বাহ কৰিছিল। দলঙৰ কাম শেষ হোৱাৰ পিছত কুকুৰমাৰাত এখন ফাৰ্মাচী দি অঞ্চলটোৰ বহু মানুহক কম খৰচতে চিকিৎসা প্ৰদান কৰিছিল। অঞ্চলটোৰ বিহু, দুৰ্গাপূজা, অনুষ্ঠান প্ৰতিষ্ঠান আদিত আগভাগ লোৱা দিলীপ চেটাৰ্জী নাটক, কৌতুক আদিত সুন্দৰ অভিনয় কৰি ৰাইজৰ মনত সাঁচ বহুৱাই থ'বলৈ সক্ষম হৈছিল। অতি সহজ সৰল, কাৰো অন্যায় চিন্তা নকৰা দিলিপ চেটাৰ্জীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৩ বছৰ। আজি তেওঁৰ মৃত্যুৰ খবৰে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# অভয়াপুৰীৰ ডুবাচুৰীত মেধাৱী ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ২৬ এপ্ৰিল ঃ** শিক্ষাৰ ক্ষেত্ৰত অভয়াপুৰী অঞ্চলত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা ডুবাচুৰীৰ আৱাছি পৰিয়ালে আন আন বছৰৰ দৰে এই বেলিও দুজন মেধাৱী ছাত্ৰ-ছাত্ৰীক ২০২৫-২৬ বৰ্ষৰ বাবে ছাত্ৰ বৃত্তিৰ বঁটা প্ৰদান কৰে। আজি ডুবাচুৰী আঞ্চলিক এম ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল হাই মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত এই বঁটা প্ৰদান কৰা হয়। বিশিষ্ট সমাজ কৰ্মী তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমানৰ দ্বাৰা পৰিচালিত হৈ অহা আৱাছি পৰিয়ালৰ এই দাতব্য অনুষ্ঠানটোৱে এই বছৰ অঞ্চলটোৰ ডুবাচুৰী আঞ্চলিক এম ই স্কুলৰ দুই ছাত্ৰ-ছাত্ৰী ক্ৰমে - সপ্তম শ্ৰেণীৰ আব্দুল্লা আনছাৰী( ৮০.৮ শতাংশ) ক আৱাছ উদ্দিন আহমেদ সোঁৱৰণী মেধা বঁটা আৰু অষ্টম শ্ৰেণীৰ মাজমিন ছুলতানা ( ৮১.২৮ শতাংশ)ক ছকিনা খাতুন সোঁৱৰণী মেধা বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে আৱাছি পৰিয়ালে উক্ত শিক্ষানুষ্ঠানখনত অধ্যয়ন কৰা যি সকল যাত্ৰীয়ে ৮০ক্ষ তকৈ অধিক নম্বৰ লাভ কৰিব সেই সকল ছাত্ৰীকো এই ছাত্ৰ বঁটা প্ৰদান কৰাৰ লগতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত দৰিদ্ৰ মেধাৱী ছাত্ৰীৰ যাৱতীয় শিক্ষাৰ খৰচ বহন কৰাৰ কথা ঘোষণা কৰে। আজি প্ৰদান কৰা বঁটাত আছে নগদ ধন, প্ৰশস্তি পত্ৰ আৰু ট্ৰফি। আজিৰ এই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে বিশিষ্ট সমাজ কৰ্মী তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমানৰ উপৰিও ডুবাচুৰী এম ই স্কুলৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক আব্দুচ ছুবুৰ আহমেদ আদি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি সাৰুৱা ভাষণ প্ৰদান কৰে। আৱাছী পৰিয়ালৰ এনে প্ৰশংসনীয় পদক্ষেপক শলাগ লৈছে অঞ্চলটোৰ সচেতন ৰাইজে।

# ডবকাত ভাৰত সেৱাশ্ৰম সংঘৰ উদ্যোগত ধৰ্ম সভা আৰু বৈদিক শান্তি যজ্ঞ

**অসম বাৰ্তা, ডবকা, ২৫ এপ্ৰিল ঃ** হোজাই জিলাৰ ডবকাৰ কলেজ ৰোডস্থিত ডবকা হিন্দু মিলন মন্দিৰত ভাৰত সেৱাশ্ৰম সংঘৰ উদ্যোগত যোৱা ১৯ এপ্ৰিল ২০২৬ তাৰিখে এখনি গাম্ভীৰ্যপূৰ্ণ ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হয়। সংঘৰ প্ৰতিষ্ঠাপক আচাৰ্য্য মহাপুৰুষ শ্ৰীমৎ স্বামী প্ৰণবানন্দজী মহাৰাজৰ শুভ আৱিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠান আয়োজন কৰা হয়। বৈদিক শান্তি যজ্ঞ হ'ল এক ধৰ্মীয় বৈদিক অনুষ্ঠান, যাৰ মূল উদ্দেশ্য হৈছে বিশ্ব শান্তি, সুস্থতা আৰু মঙ্গল কামনা কৰা। এই যজ্ঞত বৈদিক মন্ত্ৰ উচ্চাৰণ কৰি অগ্নিত আহুতি দিয়া হয়। বিশ্বাস কৰা হয় যে এই পবিত্ৰ ক্ৰিয়াৰ জৰিয়তে মানুহৰ মন-প্ৰাণ শুদ্ধ হয় আৰু পৰিৱেশতো ইতিবাচক শক্তিৰ সৃষ্টি হয়। বৈদিক শান্তি যজ্ঞ সাধাৰণতে সমাজৰ কল্যাণ, ৰোগ-ব্যাধি দূৰ কৰা আৰু সকলোৰে সুখ-শান্তিৰ বাবে অনুষ্ঠিত কৰা হয়। পুৰোহিতসকলে শাস্ত্ৰৰ মন্ত্ৰ পাঠ কৰি অনুষ্ঠানটো সম্পন্ন কৰে। ডবকাৰ এই অনুষ্ঠানত উপস্থিত থাকে ভাৰত সেৱাশ্ৰম সংঘৰ উত্তৰ-পূৰ্ব ভাৰতৰ মুখ্য সংগঠক শ্ৰীমৎ স্বামী প্ৰণবানন্দজী মহাৰাজ তেওঁ ধৰ্মীয়




উপদেশ আগবঢ়াই সমাজত নৈতিক মূল্যবোধ আৰু ঐক্যৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাৰ পৰা গুৰু পূজনৰ জৰিয়তে অনুষ্ঠানৰ আৰম্ভণি হয়। পাছত দুপৰীয়া ১২ বজাত উপস্থিত ভক্ত সকলৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। দুপৰীয়া ২: ৩০ বজাৰ পৰা অনুষ্ঠিত ধৰ্ম সভাত বিভিন্ন ধৰ্মগুৰু আৰু অতিথিয়ে বক্তব্য আগবঢ়ায়। ইয়াৰ পিছত সন্ধিয়া ৪ বজাত বৈদিক শান্তি যজ্ঞ অনুষ্ঠিত হয়। এই ধৰ্মীয় অনুষ্ঠানত ডবকাৰ হিন্দু মিলন মন্দিৰৰ সভাপতি সঞ্জয় দত্ত, সম্পাদক তৰুণ কুমাৰ দে আৰু কোষাধক্ষ্য দ্বীপ ধৰ'ৰ লগতে ডবকা অঞ্চলৰ বহু গণ্য মান্য ব্যক্তি সকল উপস্থিত থাকি অনুষ্ঠানটো সফল কৰি তোলে। আয়োজক সমিতিয়ে সকলোৰে সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# গুইমাৰা ৰঙালী বিহু সন্মিলনৰ প্ৰস্তুতি

**অসম বাৰ্তা, মিৰ্জা, ২৬ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত ঐতিহ্যমণ্ডিত অঞ্চল গুইমাৰাত বিগত চাৰিটা বৰ্ষৰ দৰে এইবেলিও এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুইমাৰা ৰঙালী বিহু সন্মিলনখনি অনুষ্ঠিত কৰিবলৈ আয়োজন সমিতিয়ে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। গুইমাৰা শ্ৰীশ্ৰী বংশীগোপাল নামঘৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া উক্ত সন্মিলনখনৰ আয়োজক সমিতিৰ সভাপতি বিমল ভাগৱতীয়ে জানিবলৈ দিয়া অনুসৰি অহা ১৮ বহাগত গুইমাৰা ৰঙালী বিহু সন্মিলনৰ কাৰ্যসূচী অনুসৰি পুৱা ৯.৩০ বজাত পতাকা উত্তোলন কৰা হ'ব। পতাকা উত্তোলন কৰিব পি এম শ্ৰী নহিৰা গুইমাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধীৰেণ কুমাৰে। ইয়াৰ পিছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণৰ লগতে বন্তি প্ৰজ্বলন কৰা হব তথা কেইবাগৰাকী শিক্ষক শিক্ষয়িত্ৰীৰ দ্বাৰা শ্বহীদ তৰ্পন কৰা হব। পৰৱৰ্তীকালত বিভিন্ন খেল ধেমালি প্ৰতিযোগিতা, সাহিত্য চ'ৰা অনুষ্ঠান, তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ আধাৰত একক আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হব। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন আৰু নিশা ৮ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কাৰ্যাসূচী ৰূপায়ণ কৰা হ'ব। সাংস্কৃতিক মঞ্চ মুকলি কৰিব অসম ফুটবল সন্থাৰ যুটীয়া সম্পাদক তথা যুৱ নেতা হিমাংশু শেখৰ বৈশ্যই। মঞ্চ মুকলিৰ পিছতে নিমন্ত্ৰিত শিল্পীৰ গীতৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। উক্ত দিনা সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# সন্মিলিত সাহিত্য মঞ্চ, অসমৰ পঞ্চম বৰ্ষপূৰ্তি সম্পন্ন

**অসম বাৰ্তা, দেৰগাঁও, ২৬এপ্ৰিল ঃ** সন্মিলিত সাহিত্য মঞ্চ, অসমৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে দেৰগাঁও সাহিত্য সভা ভৱনত ২৬ এপ্ৰিল, ২০২৬ তাৰিখে দিনজোৰা কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা সভাখনিত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জ্ঞানপীঠ বঁটাবিজয়ী কাব্যঋষি নীলমণি ফুকন আৰু সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাতা ৰাম গগৈৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰে ক্ৰমে -মঞ্চৰ অন্যতম প্ৰশাসক শংকৰ দেৱ, দিজুমণি হাজৰিকা, মন্দিৰা তামলী আৰু অপূৰ্ব হাজৰিকাই। সভাপতিৰ আসন শুৱনি কৰে মঞ্চৰ স্থায়ী সভাপতি সু সাহিত্যিক পাৰিজাত বৰুৱাই। বিশিষ্ট অতিথি আৰু নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ৰাজীৱ বৰাদেৱে। আদৰণি ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ অন্যতম প্ৰশাসিকা মন্দিৰা তামোলীয়ে। মুকলি সভাৰ উদ্বোধনী অনুষ্ঠান কোৰাছ পৰিৱেশন কৰে দেৰগাঁৰৰ অভিলাষা মহিলা উন্নয়ন চ'ৰাৰ সদস্যাসকলে। তাৰপিছতে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা পূৰ্ণিমা গগৈ তামোলী স্মাৰক কবিতা প্ৰতিযোগিতাৰ বঁটা সমূহ আগতেই ঘোষণা হৈ থকা অনুসৰি ক্ৰমে কৰবী গগৈ (প্ৰথম), অঞ্জলি বাইলুং বুঢ়াগোহাঁই (দ্বিতীয়) আৰু দেৱাশিস বৰাই (তৃতীয়) স্থান প্ৰাপকৰ বঁটা দাতা পৰিয়ালৰ হৈ মন্দিৰা তামোলীৰ পৰা গ্ৰহণ কৰে। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াই ৰাজীৱ বৰা, কুমুদ ৰঞ্জন হাজৰিকা, সত্যজিৎ চৌধুৰী, দুৰ্গেশ্বৰ বৰাই। তাৰপিছতে প্ৰায় ত্ৰিশজন কবিৰ কবিতা পাঠৰ এটি মনোজ্ঞ অনুষ্ঠানে সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰাখে। বৰ্ষশ্ৰেষ্ঠ কবি সন্মান প্ৰদান কৰা হয় বিশিষ্ট লিমাৰিকান কুমুদ ৰঞ্জন হাজৰিকাক। এই বঁটাটি আগবঢ়াইছে জ্যোতি পি চি শইকীয়াই। অঞ্জুনাথ সোঁৱৰণী মুকলি কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ পাণ্ডুলিপি যুটীয়া ভাবে লাভ কৰিছে অংকুৰিতা ফুকন আৰু স্বপ্নালী কলিতাই। তাৰপিছতে তিনিওগৰাকী বঁটা প্ৰাপকে তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে। গীতা দত্ত আৰু কুঁৱলী বৰাৰ গীতে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াৰ পিছতে মুখ্য প্ৰশাসক দিলীপ তাঁতীয়ে মঞ্চৰ সকলো দিশ সামৰি বক্তব্য আগবঢ়ায়।

২৩ ব'হাগ আৰু ২৪ ব'হাগত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব সন্মিলন

# ৬২ সংখ্যক সৰুপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৬ এপ্ৰিল ঃ** আগন্তুক ২৩ আৰু ২৪ ব'হাগ (ইং ৭ আৰু ৮ মে') তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে সৰুপথাৰ ৰাজহুৱা খেলপথাৰত উদ্‌যাপন হ'ব ৬২ সংখ্যক সৰুপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। ইতিমধ্যে উদ্‌যাপন সমিতিয়ে কেন্দ্ৰীয় বিহু সন্মিলনখনৰ বাবে জোৰদাৰ প্ৰস্তুতি চলাইছে। কেন্দ্ৰীয় বিহু সন্মিলনখনৰ কাৰ্যসূচী অনুযায়ী প্ৰথম দিনটোত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গুৰু সেৱা, পৰম্পৰাগত কণী যুঁজ প্ৰতিযোগিতা, বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠানকে ধৰি সৰু বিহুৱতী, হুঁচৰি, জেং বিহু, বৰ বিহুৱতী আৰু মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হব। আনহাতে কাৰ্যসূচীৰ দ্বিতীয় দিনটোত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সম্বৰ্ধনা আৰু বঁটা বিতৰণী অনুষ্ঠান আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কুচুম কৈলাস আৰু বিহু সম্ৰাট খগেন গগৈ উপস্থিত থাকি গীত পৰিৱেশন কৰিব। তদুপলক্ষে আজি ৬২সংখ্যক সৰুপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ লাইখুঁটা ভাগ সম্পুৰ্ণ আনুষ্ঠানিকতাৰ মাজেৰে তথা মাঙ্গলিক কৰ্মৰ দ্বাৰা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে সৰুপথাৰ সমজিলাৰ বিশিষ্ট সাহিত্যিক, লোক-সংস্কৃতিৰ গৱেষক তথা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ধৰ্মেশ্বৰ দুৱৰাই। লাইখুঁটা স্থাপনৰ পিছতেই উপস্থিত ডেকা-গাভৰু সকলে এফাঁকি বিহু জুৰি সকলোৱে নাচি বাগি আনন্দ উল্লাস কৰে। লাইখুঁটা স্থাপন অনুষ্ঠানত উদযাপন সমিতিৰ সকলো বিষয়ববীয়াকে ধৰি সৰুপথাৰ অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট আৰু সাংস্কৃতিক কৰ্মি উপস্থিত থাকে। উদ্‌যাপন সমিতিয়ে ৬২সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ দুয়োটা দিনতেই সকলো স্থানীয় বিহুপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।

# লেখিকা সমাৰোহৰ প্ৰাক্তন সম্পাদিকা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লখিমী কাকতিৰ বিয়োগ

## আমগুৰিত শোকৰ ছাঁ

**অসম বাৰ্তা, চেলেংহাট, ২৫ এপ্ৰিল ঃ** আমগুৰি লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সম্পাদিকা তথা পদুমনি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লখিমী কাকতি (৬২)ৰ আজি শনিবাৰে যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। আমগুৰিৰ বৰভেটী গাঁৱৰ নিবাসী লখিমী কাকতি এগৰাকী বিশিষ্ট অভিনেত্ৰী আৰু লেখিকা হিচাপে সমাজত পৰিচিত আছিল। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত থকা লখিমী কাকতি ক্ৰান্তি উইমেনচ্ অৱ ইণ্ডিয়াৰ আমগুৰি শাখাৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপেও সুপৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ স্বামী, দুই পুত্ৰ, এগৰাকী কন্যা, বোৱাৰীসহ এটি পৰিয়াল আৰু অজস্ৰ আত্মীয়-স্বজন এই সংসাৰত এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত আমগুৰি লেখিকা সমাৰোহ সমিতি, ক্ৰান্তি উইমেনচ্ অৱ ইণ্ডিয়াৰ আমগুৰি শাখা, পুৰেৰুণ শিল্পী সমাজ, শাখা সাহিত্য সভাসহ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# বাঘবৰত ভূমি বিবাদক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত প্ৰচণ্ড মাৰপিট; এজন গুৰুতৰভাৱে আহত

**অসম বাৰ্তা, মন্দিয়া, ২৫ এপ্ৰিল ঃ** বৰপেটা জিলাৰ বাঘবৰ আৰক্ষী থানাৰ অন্তৰ্গত ১ নং চাছৰা গাঁৱত আজি এক ভয়ংকৰ মাৰপিটৰ ঘটনা সংঘটিত হয় মাটি-সংক্ৰান্তিয় বিবাদক কেন্দ্ৰ কৰি গাঁওখনৰ দুই ফৈদৰ মাজত সৃষ্টি হোৱা এই সংঘৰ্ষত কায়েম আলী নামৰ এজন ব্যক্তি গুৰুতৰভাৱে আহত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ১ নং চাছৰা গাঁৱৰ কায়েম আলী আৰু আলফেজ আলীৰ পৰিয়ালৰ মাজত এডোখৰ ভূমিক লৈ দীৰ্ঘদিন ধৰি বিবাদ চলি আছিল বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে জনোৱা মতে, এই বিবাদক কেন্দ্ৰ কৰি পূৰ্বেও কেইবাবাৰো দুই পক্ষৰ মাজত তৰ্কাতৰ্কি হৈছিল। আজি পুৱাৰ ভাগত এই বিবাদে চৰম সীমাপায়। অভিযোগ উঠিছে যে, আলফেজ আলীয়ে নিজৰ পৰিয়ালৰ প্ৰায় ১৫-২০জন লোকক লৈ কায়েম আলীৰ ঘৰ-দুৱাৰ ভাং চুৰ কৰিবলৈ আহে। কায়েম আলীৰ পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, আলফেজ আলীৰ দলে ঘৰ ভাঙিবলৈ চেষ্টা কৰাত কায়েম আলীয়ে বাধা প্ৰদান কৰিবলৈ আগবাঢ়ি যায়। সেই সময়তে বিপক্ষৰ দলটোৱে তেওঁক লক্ষ্য কৰি অতৰ্কিতে আক্ৰমণ চলায়। আক্ৰমণকাৰীসকলে কাঠৰ সৰু কুণ্ডাৰে কায়েম আলীৰ মূৰত উপৰ্যুপৰি প্ৰহাৰ কৰে। মূৰত গভীৰ আঘাত পোৱাৰ ফলত কায়েম আলী থিতাতে ঢলি পৰে আৰু তেওঁৰ শৰীৰৰ পৰা প্ৰচুৰ তেজ নিৰ্গত হয়। ঘটনাৰ পিছতে পৰিয়ালৰ লোকে কায়েম আলীক ততাতৈয়াকৈ মন্দিয়া আদৰ্শ চিকিৎসালয়লৈ লৈ যায়। কিন্তু তেওঁৰ অৱস্থা অতি সংকটজনক হোৱা বাবে চিকিৎসকে প্ৰাথমিক চিকিৎসা দি উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। বৰ্তমান তেওঁৰ অৱস্থা যথেষ্ট সংকটজনক বুলি জানিব পৰা গৈছে। ইতিমধ্যে এই সমগ্ৰ ঘটনাক লৈ কায়েম আলীৰ পৰিয়ালৰ তৰফৰ পৰা মন্দিয়া আৰক্ষী চকীত এক এজাহাৰ দাখিল কৰা হৈছে বুলি জানিবলৈ দিছে। এজাহাৰত আলফেজ আলীৰ লগতে তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা হৈছে। এই মাৰপিটৰ আঁৰত থকা প্ৰকৃত ৰহস্য আৰু মূল অভিযুক্তক কৰায়ত্ত কৰিবলৈ আৰক্ষীৰ নিৰপেক্ষ তদন্তৰ বাবে এতিয়া গাওঁবাসীয়ে অপেক্ষা কৰিছে। এই ঘটনাই সমগ্ৰ চাছৰা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## সম্পাদকীয়

# প্ৰাণৰ শিল্পীক শ্ৰদ্ধাৰ নৱতম পৰিচয়

বিগত কেইদিনমানৰ ভিতৰতে অসমৰ শিক্ষা ক্ষেত্ৰখনলৈ আহিছে এক সুখবৰ। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (সংমণ্ডল-২) উচ্চতৰ মাধ্যমিক স্তৰৰ বাবে প্ৰস্তুত কৰা ২০২৬-২৭ বৰ্ষৰ শৈক্ষিক দিনপঞ্জীত আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক 'থীম' হিচাপে অন্তৰ্ভুক্ত কৰিছে। এই বৰ্ষটো শিক্ষাৰ্থীসকলে শিল্পীগৰাকীৰ জীৱন দৰ্শন, তেওঁৰ মনৰ কথা, প্ৰকৃতি প্ৰেম আৰু মানৱতাৰ বাণীৰ সৈতে পৰিচিত হোৱাৰ এক অনন্য সুযোগ পাব। প্ৰথম পৃষ্ঠাতে সন্নিৱিষ্ট কৰা হৈছে জুবিন গাৰ্গৰ কিংবদন্তি উক্তিসমূহ। প্ৰতিমাহে ভিন্ন উক্তিৰ ওপৰত আলোচনা কৰাৰ ব্যৱস্থাই এই পদক্ষেপক দৃঢ়তা প্ৰদান কৰিছে। নিঃসন্দেহে, পৰিষদৰ এই প্ৰশংসনীয় পদক্ষেপে জুবিন গাৰ্গৰ আদৰ্শ আৰু চিন্তা-চৰ্চাক নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাত এক ডাঙৰ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।


শিল্পীগৰাকীয়ে নিজে কৈছিল, "মোতকৈ বেছি মোৰ কৰ্মখিনিক মানুহে মনত ৰাখিলে মই বেছি ভাল পাম।" সেই অপেক্ষা যেন এতিয়া পূৰণ হ'বলৈ ধৰিছে। শিক্ষা পৰিষদে ইতিপূৰ্বেও মহাত্মা গান্ধী, আজাদী কা অমৃত মহোৎসৱ, জি-২০ আদি গুৰুত্বপূৰ্ণ বিষয়বস্তু দিনপঞ্জীত অন্তৰ্ভুক্ত কৰি আহিছে। এইবাৰ জুবিন গাৰ্গৰ দৰে সমসাময়িক, কিন্তু কালজয়ী এক প্ৰতিভাক স্থান দিয়াটো নিঃসন্দেহে সাহসী তথা দৃষ্টিসম্পন্ন সিদ্ধান্ত। তেওঁৰ উক্তিসমূহ — "কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে", "নতুন প্ৰজন্মই যদি অকল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ থাকে তেন্তে শিক্ষা পাব, কিন্তু জ্ঞান নাপাব" — এইবোৰ যেন আজিৰ শিক্ষা ব্যৱস্থাৰ বাবে এটা পথনিৰ্দেশক দীপশিখা।

কিন্তু এই পদক্ষেপৰ প্ৰশংসা কৰাৰ লগে লগে কিছু প্ৰশ্নও উত্থাপন হয়। স্থানীয় মহলত বহুতে প্ৰথম প্ৰশ্নটো উত্থাপন কৰিছে — জুবিন গাৰ্গক থীম হিচাপে লোৱাটো স্বাভাৱিক আৰু যুক্তিসংগত যদিও, আন জ্যোতি প্ৰসাদ আগৰৱালা, ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, মামণি ৰয়ছম গোস্বামী আদি অসমৰ আন সাংস্কৃতিক আইকনসকলক কিয় এই ধৰণৰ মৰ্যাদা দিয়া নহ'ল? বহু অভিভাৱকৰ মনত আকৌ সন্দেহ জাগ্ৰত হয় যে শিক্ষা পৰিষদে কোনো প্ৰকাৰৰ 'ব্যক্তিত্বপূজা' বা 'সংকীৰ্ণতাবাদী' মানসিকতাত এই সিদ্ধান্ত লোৱা নাই তো? জুবিন গাৰ্গ যিহেতু অসমৰ এক জনপ্ৰিয় আৰু নিভাজ ব্যক্তিত্ব, তেওঁৰ নামত ৰাজনৈতিক দলসমূহৰো নিজা সাঁকো আছে। সেই সাঁকো শিক্ষা ক্ষেত্ৰলৈ নাহেতো?

আন এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈছে — শৈক্ষিক দিনপঞ্জীত থীম নিৰ্বাচনৰ পদ্ধতিটো কিমান স্বচ্ছ? আগৰ বছৰত 'আজাদী কা অমৃত মহোৎসৱ' বা 'জি-২০' যেনে বিশ্বজনীন, প্ৰশাসনিকভাৱে নিৰ্দেশিত বিষয়বস্তু আছিল, সেই একেখিনি পদ্ধতিৰে জুবিন গাৰ্গক নিৰ্বাচন কৰা হৈছেনে নে অন্য কোনো পন্থা? সাধাৰণ শিক্ষক-শিক্ষাৰ্থীৰ মনত প্ৰশ্ন আহিব পাৰে যে তেওঁলোকৰ মতামতক কিমান গুৰুত্ব দিয়া হৈছে। লগতে, জুবিন গাৰ্গৰ কোনো নিৰ্দিষ্ট উক্তি যেনে "অৰ্থনীতি যেতিয়া বিদেশীৰ হাতলৈ যায় তেতিয়া কলা নিঃশেষ হয়" বা "ৰাজনৈতিক বিশ্লেষণ মই নাজানো" — এইবোৰ বিশুদ্ধ দাৰ্শনিক উক্তি যদিও, যদি কোনো শিক্ষকে ইয়াৰ প্ৰসঙ্গ অতিৰিক্ত ৰাজনৈতিক ৰঙত ব্যাখ্যা কৰে, তেন্তে শিক্ষাৰ অন্তৰ্নিহিত নিৰপেক্ষতা নষ্ট হোৱাৰ আশংকা থাকে।

তথাপি, এই সকলো সম্ভাব্য আশংকাক অতিক্ৰম কৰি আমি স্পষ্টকৈ ক'ব পাৰো যে জুবিন গাৰ্গৰ সৃষ্টিশীলতা, প্ৰকৃতি প্ৰেম, মানৱতাবাদ, আত্মবিশ্বাস আৰু 'যোদ্ধা মনোভাৱ' নতুন প্ৰজন্মৰ বাবে সঁচাকৈয়ে এক প্ৰেৰণাৰ উৎস। তেখেতৰ উক্তি — "ভগৱান আকাশত নাথাকে, ভগৱান সকলোৰে মাজত থাকে" — ধৰ্মনিৰপেক্ষ চিন্তাৰ বীজ সিঁচে। তেখেতে গো-ধন আৰু পৰিৱেশৰ বাবে কৰা অৱদান বিশেষভাৱে স্মৰণীয়। শিক্ষা পৰিষদে যদি ইয়াৰ ব্যৱহাৰিক ৰূপায়ণ নিৰ্দলীয় আৰু সুস্থভাৱে কৰিব পাৰে, তেন্তে এই পদক্ষেপ জুবিন গাৰ্গলৈ প্ৰদান কৰা এক সাৰ্থক শ্ৰদ্ধাঞ্জলি হৈ থাকিব। কিন্তু ইয়াৰ লগে লগে শিক্ষা পৰিষদে স্বচ্ছ পদ্ধতি, বহুধৰ্মী দৃষ্টিভংগী আৰু আন মহান ব্যক্তিত্বৰ চিন্তাকো অন্তৰ্ভুক্ত কৰাৰ এক দীৰ্ঘম্যাদী নীতি ঘোষণা কৰা উচিত। তেতিয়াহে জুবিনৰ এটা উক্তি সাৰ্থক হ'ব — "পৃথিৱীখন দুটা বস্তুৰেই চলায় — এটা হৈছে মগজু আৰু আনটো হৈছে হৃদয়।" মগজুৰ বিচাৰ আৰু হৃদয়ৰ আৱেগৰ সংমিশ্ৰণতহে শিক্ষাৰ শুদ্ধ পথ নিৰ্ধাৰিত হয়।

# স্মৃতিগ্ৰন্থৰ মূল্য



স্মৃতিগ্ৰন্থ (Souvenir) হৈছে কোনো এক বিশেষ অনুষ্ঠান, শিক্ষানুষ্ঠানৰ বাৰ্ষিক অধিৱেশন, কোনো বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত প্ৰকাশ কৰা একোখন বিশেষ সংকলন। স্মৃতিগ্ৰন্থৰ বুকুত বৈ থাকে একোটা অনুষ্ঠানৰ নেদেখা ইতিহাস। ই হৈছে কোনো অনুষ্ঠান বা ব্যক্তিৰ জীৱন জোৰা সাধনাৰ প্ৰতিচ্ছবি। স্মৃতি গ্ৰন্থত কোনো বিশেষ উপলক্ষত বিষয়টোৰ লগত জড়িত বিভিন্ন বিষয়ৰ স্মৃতি ৰোমন্থন কৰা হয়। কোনো নিৰ্দিষ্ট ঘটনা, ব্যক্তি বা প্ৰতিষ্ঠানৰ ইতিহাস সংৰক্ষণৰ ক্ষেত্ৰত স্মৃতিগ্ৰন্থৰ বিশেষ ভূমিকা আছে।

নিবেদিতা হাজৰিকা

জন্ম, বিকাশ তথা বহু গুৰুত্বপূৰ্ণ মুহূৰ্ত সমূহৰ চাক্ষুষ দলিল এই স্মৃতিগ্ৰন্থ। ই কেৱল ছপা আখৰ নহয়, অতীতক বৰ্তমানৰ সৈতে সংযোগ কৰা ই এক সাঁকো। পুৰণি স্মৃতিবোৰ, এখন ঠাই বা সমাজৰ অতীতৰ সামাজিক, সাংস্কৃতিক ধাৰাবাহিকতাৰ প্ৰতিফলন ঘটা এই স্মাৰক গ্ৰন্থ নিঃসন্দেহে এক অমূল্য সম্পদ স্বৰূপ। এই আপুৰুগীয়া দলিলত সন্নিৱিষ্ট হৈ থাকে অনুভৱ, স্মৃতি আৰু বিভিন্ন বিভিন্ন সাংস্কৃতিক দিশ। অতীতৰ ৰোমন্থন, তথ্যৰ ভঁৰাল, ব্যক্তি বিশেষৰ অৱদান আদিৰে সমৃদ্ধ হৈ থাকে একোখন স্মৃতিগ্ৰন্থ। বহু লেখকৰ অভিজ্ঞতা, স্মৃতি আৰু চিন্তাৰ মিশ্ৰণ ঘটা একোখন স্মাৰক গ্ৰন্থই অঞ্চলটোৰ সাহিত্যিক পৰিৱেশটো চহকী কৰাত বিশেষ ভূমিকা পালন কৰে। যৌথ প্ৰচেষ্টাত প্ৰকাশিত স্মৃতি গ্ৰন্থই সমাজত ঐক্য আৰু সম্প্ৰীতিৰ ভাৱ গঢ়ি তোলে।

এটি জাতি বা গোষ্ঠীৰ সংস্কৃতি, সমাজ আৰু আচৰণৰ দলিল হিচাপে কাম কৰা স্মৃতিগ্ৰন্থ এখনে সমাজ-সংস্কৃতি আৰু ইতিহাসৰ সোঁৱৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উল্লেখ্য যে স্থানীয় ইতিহাসৰ আধাৰশিলা স্বৰূপ বিশেষ ব্যক্তিৰ স্মৃতিচাৰণ মূলক গ্ৰন্থই নতুন প্ৰজন্মক আদৰ্শ শিক্ষক, সাহিত্যিক বা সমাজকৰ্মীৰ জীৱন সংগ্ৰাম তথা আদৰ্শৰ বিষয়ে অৱগত কৰি অনুপ্ৰেৰণা যোগায়।

স্মৃতিগ্ৰন্থ সংগ্ৰহ এক অসাধাৰণ চখ বা নিচা। কিতাপ সংগ্ৰহৰ নিচাৰ দৰে ইও এক প্ৰকাৰৰ নিচা। বিভিন্ন উপলক্ষত প্ৰকাশ কৰা বা প্ৰকাশ হোৱা স্মৃতিগ্ৰন্থ সমূহৰ জৰিয়তে আমি বহুল ভাৱে উপকৃত হ'ব পাৰো। এই নিচা বা চখটোৰে এজন সংগ্ৰাহকক অতীতৰ বিষয়ে অধ্যয়ন কৰিবলৈ আৰু সময়ৰ সৈতে পৰিৱৰ্তন হোৱা সমাজখনক বুজি পাবলৈ সহায় কৰে, অনুপ্ৰাণিত কৰে। অতীতক বৰ্তমানৰ সৈতে সংযোজিত কৰা, একো -একোটা অঞ্চল, প্ৰতিষ্ঠান সময়ৰ ইতিহাসক প্ৰতিনিধিত্ব কৰা ইতিহাসৰ দলিল সমূহ সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু উপকাৰীতা নুই কৰিব নোৱাৰি।



সমাজৰ স্থিৰতা আৰু প্ৰগতিৰ বাবে শিষ্টাচাৰ যে কিমান অপৰিহাৰ্য, সেই কথা গভীৰভাৱে অনুধাৱন কৰা উচিত। শিষ্টাচাৰ কেৱল এক বাহ্যিক প্ৰদৰ্শন নহয়, ই মানৱ মনৰ গভীৰতাত নিহিত থকা এক শৃংখলাবোধ, যিয়ে ব্যক্তিৰ আচৰণক নিয়ন্ত্ৰণ কৰে আৰু আনৰ প্ৰতি মৰম আৰু সন্মানৰ ভাৱ জাগ্ৰত কৰে। যেতিয়া প্ৰজন্মই এই মৌলিক গুণটোক আওকাণ কৰে, তেতিয়া তেওঁলোকৰ ব্যক্তিত্বত একধৰণৰ খালী ঠাই সৃষ্টি হয়, যি খালী ঠাই কেৱল বস্তুগত সফলতাৰে পূৰণ কৰিব নোৱাৰি। এক সুসংগঠিত সমাজত, প্ৰতিজন ব্যক্তিয়ে আনজনৰ অধিকাৰ আৰু আৱেগৰ প্ৰতি সজাগ হয়, আৰু এই সজাগতাৰ আধাৰ হৈছে শিষ্টাচাৰ। শিষ্টাচাৰৰ অভাৱে বিশেষকৈ ৰাজহুৱা স্থানত অশান্তি, ককৰ্থনা আৰু অশালীনতাৰ বৃদ্ধি কৰে, যিয়ে সমাজৰ শান্তিপূৰ্ণ জীৱন যাপনৰ পৰিৱেশটো নষ্ট কৰে। এনে এক পৰিৱেশত মানুহে ভয় আৰু সন্দেহৰ মাজত জীৱন অতিবাহিত কৰিবলগীয়া হয়।

# শিষ্টাচাৰহীন উঠি অহা প্ৰজন্ম আৰু সমাজৰ ভৱিষ্যৎ

প্ৰতিখন সমাজৰ ভেটি আৰু আত্মা হৈছে তাৰ মানৱ সম্পদ, আৰু এই মানৱ সম্পদৰ গুৰুত্বপূৰ্ণ অংশ হ'ল উঠি অহা নতুন প্ৰজন্মটো। এই প্ৰজন্মই যিদৰে বৰ্তমানৰ সময়ছোৱাত নিজৰ মানসিকতা, কৰ্ম-সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰ গঢ়ি তোলে, তাৰ ওপৰতেই নিৰ্ভৰ কৰে এখন সুস্থ, সবল আৰু প্ৰগতিশীল সমাজৰ ভৱিষ্যতৰ দিশটো। সভ্যতাৰ বিকাশৰ লগে লগে মানৱ সমাজত শিষ্টাচাৰ, নৈতিকতা আৰু মূল্যবোধৰ এক সুদৃঢ় ব্যৱস্থা গঢ় লৈ উঠিছিল, যিয়ে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সামাজিক বন্ধন আৰু পাৰস্পৰিক সন্মানবোধক জীয়াই ৰাখিছিল। কিন্তু বৰ্তমানৰ দ্ৰুত পৰিৱৰ্তনশীল সময়ত, বিশেষকৈ বিশ্বায়ন, তথ্য প্ৰযুক্তিৰ অভাৱনীয় উত্থান আৰু নৱ-উদাৰবাদী অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰভাৱত, এই চিৰাচৰিত সামাজিক মানদণ্ডবোৰ যেন ক্ৰমাৎ শিথিল হৈ আহিছে। আজিৰ উঠি অহা যুৱক-যুৱতীসকলৰ মাজত যিধৰণে আত্মকেন্দ্ৰিকতা, ক্ষণস্থায়ী প্ৰাপ্তিৰ প্ৰতি হেঁপাহ আৰু আনৰ প্ৰতি উদাসীনতাৰ ভাৱ বৃদ্ধি পাইছে, সেয়া গভীৰভাৱে চিন্তাৰ বিষয়। শিষ্টাচাৰ কেৱল মাত-কথা বা আচৰণৰ ওপৰতে নিৰ্ভৰ নকৰে, বৰঞ্চ ই মানুহৰ অন্তৰ্নিহিত মূল্যবোধ, আনৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সামাজিক দায়বদ্ধতাৰ এক শক্তিশালী প্ৰতিফলন। যেতিয়া এই মূল ভেটিটো দুৰ্বল হৈ পৰে, তেতিয়া সমগ্ৰ সমাজখনৰ বুনিয়াদেই লৰচৰ হোৱাৰ সম্ভাৱনা থাকে। এখন শিষ্টাচাৰহীন প্ৰজন্মই সৃষ্টি কৰা ভৱিষ্যতৰ সমাজখন স্বাভাৱিকতে বিশৃংখল, সংঘাতপূৰ্ণ আৰু মানৱীয় সহমৰ্মিতাৰ অভাৱপূৰ্ণ হোৱাৰ আশংকা থাকে, য'ত কেৱল ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ তাড়না আৰু ক্ষণিকৰ ভোগ-বিলাসেই প্ৰাধান্য লাভ কৰিব। ফলস্বৰূপে, মানৱ জীৱনৰ গভীৰ অৰ্থ আৰু উদ্দেশ্য ক্ৰমাৎ হেৰাই যায়, আৰু সমাজখন এক যান্ত্ৰিক, লক্ষ্যবিহীন দিশেৰে আগবাঢ়ে, যি কোনো সভ্য জাতিৰ বাবেই এক অশনি সংকেত। বৰ্তমানৰ এই সাংস্কৃতিক আৰু নৈতিক স্খলনে এক অস্বাভাৱিক জীৱনশৈলীৰ জন্ম দিছে, য'ত পাৰস্পৰিক আস্থা আৰু সহানুভূতিৰ স্থান নাই, কেৱল আছে নিজৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে চলি থকা এক অন্ধ দৌৰ।

আমাৰ উঠি অহা প্ৰজন্মৰ মাজত শিষ্টাচাৰৰ অৱক্ষয়ৰ মূল কাৰণবোৰ কেৱল ব্যক্তিগত স্তৰতে সীমাবদ্ধ নহয়, বৰং ই এক ব্যাপক সামাজিক আৰু সাংস্কৃতিক পৰিঘটনাৰ ফলস্বৰূপে উদ্ভৱ হৈছে। আধুনিক জীৱনৰ জটিলতা আৰু দ্ৰুততাই মানুহক এক অভূতপূৰ্ব চাপৰ মাজলৈ ঠেলি দিছে। অভিভাৱকসকলৰ জীৱন যাপনৰ তাড়না আৰু অৰ্থনৈতিক প্ৰতিদ্বন্দ্বিতাই তেওঁলোকক সন্তানৰ মানসিক আৰু নৈতিক বিকাশৰ প্ৰতি মনোযোগ দিবলৈ সময়ৰ অভাৱ ঘটাইছে। যাৰ ফলস্বৰূপে, শিশুসকলে ঘৰখনৰ পৰা পাবলগীয়া প্ৰাথমিক শিক্ষা, যি শিক্ষা শিষ্টাচাৰ, নম্ৰতা আৰু আনক সন্মান কৰাৰ ওপৰত আধাৰিত, তাৰ পৰা বঞ্চিত হৈছে। অভিভাৱকে কেৱল সন্তানৰ কেৰিয়াৰমুখী সফলতাৰ ওপৰত অধিক গুৰুত্ব দিয়ে, কিন্তু তেওঁলোকৰ অন্তৰত মানৱীয় মূল্যবোধৰ বীজ ৰোপণ কৰাৰ গুৰুত্ব অনুভৱ নকৰে। ইয়াৰ উপৰিও, বৰ্তমানৰ শিক্ষাব্যৱস্থাটোৱে কেৱল বৃত্তিমূলক সফলতা আৰু জ্ঞান আহৰণৰ ওপৰত অধিক গুৰুত্ব দিয়ে, কিন্তু চৰিত্ৰ গঠন আৰু নৈতিক বিকাশৰ দিশটোক প্ৰায়ে আওকাণ কৰা দেখা যায়। বিদ্যালয়ৰ পাঠ্যক্ৰমত মানৱীয় মূল্যবোধ আৰু সামাজিক দায়িত্ববোধৰ প্ৰয়োজনীয়তা সঠিকভাৱে অন্তৰ্ভুক্ত নোহোৱাৰ ফলত, উঠি অহা প্ৰজন্মই মানৱ জীৱনৰ প্ৰকৃত উদ্দেশ্য আৰু পাৰস্পৰিক সম্পৰ্কৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম নহয়। ইয়াৰ ফলত যুৱ মনত একধৰণৰ শূন্যতা সৃষ্টি হয়, যাক পূৰণ কৰিবলৈ তেওঁলোকে ক্ষন্তেকীয়া আনন্দ আৰু আত্ম-সন্তুষ্টিৰ পথ বিচাৰি লয়। ফলস্বৰূপে, তেওঁলোকে সামাজিক নীতি-নিয়ম আৰু শিষ্টাচাৰৰ বান্ধোনক কেৱল এক পুৰণি, অনাৱশ্যকীয় প্ৰথা বুলি গণ্য কৰিবলৈ ধৰে, যাৰ ফলত তেওঁলোকৰ আচৰণত দায়িত্বহীনতা আৰু উদ্ধতালিৰ লক্ষণ দেখা যায়। এই সাংস্কৃতিক আৰু শৈক্ষিক বিচ্যুতিয়ে প্ৰজন্মৰ মনত একধৰণৰ বিচ্ছিন্নতাৰ ভাৱ সৃষ্টি কৰে, যিয়ে তেওঁলোকক সমাজৰ পৰা দূৰলৈ লৈ যায় আৰু শিষ্টাচাৰৰ দৰে মৌলিক গুণবোৰৰ গুৰুত্ব অনুভৱ কৰাত ব্যৰ্থ হয়।

তথ্য প্ৰযুক্তিৰ বিপ্-ৱ আৰু সামাজিক মাধ্যমৰ ব্যাপক প্ৰসাৰে বৰ্তমানৰ প্ৰজন্মৰ মানসিকতা আৰু সামাজিক আচৰণৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলাইছে। যদিও এই প্ৰযুক্তিবিলাকে যোগাযোগ আৰু জ্ঞান আহৰণৰ ক্ষেত্ৰত এক নতুন দিগন্ত মুকলি কৰিছে, তথাপিও ইয়াৰ অপৰিচিত আৰু অনিয়ন্ত্ৰিত ব্যৱহাৰে নতুন প্ৰজন্মক বাস্তৱ জীৱনৰ মানৱীয় সম্পৰ্ক আৰু আৱেগিক বুজাবুজিৰ পৰা দূৰলৈ লৈ গৈছে। সামাজিক মাধ্যমত প্ৰায়ে ক্ষন্তেকীয়া জনপ্ৰিয়তা, নিজকে অধিক গুৰুত্ব দিয়াৰ প্ৰৱণতা আৰু আনৰ ওপৰত সমালোচনাৰ এক অনিয়ন্ত্ৰিত ধাৰা দেখা যায়। এই o (আভাসী) জগতখনত মানুহে শিষ্টাচাৰ আৰু নৈতিকতাৰ প্ৰতি মনোযোগ নিদিয়াকৈ যিকোনো মন্তব্য বা আচৰণ কৰাৰ স্বাধীনতা লাভ কৰে, যাৰ প্ৰভাৱ ক্ৰমাৎ তেওঁলোকৰ বাস্তৱ জীৱনৰ আচৰণলৈও বিয়পি পৰে। সঘনাই সলনি হৈ থকা এই ডিজিটেল সংস্কৃতিয়ে এক তাৎক্ষণিক সন্তুষ্টিৰ মানসিকতা গঢ়ি তোলে, য'ত ধৈৰ্য, সহনশীলতা আৰু দীৰ্ঘম্যাদী মূল্যবোধবোৰৰ কোনো স্থান নাই। এই ব্যৱস্থাত মানুহে অতি সোনকালে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ শিকে, কিন্তু সেই প্ৰতিক্ৰিয়াৰ সামাজিক প্ৰভাৱৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিবলৈ সময় নাপায়। সঁচা-মিছাৰ প্ৰভেদ নোহোৱা এক বাতাবৰণত ডাঙৰ-দীঘল হোৱা এই প্ৰজন্মই সমাজৰ পৰা পোৱা প্ৰতিটো বিষয়কে লৈ সন্দেহ আৰু বিতৰ্কৰ সৃষ্টি কৰিবলৈ ভাল পায়, যাৰ ফলত সামাজিক ঐক্য আৰু পাৰস্পৰিক বিশ্বাস ক্ৰমাৎ দুৰ্বল হৈ পৰে। ইয়াৰ ফলস্বৰূপে, বাস্তৱ জীৱনৰ মানুহৰ মুখামুখি হোৱা পাৰস্পৰিক শিষ্টাচাৰ আৰু আৱেগিক আদান-প্ৰদানৰ ক্ষমতা হ্ৰাস পায়, যাৰ ফলত তেওঁলোকৰ সামাজিক সম্পৰ্কবোৰ কেৱল পৃষ্ঠীয় আৰু অৰ্থহীন হৈ পৰে। এয়া সমাজৰ ভৱিষ্যতৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান, কিয়নো এখন সুস্থিৰ সমাজ কেৱল নিয়মৰ ওপৰত নহয়, বৰঞ্চ মানুহৰ মাজত থকা বুজাবুজি আৰু সন্মানৰ ওপৰতহে নিৰ্ভৰ কৰে।

যেতিয়া এখন সমাজত শিষ্টাচাৰৰ ভেটি দুৰ্বল হয়, তেতিয়া পাৰস্পৰিক সম্পৰ্কবোৰ ক্ৰমাৎ বিচ্ছিন্ন আৰু যান্ত্ৰিক হৈ পৰে। মানুহৰ মাজত থকা মৰম, শ্ৰদ্ধা আৰু আনৰ সুখ-দুখত ভাগ লোৱাৰ আন্তৰিকতা কমি আহে। শিষ্টাচাৰহীনতাৰ ফলস্বৰূপে সামাজিক দায়বদ্ধতাৰ ভাৱো নোহোৱা হয়, আৰু প্ৰতিজন ব্যক্তিয়ে কেৱল নিজৰ সুখ-সুবিধা আৰু সফলতাৰ বাবেহে ব্যস্ত হৈ পৰে। এইধৰণৰ আত্মকেন্দ্ৰিক সমাজত, কোনোবাই আনক সহায় কৰিবলৈ বা সমাজৰ উমৈহতীয়া স্বাৰ্থৰ বাবে কাম কৰিবলৈ আগ্ৰহী নহয়। ইয়াৰ ফলত, সমগ্ৰ সমাজখনৰ একতা আৰু সংহতিৰ ভাৱনা থানবান হৈ যায়। ভৱিষ্যতে এনেধৰণৰ সমাজত কেৱল ব্যক্তিগত প্ৰতিদ্বন্দ্বিতা আৰু সংঘাতৰহে বৃদ্ধি হ'ব, য'ত দুৰ্বল আৰু সহায়হীন লোকসকল অধিক নিৰ্যাতিত হ'ব। শিষ্টাচাৰৰ অভাৱে কেৱল ব্যক্তিগত সম্পৰ্কক ক্ষতিগ্ৰস্ত নকৰে, বৰঞ্চ ই ৰাজহুৱা জীৱনৰ মানদণ্ডকো নিম্নগামী কৰে। ৰাজনীতি, প্ৰশাসন আৰু আন সামাজিক প্ৰতিষ্ঠানবোৰতো অসৎ, দায়িত্বহীন আৰু অশিষ্ট আচৰণৰ প্ৰাদুৰ্ভাৱ বাঢ়ে, যাৰ ফলত সাধাৰণ জনতাৰ এই প্ৰতিষ্ঠানসমূহৰ ওপৰত থকা বিশ্বাস ক্ৰমাৎ নোহোৱা হয়। ইয়াৰ ফলস্বৰূপে, আইন-শৃংখলাৰ অৱনতি ঘটে আৰু এখন স্থায়ী আৰু ন্যায়পৰায়ণ সমাজ গঠনৰ পথত ডাঙৰ বাধা আহি পৰে। এক শিষ্টাচাৰহীন সমাজত নীতিগত সিদ্ধান্তসমূহ কেৱল ক্ষণিকৰ স্বাৰ্থ আৰু ক্ষমতাৰ দ্বাৰা প্ৰভাৱিত হয়, আৰু দূৰদৰ্শী পৰিকল্পনা বা সামূহিক কল্যাণৰ ধাৰণা নোহোৱা হয়, যি এক জাতিৰ দীৰ্ঘম্যাদী উন্নয়নৰ বাবে মাৰাত্মক।

শিষ্টাচাৰহীনতাৰ এই সমস্যাটোৰ সমাধান এদিনতে নহ'ব, বৰঞ্চ ইয়াৰ বাবে এক দীৰ্ঘম্যাদী আৰু সুসংগঠিত প্ৰয়াসৰ প্ৰয়োজন। প্ৰথমতে, পৰিয়াল আৰু শিক্ষানুষ্ঠানসমূহক পুনৰ গঠন কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব। অভিভাৱক আৰু শিক্ষকসকলে কেৱল জ্ঞানৰ শিক্ষাৰ ওপৰতে গুৰুত্ব নিদি, শিশুৰ চৰিত্ৰ গঠন, নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ শিক্ষাৰ ওপৰতো বিশেষ মনোযোগ দিব লাগিব। ঘৰখনতেই শিশোৱে প্ৰাথমিক শিষ্টাচাৰ, যেনে নম্ৰতা, আনৰ প্ৰতি শ্ৰদ্ধা আৰু সহযোগিতাৰ শিক্ষা লাভ কৰিব লাগে। এই শিক্ষাক কেৱল মৌখিক উপদেশৰ মাজেৰে নহয়, বৰঞ্চ অভিভাৱকৰ নিজৰ আচৰণ আৰু জীৱনশৈলীৰ মাজেৰে দেখুৱাব লাগিব। বিদ্যালয়ৰ পাঠ্যক্ৰমত নৈতিক শিক্ষা আৰু সামাজিক দায়বদ্ধতাৰ বিষয়বোৰ এনেদৰে অন্তৰ্ভুক্ত কৰিব লাগে যাতে ই কেৱল এটা বিষয় হৈ নাথাকি, শিশুৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰে। প্ৰতিষ্ঠানসমূহে যুৱক-যুৱতীসকলক বাস্তৱ জীৱনৰ সামাজিক সমস্যাসমূহৰ প্ৰতি সংবেদনশীল কৰি তুলিব লাগিব আৰু তেওঁলোকক ইয়াৰ সমাধানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব লাগিব। সমাজৰ জ্যেষ্ঠ নাগৰিক আৰু বিদ্বান লোকসকলেও নিজৰ আচৰণ আৰু কৰ্মৰ দ্বাৰা নতুন প্ৰজন্মক সঠিক পথ দেখুৱাব লাগিব। সমাজৰ সকলো স্তৰতে শিষ্টাচাৰ আৰু নৈতিকতাৰ এক সুস্থ পৰিৱেশ সৃষ্টি কৰাৰ বাবে সামূহিক প্ৰচেষ্টা চলাব লাগিব। কেৱল আইন বা শাস্ত্ৰৰ ভয়ত নহয়, বৰঞ্চ আন্তৰিক জ্ঞান আৰু বুজাবুজিৰ যোগেদি মানুহে যেতিয়া উপলব্ধি কৰিব যে শিষ্টাচাৰবিহীন জীৱন মূল্যহীন, তেতিয়াহে এক সুস্থ সমাজৰ ভেটি সুদৃঢ় হ'ব। প্ৰকৃত শিক্ষাৰ উদ্দেশ্য কেৱল সফল বৃত্তিধাৰী সৃষ্টি কৰাই নহয়, বৰঞ্চ সুনাগৰিক আৰু দায়িত্বশীল মানুহ সৃষ্টি কৰা। এই দিশটোক পুনৰ গুৰুত্ব দি সমাজৰ প্ৰতিজন সদস্যই নিজৰ নিজৰ দায়িত্ব পালন কৰিলেহে এই অৱক্ষয় ৰোধ কৰাটো সম্ভৱ হ'ব।



হিমাংশু ৰঞ্জন ভূঞা

সমাজৰ স্থিৰতা আৰু প্ৰগতিৰ বাবে শিষ্টাচাৰ যে কিমান অপৰিহাৰ্য, সেই কথা গভীৰভাৱে অনুধাৱন কৰা উচিত। শিষ্টাচাৰ কেৱল এক বাহ্যিক প্ৰদৰ্শন নহয়, ই মানৱ মনৰ গভীৰতাত নিহিত থকা এক শৃংখলাবোধ, যিয়ে ব্যক্তিৰ আচৰণক নিয়ন্ত্ৰণ কৰে আৰু আনৰ প্ৰতি মৰম আৰু সন্মানৰ ভাৱ জাগ্ৰত কৰে। যেতিয়া প্ৰজন্মই এই মৌলিক গুণটোক আওকাণ কৰে, তেতিয়া তেওঁলোকৰ ব্যক্তিত্বত একধৰণৰ খালী ঠাই সৃষ্টি হয়, যি খালী ঠাই কেৱল বস্তুগত সফলতাৰে পূৰণ কৰিব নোৱাৰি। এক সুসংগঠিত সমাজত, প্ৰতিজন ব্যক্তিয়ে আনজনৰ অধিকাৰ আৰু আৱেগৰ প্ৰতি সজাগ হয়, আৰু এই সজাগতাৰ আধাৰ হৈছে শিষ্টাচাৰ। শিষ্টাচাৰৰ অভাৱে বিশেষকৈ ৰাজহুৱা স্থানত অশান্তি, ককৰ্থনা আৰু অশালীনতাৰ বৃদ্ধি কৰে, যিয়ে সমাজৰ শান্তিপূৰ্ণ জীৱন যাপনৰ পৰিৱেশটো নষ্ট কৰে। এনে এক পৰিৱেশত মানুহে ভয় আৰু সন্দেহৰ মাজত জীৱন অতিবাহিত কৰিবলগীয়া হয়, যি কোনো প্ৰগতিশীল সমাজৰ লক্ষ্য হ'ব নোৱাৰে। সেয়েহে, উঠি অহা প্ৰজন্মক এই কথা বুজাব লাগিব যে শিষ্টাচাৰহীনতা কেৱল এক ব্যক্তিগত ত্ৰুটি নহয়, বৰঞ্চ ই এক সামাজিক অপৰাধস্বৰূপ, যিয়ে সামূহিক জীৱনৰ মানদণ্ডক আঘাত কৰে। এই উপলব্ধিৰ জৰিয়তেহে তেওঁলোকে নিজৰ আচৰণৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে সচেতন হ'ব।

বৰ্তমান সময়ত, ভোগবাদী সংস্কৃতিয়ে মানুহক কেৱল নিজৰ প্ৰয়োজন আৰু সুখৰ বাবে জীয়াই থাকিবলৈ শিকাইছে। এই মানসিকতাই নৈতিকতা আৰু শিষ্টাচাৰৰ দৰে বিষয়বোৰক গৌণ কৰি তুলিছে। যুৱক-যুৱতীসকলে ভাবিবলৈ লৈছে যে তেওঁলোকৰ ব্যক্তিগত স্বাধীনতাৰ ওপৰত সামাজিক নীতি-নিয়মবোৰ এক অন্যায় হস্তক্ষেপ। কিন্তু তেওঁলোকে বুজা উচিত যে প্ৰকৃত স্বাধীনতা মানে স্বেচ্ছাচাৰিতা নহয়, বৰঞ্চ এক শৃংখলাবদ্ধ জীৱনৰ মাজেদি নিজৰ জীৱনৰ উদ্দেশ্য পূৰণ কৰা। সামাজিক মূল্যবোধ আৰু শিষ্টাচাৰেই হৈছে সেই অদৃশ্য শক্তি, যিয়ে ব্যক্তিৰ স্বাধীনতাক আনৰ স্বাধীনতাৰ সৈতে সংগতি ৰাখি সঠিকভাৱে পৰিচালিত কৰে। যেতিয়া এই সীমাৰেখা নোহোৱা হয়, তেতিয়া সমাজত দুৰ্বল লোকে নিজৰ অধিকাৰ হেৰুৱায় আৰু শক্তিশালী লোকে নিজৰ ইচ্ছা অনুসৰি কাম কৰিবলৈ সাহস কৰে। এনে পৰিস্থিতিত, সামাজিক ন্যায় আৰু সমতা কেৱল এক শব্দ হৈ ৰয়, ই বাস্তৱত ৰূপায়িত নহয়। এই ভোগবাদী মানসিকতাৰ বিপৰীতে, যুৱ প্ৰজন্মক মানৱীয় সহানুভূতি, ত্যাগ আৰু সামূহিক স্বাৰ্থৰ বাবে কাম কৰাৰ গুৰুত্ব বুজাব লাগিব। আধ্যাত্মিক আৰু নৈতিক জ্ঞানৰ প্ৰসাৰৰ জৰিয়তে তেওঁলোকৰ মনত শান্তি আৰু সন্তুষ্টিৰ প্ৰকৃত অৰ্থ বুজাব পাৰিলেহে তেওঁলোকে ক্ষণস্থায়ী ভোগ-বিলাসৰ পৰা আঁতৰি আহি শিষ্টাচাৰপূৰ্ণ জীৱন যাপন কৰিবলৈ আগ্ৰহী হ'ব।

নৈতিক নেতৃত্বৰ অভাৱো শিষ্টাচাৰহীন প্ৰজন্মৰ সৃষ্টিৰ অন্যতম মূল কাৰণ। সমাজৰ নেতাসকল, সেয়া ৰাজনৈতিক, সামাজিক বা ধৰ্মীয় নেতাই হওক, তেওঁলোকৰ আচৰণেই সমাজৰ বাবে এক আদৰ্শ হ'ব লাগে। কিন্তু যেতিয়া নেতাসকলে নিজেই শিষ্টাচাৰহীন, অসৎ আৰু দায়িত্বহীন আচৰণ কৰে, তেতিয়া উঠি অহা প্ৰজন্মই তেওঁলোকক অনুসৰণ কৰিবলৈ শিকে। যুৱক-যুৱতীসকলে যি দেখি সেয়াই অনুকৰণ কৰে, আৰু যেতিয়া তেওঁলোকে দেখে যে অসৎ আৰু অশিষ্ট আচৰণেৰে সফলতা লাভ কৰিব পাৰি, তেতিয়া তেওঁলোকে সেই পথকে বাছি লয়। সেয়েহে, সমাজৰ সকলো স্তৰতে এক নৈতিক নেতৃত্বৰ সৃষ্টি কৰাটো অতি প্ৰয়োজনীয়। যিসকলে নিজৰ কৰ্ম আৰু আচৰণেৰে শিষ্টাচাৰ আৰু নৈতিকতাৰ মূল্য প্ৰতিষ্ঠা কৰিব পাৰে, তেওঁলোকেই নতুন প্ৰজন্মৰ বাবে প্ৰকৃত আদৰ্শ হ'ব পাৰে। এই আদৰ্শবাদী নেতাসকলে যুৱক-যুৱতীসকলক বুজাব লাগিব যে প্ৰকৃত সফলতা কেৱল ধন-সম্পত্তি বা পদবীত নহয়, বৰঞ্চ নিজৰ নৈতিক চৰিত্ৰ আৰু আনৰ প্ৰতি থকা সন্মানত নিহিত হৈ থাকে। যেতিয়া এক সুস্থ নৈতিক বাতাবৰণ গঢ় লৈ উঠে, তেতিয়াহে যুৱ প্ৰজন্মই স্বতঃস্ফূৰ্তভাৱে শিষ্টাচাৰপূৰ্ণ জীৱন যাপন কৰিবলৈ অনুপ্ৰাণিত হয়।

শিষ্টাচাৰ আৰু সামাজিক মূল্যবোধৰ পুনৰুদ্ধাৰৰ বাবে গণমাধ্যমসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। গণমাধ্যম, সেয়া বাতৰি কাকত, দূৰদৰ্শন বা সামাজিক মাধ্যমেই হওক, সমাজৰ মনোভাৱ গঢ়ি তোলাত এক শক্তিশালী মাধ্যম। এই মাধ্যমসমূহে কেৱল নেতিবাচক বা শিষ্টাচাৰহীন আচৰণক প্ৰচাৰ নকৰি, ইতিবাচক মূল্যবোধ, সামাজিক দায়বদ্ধতা আৰু শিষ্টাচাৰৰ উদাহৰণবোৰকো অধিক গুৰুত্ব দিব লাগে। সুস্থ আৰু মননশীল আলোচনাৰ বাবে এক মঞ্চ প্ৰস্তুত কৰিব লাগে, য'ত যুৱক-যুৱতীসকলে নৈতিক আৰু সামাজিক বিষয়বোৰৰ ওপৰত সুস্থিৰভাৱে চিন্তা কৰিবলৈ শিকে। মন কৰিবলগীয়া যে, বহু সময়ত গণমাধ্যমসমূহে কেৱল সস্তীয়া জনপ্ৰিয়তাৰ বাবে বিতৰ্কিত আৰু অশিষ্ট কথাবোৰকহে প্ৰাধান্য দিয়ে, যাৰ ফলত সমাজত এক অশোভনীয় সংস্কৃতি গঢ় লৈ উঠে। এই প্ৰৱণতা নিয়ন্ত্ৰণ কৰিবলৈ গণমাধ্যমসমূহক নিজৰ সামাজিক দায়িত্বৰ বিষয়ে সচেতন কৰিব লাগিব। তেওঁলোকে নিজৰ বিষয়বস্তু নিৰ্বাচনত অধিক সতৰ্ক আৰু দায়িত্বশীল হ'ব লাগিব, যাতে তেওঁলোকে উঠি অহা প্ৰজন্মৰ মনত এক সুস্থ আৰু নৈতিক মানসিকতা সৃষ্টি কৰাত সহায় কৰিব পাৰে।

ভৱিষ্যতৰ সমাজখন কেনে হ'ব, সেয়া বৰ্তমানৰ প্ৰজন্মৰ শিষ্টাচাৰ আৰু আচৰণৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে। যদি শিষ্টাচাৰহীনতাৰ এই ধাৰা অব্যাহত থাকে, তেন্তে ভৱিষ্যতে এক যান্ত্ৰিক, আৱেগিকভাৱে বিচ্ছিন্ন আৰু সংঘাতপূৰ্ণ সমাজৰ সৃষ্টি হ'ব, য'ত মানৱ জীৱনৰ মৌলিক আনন্দ আৰু শান্তি নোহোৱা হ'ব। কিন্তু, যদি সামূহিক প্ৰচেষ্টা আৰু সঠিক দিকদৰ্শনৰ দ্বাৰা নতুন প্ৰজন্মক নৈতিকতা আৰু শিষ্টাচাৰৰ পথলৈ ঘূৰাই আনিব পৰা যায়, তেন্তে এখন সুস্থ, সবল, সহানুভূতিশীল আৰু প্ৰগতিশীল সমাজৰ ভেটি সুদৃঢ় হ'ব। এই প্ৰজন্মই তেতিয়া কেৱল নিজৰ ব্যক্তিগত সফলতাৰ বাবেই কাম নকৰিব, বৰঞ্চ সামূহিক কল্যাণ আৰু মানৱীয় মূল্যবোধৰ বাবেও কাম কৰিব। সেয়েহে, বৰ্তমানৰ এই সংকটময় সময়ত, প্ৰতিজন সচেতন ব্যক্তিয়ে নিজৰ দায়িত্ব বুজি লৈ, ঘৰ, শিক্ষানুষ্ঠান আৰু সমাজৰ সকলো স্তৰতে শিষ্টাচাৰৰ শিক্ষাক পুনৰুজ্জীৱিত কৰাৰ বাবে আন্তৰিক প্ৰয়াস কৰা উচিত। কেৱল তেতিয়াহে এখন সুস্থ ভৱিষ্যতৰ সমাজৰ সপোন বাস্তৱত ৰূপান্তৰিত হ'ব পাৰে, য'ত প্ৰতিজন ব্যক্তিয়ে আনক সন্মান কৰি, মৰম আৰু সহানুভূতিত বান্ধ খাই এক শান্তিপূৰ্ণ জীৱন যাপন কৰিব পাৰিব। এই দীৰ্ঘ আৰু জটিল যাত্ৰাত সফলতা লাভ কৰিবলৈ ধৈৰ্য, একাগ্ৰতা আৰু সামূহিক প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰয়োজন। শিষ্টাচাৰ কেৱল এক পুৰণি প্ৰথা নহয়, বৰঞ্চ ই মানৱ জীৱনৰ ভেটি, যি এখন সুস্থ সমাজৰ বাবে অপৰিহাৰ্য।

# গ্ৰাম্য জীৱন

গ্ৰাম্য জীৱন হৈছে মানৱ সমাজৰ এক প্ৰাচীন আৰু গুৰুত্বপূৰ্ণ অংশ। ভাৰতবৰ্ষ এখন কৃষিভিত্তিক দেশ, আৰু ইয়াৰ অধিকাংশ মানুহ গাঁৱত বাস কৰে। গাঁও হৈছে আমাৰ সংস্কৃতি, পৰম্পৰা আৰু সভ্যতাৰ মূল আধাৰ। সেয়েহে গ্ৰাম্য জীৱনৰ আলোচনা কৰাটো অত্যন্ত প্ৰয়োজনীয়। গ্ৰাম্য জীৱনৰ এটা মুখ্য বৈশিষ্ট্য হৈছে ইয়াৰ সৰলতা আৰু প্ৰাকৃতিক সৌন্দৰ্য। গাঁৱৰ পৰিৱেশ বহুতেই শান্ত, নিৰ্মল আৰু প্ৰদূষণমুক্ত। সেউজীয়া ধানখেত, গছ-গছনি, নদী-নলা আৰু মুক্ত আকাশে মানুহৰ মনত এক প্ৰাকৃতিক আনন্দৰ সৃষ্টি কৰে। চহৰৰ দৰে শব্দ-প্ৰদূষণ আৰু ব্যস্ততা গাঁৱত নাই, যাৰ ফলত গাঁৱৰ জীৱন অধিক শান্তিপূৰ্ণ।

দৰ্শিতা নেওগ

গ্ৰাম্য জীৱনত মানুহবোৰ সহজ-সৰল আৰু দয়ালু। তেওঁলোকৰ মাজত পাৰস্পৰিক সহায়-সহযোগিতা আৰু ভাতৃত্ববোধ দেখা যায়। গাঁৱৰ মানুহে একেলগে কাম-কাজ কৰে আৰু পৰস্পৰৰ সুখ-দুখ ভাগ-বতৰা কৰে। বিয়া-সবাহ, উৎসৱ-পাৰ্বণ আদিত সকলোয়ে একেলগে অংশগ্ৰহণ কৰে, যাৰ ফলত সমাজত একতা আৰু সম্প্ৰীতি বৃদ্ধি পায়।

গ্ৰাম্য জীৱনৰ অৰ্থনীতি মূলত কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিকাৰ্য, পশুপালন, মৎস্য পালন আদি গাঁৱৰ মানুহৰ জীৱিকাৰ মুখ্য উৎস। গাঁওবোৰে দেশৰ খাদ্য উৎপাদনত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। কৃষকৰ কঠোৰ পৰিশ্ৰমৰ ফলতেই আমাৰ দেশ খাদ্যত স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে।

কিন্তু গ্ৰাম্য জীৱনত কিছুমান সমস্যা আৰু অসুবিধাও আছে। গাঁৱত আধুনিক শিক্ষাৰ সুবিধা সীমিত, ভাল বিদ্যালয় আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ অভাৱ দেখা যায়। চিকিৎসা ব্যৱস্থাও যথেষ্ট উন্নত নহয়, যাৰ বাবে ৰোগ-ব্যাধিৰ সময়ত মানুহে কষ্ট ভোগ কৰে। যাতায়াত আৰু যোগাযোগ ব্যৱস্থাও বহু ঠাইত উন্নত নহয়। তদুপৰি, দৰিদ্ৰতা আৰু সচেতনতাৰ অভাৱো গ্ৰাম্য জীৱনৰ ডাঙৰ সমস্যা।

বৰ্তমান সময়ত চৰকাৰে গ্ৰাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। ৰাস্তা-ঘাট উন্নয়ন, শিক্ষা ব্যৱস্থা উন্নত কৰা, স্বাস্থ্য সেৱা বৃদ্ধি কৰা আদি ক্ষেত্ৰত কাম চলি আছে। ডিজিটেল যুগত গাঁওবোৰো ধীৰে ধীৰে আধুনিকতাৰ ফালে আগবাঢ়িছে।

শেষত ক'ব পাৰি যে গ্ৰাম্য জীৱন আমাৰ সমাজৰ ভিত্তি। যদিও ইয়াত কিছুমান অসুবিধা আছে, তথাপি ইয়াৰ সৰলতা, শান্তি আৰু প্ৰাকৃতিক সৌন্দৰ্য অনন্য। সঠিক উন্নয়ন আৰু পৰিকল্পনাৰ জৰিয়তে গাঁওবোৰক উন্নত কৰি তোলা সম্ভৱ। সেয়েহে আমি সকলোৱে গ্ৰাম্য জীৱনৰ উন্নয়নৰ বাবে সচেষ্ট হ'ব লাগিব।

**বিশ্বকণ্ঠ জুবিন গাৰ্গক সুঁৱৰি নলবাৰীৰ শিৰম কলা কেন্দ্ৰত ‘ব’হাগতে নাচি যাওঁ’ শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠান**

# বিহু আমাৰ হৃদয়ৰ স্পন্দন, প্ৰতিগৰাকী অসমীয়াই বিহু মাৰিব লাগে, এপাক নাচিব লাগে ঃ ৰূপক বৈশ্য

**অসম বাৰ্তা, চামতা, ২৬ এপ্ৰিল ঃ** বিহু আমাৰ হৃদয়ৰ স্পন্দন, প্ৰতিগৰাকী অসমীয়াই বিহু মাৰিব লাগে, এপাক নাচিব লাগে। এই মন্তব্য ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ। ঢোল-তালৰ শব্দই আজি শিৰম কলা কেন্দ্ৰ ৰজনজনাই তুলিলে। আজি বিশ্বকণ্ঠ জুবিন গাৰ্গক সুঁৱৰি নলবাৰী জিলাৰ শিৰম কলা কেন্দ্ৰত ‘ব’হাগতে নাচি যাওঁ’ শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। লগতে সদ্যপ্ৰয়াত বিহুনাচ শিল্পী নিশামণি হালৈৰ প্ৰতিও শেষ শ্ৰদ্ধা জনোৱা হয়। ব্যতিক্ৰমী অনুষ্ঠানটোৰ শুভ উদ্বোধক হিচাপে উপস্থিত থাকে জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা ‘প্ৰতিবেদক লাইভ’ৰ সম্পাদক প্ৰধান ৰূপক বৈশ্য। শুভ উদ্বোধন কৰি দিয়া ভাষণত অধ্যক্ষ বৈশ্যই প্ৰতিগৰাকী অসমীয়াৰ স্বাভিমান হৃদয়ত বৰ্তাই ৰাখি বিশ্বৰ চুকে-কোণে বিয়পাবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানৰ প্ৰাৰম্ভত অধ্যক্ষ ৰূপক বৈশ্য আৰু সংগীতৰ প্ৰশিক্ষক দীপক মেধিয়ে বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত একোগছিকৈ বন্তি জ্বলাই স্মৰণ কৰে। লগে লগে সকলোৱে পুষ্পাঞ্জলি প্ৰদান কৰে। অতিথি হিচাপে উপস্থিত থাকি সাংস্কৃতিক কৰ্মী মনোজ কুমাৰ শৰ্মাই এই কাৰ্যসূচীৰ শলাগ লোৱাৰ লগতে অন্য এক মাত্ৰা প্ৰদান কৰে বুলি উল্লেখ কৰে। তবলা প্ৰশিক্ষক কিশোৰ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক সনাতন বৈশ্যই বিহুৰ ওলগ জনাই শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। নৃত্যৰ প্ৰশিক্ষক ৰাণী কাকতি, যুতিকা কলিতা, শিখাৰাণী ডেকা, চুইটি ডেকা, খোলৰ প্ৰশিক্ষক নয়নজ্যোতি তালুকদাৰ, চিত্ৰকলাৰ প্ৰশিক্ষক অৰূপ বৈশ্য আৰু মূৰ্চনা দাসৰ সম্পূৰ্ণ সহযোগিতাত উক্ত অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলৰ লগতে অভিভাৱক-অভিভাৱকসকলৰ দ্বাৰা বিহুনাচ, ঢোলবাদন আদি ৰূপায়ণ কৰোৱা হয়। শিৰম কলা কেন্দ্ৰৰ অধ্যক্ষ শক্তিপ্ৰসাদ ডেকাই শলাগৰ শৰাই যাঁচি অনুষ্ঠানটোৰ মোখনি মাৰে।

# ১২, ১৩ আৰু ১৪ মে’ত ছৈখোৱা কেন্দ্ৰীয় ৰাজহুৱা ৰঙালী বিহু সন্মিলন

**অসম বাৰ্তা, ছৈখোৱা, ২৬এপ্ৰিল ঃ** তিনিচুকীয়াৰ শদিয়া সমজিলাৰ অন্তৰ্গত ছৈখোৱাত প্ৰতিবছৰৰ দ’ৰে এই বাৰো ৰঙালী বিহু সন্মিলন আয়োজনৰ কুচকাৱাজ আৰম্ভ হৈছে। ছৈখোৱাৰ ধলা বজাৰত অৱস্থিত মুকলি মঞ্চত অহা ১২, ১৩ আৰু ১৪ মে’ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে বিহু সন্মিলন খনি আয়োজন কৰা হৈছে। ছৈখোৱাৰ বিভিন্ন জাতি জনগোষ্ঠীৰ প্ৰচেষ্টাত প্ৰাণ পাই বিহু সন্মিলন খনিৰ ১২ মে’ পুৱা ৮ বজাৰ আৰম্ভ হ’বলগীয়া কাৰ্যসূচীত বিহুৰ পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি সঞ্জীৱ কুমাৰ দাসে। শ্বহীদ তৰ্পণ কৰিব কাৰ্যকৰী সভাপতি জয়ৰাম তিৱাৰীয়ে। পুৱা ৯ বজাত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বলিন চেতীয়াই। দিনৰ ১১.৩০ বজাৰ পৰা আৰম্ভ হ’বলগীয়া কৰ্যসূচীত প্ৰথমে বিহুনাচ, ঢোল বাদন, পেপাঁ বাদন, গগনা বাদন, বিহু নাম, বোৱাৰী বিহু প্ৰতিযোগিতা আৰম্ভ হ’ব। ১৩ মে’ পুৱা ১০ বজাৰ পৰা বিহুৱতী প্ৰতিযোগিতা, হুঁচৰি ( ডেকা-গাভৰু) প্ৰতিযোগিতাৰ লগতে স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান হোৱাৰ কথা। সন্মিলন খনিৰ অন্তিম দিন অৰ্থাৎ ১৪ মে’ তাৰিখে পুৱা ১০ বজাৰ পৰা জেং বিহু, মুকলি তথা বটা বিতৰণী সভা আয়োজন কৰা হ’ব। নিশা মোহন সোণোৱালে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী গীতাঞ্জলি দাসৰ গীতৰ শৰাই আগবঢ়াব। যোগাযোগৰ বাবে উদ্‌যাপন সমিতিয়ে ৮২৫৬০৯১০৮, ৯৮৬৪৯০৮৮৭৭, ৬০০২৪৫৭৭৮ ফোন কৰিবলৈ আহ্বান জনাইছে।

# কোচ-ৰাজবংশীসকলৰ কলা-কৃষ্টি বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত হ’ব লাগে ঃ প্ৰহ্লাদ ব্ৰহ্ম



**অসম বাৰ্তা, কোকৰাঝাৰ, ২৬ এপ্ৰিল ঃ** কোচ-ৰাজবংশী জনগোষ্ঠীৰ ঐতিহ্যবাহী কুশান নৃত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে ঢৌ তুলিব লাগিব বুলি মন্তব্য বিপিএফৰ যুৱ শাখাৰ উপ-সভাপতি প্ৰহ্লাদ ব্ৰহ্মৰ। তিতাগুৰী আঞ্চলিক বিষুৱা উৎসৱত অংশগ্ৰহণ কৰি তেওঁ কয় যে, যিদৰে বাগৰুম্বা নৃত্যই বিশ্ব দৰবাৰত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে, তেনেদৰে কুশান নৃত্যকো বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ এক শক্তিশালী ঢৌ তুলিব লাগিব। তেওঁৰ মতে, কুশান নৃত্য কেৱল এটা লোকনৃত্য নহয়, ই কোচ-ৰাজবংশী জাতিৰ ইতিহাস, পৰম্পৰা আৰু জীৱন-দৰ্শনৰ প্ৰতিফলন। এই নৃত্যক বিশ্ব দৰবাৰত লৈ যোৱাৰ জৰিয়তে কোচ-ৰাজবংশী জাতিৰ পৰিচয় বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিব লাগিব বুলিও মন্তব্য কৰে। প্ৰহ্লাদ ব্ৰহ্মই লগতে কয় যে, কুশান নৃত্য বিশ্ব দৰবাৰত লৈ যোৱাটো আমিও বিচাৰো, বাগৰুম্বাৰ দৰে কুশান নৃত্যৰো এটা ঢৌ আনিব লাগে যাতে বিশ্ব দৰবাৰে চিনিব পাৰে কোচ-ৰাজবংশী জাতিক। এই ক্ষেত্ৰত Bodoland Territorial Council (বিটিচি) চৰকাৰৰ পৰা যি ধৰণৰ সহায়-সহযোগিতা প্ৰয়োজন, সেই বিষয়ে আলোচনা কৰি এক সুসংগঠিত পদক্ষেপ লোৱা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, কোচ-ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান হব লাগে। কোচ-ৰাজবংশী আৰু বড়োসকল একেলগে মিলি বিটিচিৰ উন্নয়নৰ ক্ষেত্ৰতযোৰ দিব লাগিব। উল্লেখযোগ্য যে, অনুষ্ঠানটোৰ মঞ্চতেই ‘গৌৰাং’ নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। এই গ্ৰন্থখনত কোচ-ৰাজবংশী সমাজৰ ইতিহাস, সংস্কৃতি আৰু সামাজিক পৰিৱেশৰ ওপৰত আলোকপাত কৰা হৈছে বুলি আয়োজকসকলে জানিবলৈ দিয়ে। তিতাগুৰী আঞ্চলিক বিষুৱা উৎসৱত প্ৰহ্লাদ ব্ৰহ্মৰ লগতে বিশিষ্ট বক্তা ধনঞ্জয় বৰ্মন উপস্থিত থাকে।

# নলবাৰীৰ কালদি গোপালথান হাইস্কুলত বসন্ত উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, চামতা, ২৬ এপ্ৰিল ঃ** শিক্ষাৰ নৱদ্বীপ নলবাৰীয়ে শিক্ষাগ্ৰহণৰ মাজেৰে সংস্কৃতিকো যাউতিযুগীয়া কৰি ৰখাৰ পথ অক্ষুণ্ণ ৰাখিছে। সেই সময়তে বৃহত্তৰ কালদি অঞ্চলৰ কালদি গোপালথান হাইস্কুল প্ৰাংগণ ঢোল-পেঁপা-গগণাৰ শব্দত জীপাল হৈ পৰিল। কালি হাইস্কুলখনত বসন্ত উৎসৱ উদ্‌যাপন কৰা হয়। উল্লেখ্য যে, হাইস্কুলখনৰ অধ্যয়নৰত ছাত্ৰীসকলক কিছুদিন পূৰ্বে বিহুনাচৰ প্ৰশিক্ষণ দিয়া হয়। তাৰ ফলশ্ৰুতিত ছাত্ৰীসকলে ৰূপায়ণ কৰা বিহুনাচে হাইস্কুলখনৰ পৰিৱেশ ৰজনজনাই তোলে আৰু উপস্থিত সমূহ ছাত্ৰ-ছাত্ৰী তথা সকলোকে আকৰ্ষণ কৰে। সকলোৱে পৰা অভূতপূৰ্ব সঁহাৰি লাভ কৰা বিহুনাচ প্ৰদৰ্শনৰ বাবে অঞ্চলটোৰ বিহুৱলীয়া ৰাইজে ভূয়সী প্ৰশংসা কৰে। শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় কৰ্তৃপক্ষই শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু অভিভাৱক-অভিভাৱিকাৰ সম্পূৰ্ণ সহযোগিতাত এই আদৰণীয় পদক্ষেপ গ্ৰহণ কৰে। শিক্ষয়িত্ৰীসকলৰ লগতে ছাত্ৰীসকলে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি উক্ত বিহুনাচ প্ৰদৰ্শন কৰে। নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত হাইস্কুলখনৰ প্ৰধান শিক্ষক চিত্তৰঞ্জন শৰ্মা, পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নগেন ডেকা, উপ সভাপতি মানস তালুকদাৰৰ লগতে বহুকেইগৰাকী সদস্য তথা জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই অসমীয়াৰ বাপতি সাহোন বিহুটিক আদৰিবলৈ শিক্ষাৰ্থীসকলক আকৰ্ষিত কৰাৰ এই নান্দনিক পদক্ষেপৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে।

# টংলা চহৰৰ ৰাজপথত ফল-মূলৰ দোকান; পাৰ্কিঙৰ সমস্যাত অতিষ্ঠ জনতা

**ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ২৬ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ অন্যতম বাণিজ্যিক কেন্দ্ৰ টংলা চহৰত অতি সম্প্ৰতি পাৰ্কিঙৰ সমস্যাৰ সন্মুখীন হৈছে সাধাৰণ জনতা। পাৰ্কিঙৰ সমস্যাৰ সমান্তৰাল ভাবে ৰাইজে ভুগিছে যান জটৰ সমস্যাত । ১৯৬২ চনতে ৩.১৯ বৰ্গ কিলোমিটাৰ অঞ্চলত প্ৰতিষ্ঠা লাভ কৰা টংলা পৌৰ সভাৰ চাৰিটা খণ্ডত ২০১১ চনৰ জৰীপ অনুসৰি যদিও প্ৰায় ১৭ হাজাৰ জনসংখ্যা বাস্তৱত বৰ্ত্তমান স্থায়ী আৰু অস্থায়ী মিলি প্ৰায় ৫০ হাজাৰৰো অধিক জনসংখ্যা বুলি ধাৰণা কৰা হৈছে। এই সৰু চহৰখনত ইয়াৰ বহন ক্ষমতা অনুপাতে অত্যধিক জনসংখ্যা হোৱাত এক বিশৃঙ্খল পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ চহৰখনৰ জৰাজীৰ্ণ বাট পথৰ ওপৰতে একাংশ পদ পথৰ ক্ষুদ্ৰ ব্যৱসায়ীয়ে বৰ্ত্তমান ৰাজ পথৰ ওপৰতে ব্যৱসায় কৰি যান জটৰ সমস্যা অধিক বৃদ্ধি কৰিছে। অতি সম্প্ৰতি টংলা চহৰৰ চাৰিআলিৰ সমীপত নাওঁকাটা - বেংবাৰী পথৰ অন্তৰ্গত টংলা-ভেৰগাঁও পথৰ ওপৰতে এখন ফল মূলৰ দোকান খুলি টংলা পৌৰ সভাক ভেঙুচালি কৰি যাতায়াত ব্যৱস্থাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। যিটো সময়ত টংলা পৌৰ সভাই ৰাইজৰ সমস্যাৰ প্ৰতি নজৰ ৰাখি একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত ৰাজ পথৰ লগতে পদ পথৰ ওচৰত থকা নাম ফলক আৰু বিজ্ঞাপন ফলকবোৰ আঁতৰাই পেলোৱাৰ প্ৰচেষ্টা চলাইছিল সেই সময়ত এনেদৰে ৰাজ পথৰ ওপৰত স্থায়ী দোকান দিয়াটো সকলোকে আচৰিত কৰি তুলিছে। জানিব পৰা মতে, উক্ত ফল মূলৰ দোকানী গৰাকীয়ে টংলা পৌৰ সভাৰ পৰা নামত ভ্ৰাম্যমান ঠেলা গাড়ী এখন ভাড়া লৈ সেই অজুহাততে এনেকৈ ৰাজ পথৰ ওপৰত নীতি বৰ্হিভূত ভাবে স্থায়ী দোকান খুলি সমস্যাৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ইফালে সৰু সৰু অতি ঠেক বাট পথ চহৰখনত প্ৰায় ১৫শ তকৈ অধিক বেটাৰী চালিত ৰিক্সাই যাতায়াত ব্যৱস্থা প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। প্ৰশিক্ষণ নোহোৱা একাংশ চালকে জধে মধে ৰাজ পথৰ ওপৰত বেটাৰী চালিত ৰিক্সা চলাই অধিক ভয়াবহ কৰি তুলিছে যান জটৰ সমস্যা। সৰু অথচ অত্যধিক লোকেৰে ভৰা চহৰখনত প্ৰকৃততে কিমানখন বেটাৰী চালিত ৰিক্সা চলাচল কৰিব পৰা সুবিধা আছে তাৰ নাই সঠিক সংখ্যা। তদুপৰি আজিলৈকে নিৰ্ধাৰিত হোৱা নাই সঠিক আস্থান। ফলত ইচ্ছা অনুসৰি চালকসকলে ৰিক্সাসমূহ পাৰ্কিং কৰাত অসুবিধা ভুগিছে অন্যান্য গাড়ী চালক আৰু সাধাৰণ পথচাৰীসকলে। শেহতীয়া ভাৱে টংলা চাৰিআলিৰ ন’পাৰ্কিঙৰ ওচৰতে একাংশ ৰিক্সাই পাৰ্কিং কৰি যাত্ৰীৰ বাবে অপেক্ষা কৰি থকা পৰিলক্ষিত হৈছে। ফলত সৰ্বসাধাৰণ ৰাইজে টংলা চহৰত যান-জঁটৰ তীব্ৰ সমস্যাৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত টংলা পৌৰ সভাৰ যথেষ্ট কৰণীয় আছে যদিও মৌনতা প্ৰদৰ্শন কৰা কাৰ্যই সচেতন নাগৰিকৰ মাজত ৰহস্যৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত টংলা পৌৰ সভাই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ’ব লক্ষণীয়।

**গোলাঘাট পৌৰসভাৰ নিষ্ঠাৱান কৰ্মী, চেনিটেৰী ইনস্পেক্টৰ ৰমেশ বাচফৰক ‘নিৰ্মল জনসেৱা বঁটা’ প্ৰদান**

# পশ্চিম গোলাঘাট শাখাৰ সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

## লেখিকা সঞ্জীৱনী বৰাৰ কাব্যগ্ৰন্থ ‘অব্যক্ত’ শুভ উন্মোচন



**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ২৬ এপ্ৰিল ঃ** অসমৰ এক অগ্ৰণী অনুষ্ঠান পশ্চিম গোলাঘাট শাখা সাহিত্য সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি অনুষ্ঠিত হৈ যায়। গোলাঘাট নগৰৰ বেঙেনাখোৱা বাগিচা নগৰত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উৎকৃষ্ট সেৱাৰ বাবে গোলাঘাট পৌৰ সভাৰ চেনিটেৰী ইনস্পেক্টৰ ৰমেশ বাচফৰক ‘নিৰ্মল জনসেৱা’ বঁটা প্ৰদান কৰে। লেখিকা সঞ্জীৱনী বৰাৰ কাব্যগ্ৰন্থ ‘অব্যক্ত’ শুভ উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক দিগন্ত কুমাৰ ভূএগ আৰু শাখাৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ ড° পুতুল চন্দ্ৰ শইকীয়াই। ড° পুতুল চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত শাখাৰ সম্পাদক স্বাগতা বৰাই আঁত ধৰা প্ৰতিষ্ঠা দিৱসৰ মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠান শুভ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিবৰ্তন গোস্বামীয়ে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিক্ষাবিদ ড° লুকুমণি গোস্বামীয়ে। অনুষ্ঠানত গোলাঘাট পৌৰ সভাৰ পৌৰপতি দুলুমণি বৰবৰা, বিশিষ্ট ঔপন্যাসিক অপৰাজিতা বৰুৱা, গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱা, গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ৰূপা শইকীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি জিতুল ৰাজখোৱা, বিশিষ্ট শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী প্ৰদীপ সোণাৰ, দুৰ্গাধৰ নেওগ, সমাজকৰ্মী চোহনা আলি আহমেদ, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক নিপন গগৈ, সাংস্কৃতিক কৰ্মী মৃদুল কাকতি, জাগ্ৰত মহিলা সমাজ, গোলাঘাটৰ সম্পাদক গায়ত্ৰী শইকীয়া, গোলাঘাট মৈত্ৰী সংঘৰ সম্পাদক বিভা শইকীয়া কাৰ্যসূচীত আমন্ত্ৰিত শিল্পী ঋতুৰাজ শদিয়া, মন মাধুৰ্য, প্ৰদীপ সোণাৰ, দুৰ্গাধৰ নেওগ, ৰহিমুদ্দিন আহমেদ, অনন্যা গোস্বামী, জগজীৱন বৰা, সীমা ৰাজবংশী, গৌৰী বৰা, ব্ৰীজ কিশোৰ গগৈ, লীনা দেৱী, স্বৰ্ণ হাজৰিকা, বিভা দাস বৰা, সান্ত্বনা দুৱৰা, অৰুণা বৰা, সঞ্জয় চলিহা, লাকী ফুকন কলিতা, শতাব্দী বৰা, ৰাণা শৰ্মা, ভাস্কৰ বৰা, প্ৰিয়ংকা বৰুৱা, টটুমণি বৰা, তনুজ কুমাৰ মহন্ত, দিলীপ শইকীয়া আদিয়ে গীত-কবিতা পৰিৱেশন কৰি মুখৰিত কৰি তোলে।

**ৰাঘৱ চাদ্দা এজন সুবিধাবাদী, মিথ্যাচাৰী, আদৰ্শহীন ৰাজনীতিবিদ - ডাঃ ভবেন চৌধুৰী**

# ৰাঘৱ চাদ্দাসহ ‘আপ’ ৰ সাতজন সাংসদৰ বিজেপিত যোগদান লৈ প্ৰতিক্ৰিয়া প্ৰকাশ আপ, অসমৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** সৌসিদিনালৈকে নৰেন্দ্ৰ মোদী-অমিত শ্বাহৰ সমালোচনাত মুখৰ হৈ থকা আপৰ ৰাজ্যসভাৰ সাংসদ ৰাঘৱ চাদ্দাসহ আনি তিনিজন সাংসদে নাটকীয়ভাৱে বিজেপি গমনত সমালোচনাত মুখৰ হৈ উঠিছে দলটোৰ কেন্দ্ৰীয় নেতৃত্বৰ লগতে আপ, অসমৰ ৰাজ্যিক সমিতিৰ। এক প্ৰেছ বাৰ্তাযোগে আপ, অসমৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে কয় যে আমাৰ দল আৰু পঞ্জাৱে আমাৰ সাংসদসকলক সকলোখিনি ইতিমধ্যে দিছে। বিজেপিয়ে অপাৰেছন লটাছৰ জৰিয়তে পঞ্জাৱৰ জনতাৰ লগতে দেশবাসীক পাছফালৰ পৰা ছুৰিকাঘাত কৰিলে। বিজেপিয়ে ইডি, চিবিআইৰ লেখীয়া তদন্তকাৰী সংস্থাসমূহক ব্যৱহাৰ কৰি চোৰাং চিকাৰ কৰি আছে। পঞ্জাৱৰ ভগৱন্ত মান চৰকাৰে কৰি থকা জনহিতৰ কাম-কাজত ব্যাঘাত জন্মোৱাৰ উদ্দেশ্যে বিজেপিয়ে এই চোৰাং চিকাৰ কৰিলে বুলি সভাপতি ডাঃ চৌধুৰীয়ে বিবৃতিটোত উল্লেখ কৰে। তেখেতে ৰাঘৱ চাদ্দাক এজন সুবিধাবাদী, মিথ্যাচাৰী, আদৰ্শবিহীন ৰাজনীতিবিদ বুলি উল্লেখ কৰি দলটোক বিশ্বাসঘাটকতা কৰা, দেশৰ ৰাজনৈতিক পৰিৱেশ কলুষিত কৰা এনে সুবিধাবাদী লোকসকলক পঞ্জাৱৰ জনতাই আহিবলগীয়া নিৰ্বাচনত জগৰীয়া কৰিব বুলি মন্তব্য কৰে।

# সত্ৰাপাৰাত দধিমন্থন ও সুঁৱৰি উৎসৱ

**অসম বাৰ্তা, মিৰ্জা, ২৬ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সত্ৰাপাৰাত সত্ৰাপাৰা আঞ্চলিক শ্ৰীশ্ৰী বাসুদেৱ দধিমন্থন সমাজৰ উদ্যোগত দধিমন্থন ও সুঁৱৰি উৎসৱ অনুষ্ঠিত কৰে। দিনযোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত দধিমন্থন ও সুঁৱৰি উৎসৱ উপলক্ষে পুৱা ধৰ্মীয় পতাকা উত্তোলন কৰে সুঁৱৰি উৎসৱৰ সভাপতি খগেন হাজৰিকাই। ইয়াৰ পিছত বন্তি প্ৰজ্বলন কৰা হয় বন্তি প্ৰজ্বলন কৰে কমলেশ্বৰ দাসে। পিছত ঘট বুৰণ আৰু স্থাপন কৰা হয়। কুমাৰী ছোৱালীসকলৰদ্বাৰা ঘট বুৰণ কৰাৰ পিছত দুলড়ী স্থাপনৰ লগতে বিষ্ণু হোম-যজ্ঞ আৰম্ভ কৰা হয়। সুঁৱৰি উৎসৱৰ সভাপতি খগেন হাজৰিকাৰ বাসগৃহৰপৰা সুঁৱৰীস্থলীলৈ গোপ-গোপিনী আৰু বাৰগোপাল বৰণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত আবেলি মঞ্চ মুকলি কৰা হয়। মঞ্চ মুকলি কৰে বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী তথা বিশিষ্ট সমাজকৰ্মী অপূৰ্ব দেৱ শৰ্মাই। ইয়াৰ পিছতে গোপাল স্থাপন আৰু দধিমন্থন কাৰ্যসূচী সফল ভাৱে সম্পন্ন কৰা হয়। নিশা যাত্ৰাভিনয় মঞ্চস্থ কৰা হয়। নিমন্ত্ৰণ মৰ্মে ৰংদৈ ঢুলীয়া নাট্য দলে নিশা নাট পৰিৱেশন কৰে।

**স্মৃতি চাৰণ সভাত “ কমলজ্যোতি” উন্মোচন; গল্পকাৰ সাহিত্য অকাডেমি বঁটা প্ৰাপক মনোজ কুমাৰ গোস্বামীক সম্বৰ্ধনা**

# মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আদি এলেঙি সত্ৰত সত্ৰাধিকাৰ, শিক্ষাবিদ কমল চন্দ্ৰ গোস্বামীৰ তিৰোভাৱ তিথি উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ২৬ এপ্ৰিল ঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আদিএলেঙি সত্ৰৰ সপ্তদশজনা সত্ৰাধিকাৰ তথা বিশিষ্ট শিক্ষাবিদ কমল চন্দ্ৰ গোস্বামীৰ অষ্টম তিৰোভাৱ তিথি আজি নামনি মাজুলীৰ আদিএলেঙি সত্ৰত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। আদিএলেঙি সত্ৰৰ স্ব-নামধন্য সত্ৰাধিকাৰ তথা নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰু নগাঁৱৰ গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ কমল চন্দ্ৰ গোস্বামীৰ তিৰোভাৱ তিথি আজি ৰাতি ভাওনা প্ৰদৰ্শনৰে সামৰণী মৰা হয়। সত্ৰাধিকাৰ, শিক্ষাবিদ কমল চন্দ্ৰ গোস্বামীৰ জ্যেষ্ঠ পুত্ৰ, বিশিষ্ট সাহিত্যিক, গল্পকাৰ, সাহিত্য অকাডেমি বঁটা প্ৰাপক মনোজ কুমাৰ গোস্বামীৰ পৰিয়ালৰ উদ্যোগত আৰু আদিএলেঙি সত্ৰৰ ৰাইজৰ সহযোগত সত্ৰখনৰ নামঘৰত উক্ত তিৰোভাৱ তিথি উদযাপন কৰা হয়। উক্ত, তিৰোভাৱ তিথি উপলক্ষে আজি পুৱা সত্ৰৰ নামলগোৱা ভৰ বৰাই প্ৰাত প্ৰসঙ্গ কৰাৰ পাছত পৰিৱেশ নিকাকৰণ কৰা হয়। তাৰপিছত গছপুলি ৰোপণ কৰে স্থানীয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভোলাৰাম ভূএগ আৰু বলো কলিতাই। ধৰ্মধ্বজা উত্তোলন কৰে আদিএলেঙি সত্ৰ পৰিচালনা সমিতিৰ সভাপতি শিশুৰাম বৰাই। কমল চন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত স্মৃতি তৰ্পণ কৰে বয়োজ্যেষ্ঠ নাগৰিক তথা সত্ৰৰ বৰগায়ন বাপধন বৰগায়ন আৰু সত্ৰৰ বৰ নামলগোৱা কৃষ্ণৰাম হাজৰিকাই। তাৰপিছত গোপিনীসকলৰ নাম, বৰগীত আৰু খোল প্ৰসঙ্গ আৰু মধ্যাহ্ন প্ৰসঙ্গ পৰিৱেশন কৰা হয়। উক্ত, তিৰোভাৱ তিথি উপলক্ষে দুপৰীয়া বাৰ বজাৰ পৰা কমল চন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৃতীৰ ওপৰত এখন তত্ত্বগধুৰ “স্মৃতি চাৰণ সভা” অনুষ্ঠিত হয়। আদিএলেঙি সত্ৰৰ সত্ৰাধিকাৰ বল্লভ দেৱ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত স্মৃতিচাৰণ সভাখনৰ আঁত ধৰে যদু কলিতাই। আদিএলেঙি সত্ৰৰ যুৱক-যুৱতী আৰু মহিলাসকলে পৰিৱেশন কৰা “টোটয়”ৰে শুভাৰম্ভ কৰা উক্ত স্মৃতিচাৰণ সভাখন তত্ত্বগধুৰ ভাষণৰে উদ্বোধন কৰে বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ দেৱ গোস্বামীয়ে। সভাত মুখ্য অতিথি হিচাপে অসম সত্ৰ মহাসভাৰ প্ৰাক্তন প্ৰধান সম্পাদক তথা যোৰহাটৰ জ্যেষ্ঠ অধিবক্তা ভৱ গোস্বামীয়ে ভাষণ প্ৰদান কৰে। সভাত কমল চন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৃতীৰ ওপৰত ভাষণ প্ৰদান কৰিব আদিএলেঙি সত্ৰৰ ডেকা সত্ৰাধিকাৰ বিমল দেৱ গোস্বামীয়ে। উক্ত, স্মৃতি চাৰণ সভাত কমল চন্দ্ৰ গোস্বামীৰ সশ্ৰদ্ধ সোঁৱৰণ গ্ৰন্থ, যদু কলিতাৰ সম্পাদিত “কমলজ্যোতি” উন্মোচন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° তৰুণ গগৈয়ে। সভাত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা সত্ৰ মহাসভাৰ সভাপতি সত্যজিৎ মহন্ত, মাজুলী বৰএলেঙি সত্ৰৰ সত্ৰাধিকাৰ চন্দন গোস্বামী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপক ড° যাদৱ বৰাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাত কমল চন্দ্ৰ গোস্বামীৰ জ্যেষ্ঠ পুত্ৰ বিশিষ্ট সাহিত্যিক, গল্পকাৰ, ‘আমাৰ অসম ’কাকতৰ মুখ্য সম্পাদক তথা ২০২২ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰা মনোজ কুমাৰ গোস্বামীক আদিএলেঙি সত্ৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনা জনোৱা হয়। উক্ত, তিৰোভাৱ তিথি উপলক্ষে সন্ধিয়া আদিএলেঙি সত্ৰৰ যুৱ শিল্পীসকলে “মৎস্য অৱতাৰ” ভাওনা প্ৰদৰ্শন কৰি সকলোকে মুগ্ধ কৰে।

# অসম মৰাণ সভা বাৰেকুৰি আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, মাকুম, ২৬ এপ্ৰিল ঃ** মৰাণ জনগোষ্ঠীৰ পিতৃ স্বৰূপ সংগঠনটোৱে হৈছে অসম মৰাণ সভা। জনগোষ্ঠীটোৰ উত্তৰণৰ ক্ষেত্ৰত মৰাণ সভাৰ যথেষ্ট অৱদান আছে। ঠিক তেনেদৰে অসম মৰাণ সভা গঠন কৰাৰ ক্ষেত্ৰত বাৰেকুৰি আঞ্চলিক সমিতি খনৰ যথেষ্ট অৰিহণা থকা উদাহৰণ আছে। বৃহত্তৰ বাৰেকুৰি অঞ্চলৰ যিকোনো সমস্যা বা উত্তৰণৰ ক্ষেত্ৰত জনগোষ্ঠীটোৰ কেউটা সংগঠনৰ সৈতে বাৰেকুৰি আঞ্চলিক সমিতি খনে সদায় আগৰণুৱা ভূমিকা পালন কৰি আহিছে। অসম মৰাণ সভাৰ সংবিধান অনুসৰি তিনি বছৰৰ মূৰে মূৰে সাধাৰণ সভা অনুষ্ঠিত কৰি আঞ্চলিক সমিতি সমূহ গঠন কৰি আহিছে। তাৰ সমান্তৰাল ভাৱে ২০২২-২০২৫ বৰ্ষৰ অসম মৰাণ সভা বাৰেকুৰি আঞ্চলিক সমিতি খনি আজি বাৰেকুৰি গাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি পুৰণা সমিতিখন ভংগ আৰু এখনি ৩১ জনীয়া নতুন সমিতি গঠন কৰা হয়। নতুন সমিতি খনত বিনা প্ৰতিদ্বন্দ্বিতাই নিকুঞ্জ চুতীয়াক সভাপতিত্বৰ দায়িত্ব অৰ্পণ কৰা হয়, ইপিনে সম্পাদকৰ পদৰ বাবে কেইবাজনো মনোনীত প্ৰাৰ্থীৰ ভিতৰত প্ৰাৰ্থজিৎ বড়াই অধিক ভোট লাভ কৰাত সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। উক্ত সাধাৰণ সভাত অসম মৰাণ সভাৰ কেন্দ্ৰীয় সভাপতি ৰাজীৱ বড়া, উপ-সভাপতি বিশ্বজিৎ বড়া, ভুলেন বৰুৱা প্ৰমুখ্যে অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, বিহু সন্মিলনী অনুষ্ঠান

**অসম বাৰ্তা, মাকুম, ২৬এপ্ৰিল ঃ** কাকপথাৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আজি বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীৰে বিহু সন্মিলনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে আদৰণী ভাষণত মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ এক সমৃদ্ধিশালী নতুন বছৰৰ কামনা কৰি বিহুৱবীয়া অভিবাদন জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে পৰম্পৰাগত মৰাণ বিহু হুচৰি পৰিৱেশন কৰা হয়। ইয়াৰ পাছত আমন্ত্ৰিত ৰংপুৰ বিহু হুচৰি দলে আকৰ্ষণীয় প্ৰদৰ্শনৰ দ্বাৰা সকলোকে আপ্লুত কৰে। পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলেও নৃত্য আৰু গীত পৰিবেশনেৰে উৎসৱমুখৰ পৰিৱেশ গঢ়ি তোলে। শেষত সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক- শিক্ষয়িত্ৰীয়ে সকলোৰে সম্প্ৰীতি আৰু সমৃদ্ধি কামনা কৰি দুয়োটা হুচৰি দলৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে।

## উত্তৰ-পূবৰ বাঁহ অৰ্থনীতিক

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এনেধৰণৰ সৰু প্ৰচেষ্টাই বাঁহৰ সামগ্ৰী নিৰ্মাণ কৰা শিল্পী আৰু উদ্যোগীক বহুল পৰিমাণে উৎসাহিত কৰিব। অনুষ্ঠানত নিজৰ বক্তব্যত প্ৰধানমন্ত্ৰী মোদীয়ে ঐতিহাসিক প্ৰসংগ দাঙি ধৰি কয় যে ইংৰাজ শাসকসকলে প্ৰণয়ন কৰা আইন অনুসৰি বাঁহক 'গছ' বুলি সংজ্ঞায়িত কৰা হৈছিল। সেই সংজ্ঞাৰ লগত জড়িত নিয়মবোৰ আছিল অতি কঠোৰ। যি কাৰণতে এক স্থানৰ পৰা আন স্থানলৈ বাঁহ পৰিবহণ কৰাটো আছিল এক প্ৰকাৰ অসম্ভৱ কাৰ্য। ইয়াৰ ফলত বাঁহৰ ব্যৱসায়ীসকল ক্ৰমাৎ এই শিল্পৰ পৰা আঁতৰি যাবলৈ বাধ্য হৈছিল। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ২০১৭ চনত ভাৰত চৰকাৰে এক গুৰুত্বপূৰ্ণ আইনগত পৰিৱৰ্তন আনে। সেই পৰিৱৰ্তন অনুসৰি বাঁহক গছৰ শ্ৰেণীৰ পৰা আঁতৰাই ঘাঁহজাতীয় উদ্ভিদ হিচাপে শ্ৰেণীভুক্ত কৰা হয়। এই আইন সলনিৰ প্ৰভাৱ সম্পৰ্কে প্ৰধানমন্ত্ৰী মোদীয়ে গৌৰৱান্বিত চিত্তেৰে কয়, "যাৰ ফল এতিয়া সকলোৰে দৃষ্টিগোচৰ হৈছে। আজি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বাঁহ খণ্ডটো আগবাঢ়িবলৈ সক্ষম হৈছে। মানুহে অবিৰতভাৱে বাঁহেৰে সামগ্ৰী প্ৰস্তুত কৰি আছে আৰু ইয়াৰ মূল্য সংযোজন কৰি আছে।" তেওঁ কয় যে এসময়ত যিটো বোজা হিচাপে গণ্য কৰা হৈছিল, সেই বাঁহই আজি নিয়োগ, ব্যৱসায় আৰু উদ্ভাৱনক এক নতুন গতি প্ৰদান কৰিছে। ইয়াৰ সবাতোকৈ ডাঙৰ লাভান্বিত হৈছে মহিলাসকল। বাঁহৰ সংজ্ঞা সলনি কৰি কিমান ডাঙৰ পৰিৱৰ্তন আহিছে, সেই কথা জানি মানুহে আচৰিত হ'ব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী'ৰ সৈতে তুলনা কৰি কয় যে এই অঞ্চলত অপৰিসীম প্ৰতিভা লুকাই আছে। তেওঁ পুনৰ আহ্বান জনাই কয়, "মই আপোনালোক সকলোকে উত্তৰ-পূবৰ পৰা বাঁহৰ সামগ্ৰী ইতিবাচকভাৱে ক্ৰয় কৰিবলৈ আহ্বান জনাম। আপুনি ইয়াক উপহাৰ হিচাপেও ব্যৱহাৰ কৰিব পাৰে। আপোনালোকৰ এই প্ৰচেষ্টাই বাঁহৰ সামগ্ৰী প্ৰস্তুত কৰিবলৈ কষ্ট কৰাসকলক উৎসাহিত কৰিব।" প্ৰধানমন্ত্ৰী মোদীৰ এই উদ্যোগ আৰু উত্তৰ-পূবৰ বাঁহ অৰ্থনীতিক গুৰুত্ব প্ৰদান কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে এক বিবৃতিত কয় যে 'মন কি বাত'ত মাননিয় প্ৰধানমন্ত্ৰীগৰাকীয়ে সম্ভাৱনাপূৰ্ণ বাঁহ অৰ্থনীতিত আলোকপাত কৰি অসম তথা উত্তৰ-পূবৰ নৱবিকশিত উত্থানৰ কথা সদৰি কৰিছে। তেওঁ উল্লেখ কৰে যে শেহতীয়াকৈ বাঁহক উপাদান হিচাপে ব্যৱহাৰ কৰি গুৱাহাটী বিমানবন্দৰৰ নতুন টাৰ্মিনেলটো বাঁহ অৰ্থনীতিৰ দিশত অসমৰ নতুন ৰূপৰ জীৱন্ত প্ৰমাণ হিচাপে থিয় দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশবাসীৰ সন্মুখত অসমৰ ইতিবাচক দিশসমূহ এনেদৰে উপস্থাপন কৰি ৰাজ্যৰ গৰিমা অধিক বৃদ্ধি কৰাৰ বাবে মাননিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়ালৈ অসমবাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## দলত্যাগী ৰাজ্যসভাৰ সাংসদক অযোগ্য ঘোষণাৰ

অনুসূচীৰ অধীনত তেওঁলোকক অযোগ্য ঘোষণা কৰিবলৈ ৰাজ্যসভাৰ অধ্যক্ষ চি পি ৰাধাকৃষ্ণণলৈ আনুষ্ঠানিকভাৱে পত্ৰ প্ৰেৰণ কৰিছে। আপৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে এক সংবাদমেলত এই দাবী শক্তিশালীভাৱে উত্থাপন কৰে। তেওঁ কয় যে শুকুৰবাৰে (২৫ এপ্ৰিল) দল এৰা সাতগৰাকী সাংসদে আপৰ আদেশত নিৰ্বাচিত হৈছিল, কিন্তু পাছত চৰকাৰী হেঁচাত পৰি দলত্যাগৰ পথ বাচি লৈছে। সেয়ে তেওঁলোকৰ সাংসদ পদ বাতিল কৰাটো সংবিধানসম্মত বুলি আপে যুক্তি দাঙি ধৰিছে।" ভাৰতীয় সংবিধানৰ দশম অনুসূচী স্পষ্টকৈ কয় যে কোনো নিৰ্বাচিত প্ৰতিনিধিয়ে নিজৰ দলৰ আদেশ অমান্য কৰি আন দলত যোগদান কৰিলে তেওঁ অযোগ্য বুলি গণ্য হ'ব। সেয়েহে এই সাতগৰাকী সাংসদৰ সদস্যপদ সম্পূৰ্ণৰূপে খাৰিজ কৰিবলৈ আমি ৰাজ্যসভাৰ অধ্যক্ষক অনুৰোধ জনাইছো,— সঞ্জয় সিঙে কয়। তেওঁ লগতে কয় যে দল এৰা সাতগৰাকী সাংসদৰ ভিতৰত ছয়গৰাকী আছিল পঞ্জাবৰ পৰা নিৰ্বাচিত। তেওঁলোক হৈছে — ৰাঘৱ চাড্ডা, অশোক মিট্টল, সন্দীপ পাঠক, হৰভজন সিং, ৰাজেন্দ্ৰ গুপ্তা, বিক্ৰম সাহনী আৰু স্বাতী মালিৱাল। এই সাংসদসকলে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপক নীতি-মূল্যবোধৰ পৰা আঁতৰি যোৱাৰ অভিযোগ উত্থাপন কৰি বিজেপিত আশ্ৰয় লয়। সঞ্জয় সিঙে কটাক্ষ কৰি কয়, "এই পদক্ষেপ গণতন্ত্ৰৰ প্ৰতি বিশ্বাসঘাতকতা। পঞ্জাবৰ জনসাধাৰণে যিসকলক প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰি পঠিয়াইছিল, তেওঁলোকে দল সলনি কৰি সেই ভোটৰ সন্মান ভংগ কৰিলে।" তেওঁ মাত দিয়ে যে কোনো নিৰ্বাচিত প্ৰতিনিধিয়ে দল সলনি কৰাৰ আগতে পদত্যাগ কৰিব লাগে; তেন্তেহে গণতান্ত্ৰিক শিষ্টাচাৰ পালন কৰা হ'ব। আপে এই বিষয়ত জ্যেষ্ঠ অধিবক্তা কপিল ছিবাল আৰু এজন প্ৰাক্তন লোকসভাৰ মহাসচিবকে ধৰি সংবিধান বিশেষজ্ঞৰ পৰামৰ্শ লোৱা বুলি সঞ্জয় সিঙে অৱগত কৰে। তেওঁ আশা প্ৰকাশ কৰে যে ৰাজ্যসভাৰ অধ্যক্ষই অতি সোনকালে এই আবেদনৰ ওপৰত ন্যায্য সিদ্ধান্ত ল'ব আৰু দলত্যাগী সাংসদসকলক অযোগ্য ঘোষণা কৰিব। উল্লেখ্য যে ইয়াৰ পূৰ্বে দলত্যাগ কৰাৰ পাছতে আপৰ আন এজন সাংসদ হৰভজন সিঙৰ নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰ কৰাৰ ঘটনাই ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। এতিয়া এই দলত্যাগী সাত সাংসদৰ ভৱিষ্যৎ নিৰ্ণয় কৰাটো ৰাজ্যসভাৰ অধ্যক্ষৰ বাবে এক গুৰুত্বপূৰ্ণ পৰীক্ষা হৈ পৰিছে।

## অসমত কংগ্ৰেছৰ চৰকাৰ গঠন হ'ব, নীৰৱ ভোটাৰেই

পৰিৱৰ্তন অনিবাৰ্য। শইকীয়াৰ মতে, এইবাৰ ৰাজ্যত কংগ্ৰেছৰ চৰকাৰ গঠন হ'ব আৰু এই নিৰ্ণয়ত নীৰৱ ভোটাৰসকলেই মুখ্য ভূমিকা গ্ৰহণ কৰিব। সংবাদ মেলত শইকীয়াই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্য্যশৈলীক কেন্দ্ৰ কৰি একাধিক গুৰুতৰ অভিযোগ প্ৰসংগ উত্থাপন কৰে। তেওঁ জনায় যে শাসকীয় দলটোৱে পৰাজয়ৰ ভয়ত অস্থিৰ হৈ পৰিছে আৰু তেওঁলোকৰ উন্নয়নৰ বক্তৃতা সম্পূৰ্ণ অমূলক আছিল। দেৱব্ৰত শইকীয়াই কংগ্ৰেছৰ পৰা বিজেপিলৈ অহা নেতাসকলক অধিক গুৰুত্ব প্ৰদান কৰাটো বিজেপিৰ বাবে সমস্যাৰ কাৰণ হৈ পৰিছে বুলি দাবী কৰে। তেওঁ কয়, "হিমন্ত বিশ্ব শৰ্মা নিজেই কংগ্ৰেছৰ পৰা অহা ব্যক্তি। তেওঁ প্ৰদ্যুৎ বৰদলৈৰ দৰে কংগ্ৰেছী নেতাসকলক প্ৰমোচন দিয়াৰ ফলত বিজেপিৰ পুৰণি নেতাসকলে টিকটৰ পৰা বঞ্চিত হোৱাৰ আশংকা কৰিছে। ইয়াৰ বাবেই দলটোৰ ভিতৰত তীব্ৰ অসন্তোষ আৰু বিবাদ বাঢ়িছে। কোনো মন্ত্ৰীয়ে আন মন্ত্ৰীৰ বিপক্ষে অভিযোগ দাঙি ধৰা পৰিস্থিতি বিজেপিত দেখা গৈছে।" নিজৰ যুক্তিত বিৰোধী দলপতিগৰাকীয়ে অসমৰ সচেতন ৰাইজৰ প্ৰশংসা কৰি কয়, "গণতন্ত্ৰত ৰাইজেই জনাৰ্দন, আৰু ৰাইজেই শেষ কথা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভিত্তিহীন অভিযোগ, আক্ৰমণাত্মক মনোভাৱ, গড্ডাৰ আৰু চিপৰাং মৰা ৰাজনীতিয়ে অসমৰ প্ৰজাক কেতিয়াও বিভ্ৰান্ত কৰিব নোৱাৰে।" তেওঁ দৃঢ়তাৰে কয় যে এইবাৰ নিৰ্বাচনী ফলাফল বিজেপীয়ে কল্পনা কৰা ধৰণৰ নহ'ব। কংগ্ৰেছ নেতা পৱন খেড়াই মুখ্যমন্ত্ৰী শৰ্মাৰ পৰিয়ালৰ বিষয়ে উত্থাপন কৰা অভিযোগৰ প্ৰসংগত শইকীয়াই কয় যে এই তথ্যসমূহ অত্যন্ত গুৰুত্বপূৰ্ণ আৰু ৰাইজে ইয়াৰ সত্যতা জানিবলৈ অধিকাৰী। তেওঁ লগতে কয়, "পৱন খেড়াক নিজৰ কথা প্ৰমাণ কৰাৰ সুযোগ দিয়া উচিত আছিল, যিটো তেওঁক দিয়া হোৱা নাই। এই ঘটনাটোৰ অধিক তদন্তৰ প্ৰয়োজন আছে।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশাসনিক শৈলীক 'হিটলাৰী শাসন' আখ্যা দি শইকীয়াই সতৰ্কবাণী দিয়ে যে এই ধৰণৰ কাৰ্যশৈলীৰ নেতিবাচক প্ৰভাৱ নিৰ্বাচনী ফলাফলত স্পষ্টভাৱে পৰিব। তেওঁ অভিযোগ কৰে, "শৰ্মাই ৰাইজক দিয়া কোনো প্ৰতিশ্ৰুতি পূৰণ কৰা নাই। অনাগত নিৰ্বাচনৰ পাছত এখন সুস্থিৰ, জনদায়বদ্ধ নতুন চৰকাৰ গঠনৰ দিশত আমি আশাবাদী। এই যাত্ৰা সত্য আৰু ন্যায়ৰ যাত্ৰা।" শেষত দেৱব্ৰত শইকীয়াই দাবী কৰে যে এইবাৰ অসমত কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহৰ জয় নিশ্চিত। তেওঁ জনায় যে নিৰ্বাচনী পৰ্বত যথেষ্ট সংখ্যক নীৰৱ ভোটাৰৰ উপস্থিতি আছিল, যিসকলে বিজেপিৰ অপশাসনৰ বিৰুদ্ধে কংগ্ৰেছৰ পক্ষত ভোট প্ৰদান কৰিছে।

## জুবিন গাৰ্গক উচ্চতৰ মাধ্যমিকৰ নতুন শিক্ষাবৰ্ষত

হৈছে। অসমীয়াৰ হাৰ্টথ্ৰব জুবিন গাৰ্গে স্থান লাভ কৰিছে উচ্চতৰ মাধ্যমিক স্তৰৰ বাবে পৰিষদে যুগুত কৰা শৈক্ষিক দিনপঞ্জীত। এই শৈক্ষিক বৰ্ষটোত জুবিন গাৰ্গক 'থীম' হিচাপে গ্ৰহণ কৰি তেওঁৰ উক্তিসমূহ শিক্ষক-শিক্ষাৰ্থীৰ মাজলৈ লৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। জনতাৰ প্ৰাণৰ শিল্পীগৰাকীয়ে আগতে কৈছিল, "মোতকৈ বেছি মোৰ কৰ্মখিনিক মানুহে মনত ৰাখিলে মই বেছি ভাল পাম।" মহান শিল্পীগৰাকীৰ সেই আশয়ৰ প্ৰতি গুৰুত্ব দিয়েই পৰিষদে তেওঁৰ কৰ্মৰাজিক শৈক্ষিক ক্ষেত্ৰত স্থান দিছে। প্ৰতি বছৰে শৈক্ষিক দিনপঞ্জীত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক জ্ঞান প্ৰদানৰ বাবে এটা বিশেষ বিষয় নিৰ্বাচন কৰি আহিছে পৰিষদে। ইতিপূৰ্বে মহাত্মা গান্ধী, আজাদী কা অমৃত মহোৎসৱ, জি-২০, কিতাপৰ বছৰ আদি বিষয়বস্তু দিনপঞ্জীত প্ৰতিফলিত হৈছিল। কিন্তু এইবাৰ প্ৰকৃতি প্ৰেমী কিংবদন্তি শিল্পী জুবিন গাৰ্গকে থীম হিচাপে লোৱা হৈছে। শৈক্ষিক দিনপঞ্জীৰ প্ৰথম পৃষ্ঠাতে সন্নিৱিষ্ট কৰা হৈছে জুবিন গাৰ্গৰ জনপ্ৰিয় উক্তি — "ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজো মই, চিৰদিন চিৰন্তন। আকাশ চুব খোজো মই। জন্মগত আমৰণ মোৰ সংকল্প অস্তিত্ব অপৰাজিত..." লগতে প্ৰকৃতিৰ প্ৰতি শিল্পীজনৰ অনুৰাগ প্ৰতিফলিত কৰা অন্যান্য উক্তিও দিনপঞ্জীত স্থান পাইছে। মুঠতে জুবিন গাৰ্গৰ বাৰটা উক্তি এই শৈক্ষিক দিনপঞ্জীৰ অন্তৰ্ভুক্ত কৰা হৈছে। শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰতিমাহে নিৰ্দিষ্ট উক্তিৰ ওপৰত আলোচনা কৰা হ'ব। মে' মাহত আলোচনা কৰিবলগীয়া উক্তিটো হৈছে — "যিকোনো শোষণ-নিষ্পেষণৰ পৰা প্ৰতিজন মানুহক মুক্তি লাগে। কিন্তু আমাক শান্তি লাগে। ৰাজনৈতিক বিশ্লেষণ সমীকৰণ মই নাজানো। কিন্তু আত্মাৰ নিৰ্দেশ মই অনুভৱ কৰো।" জুন মাহৰ বাবে নিৰ্ধাৰিত উক্তিটো হৈছে — "অৰ্থনীতি যেতিয়া বিদেশীৰ হাতলৈ যায় তেতিয়া কলা নিঃশেষ হয়।" জুলাই মাহত চৰ্চা কৰা হ'ব — "মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰক সেৱা কৰা হয়।" ইয়াৰ উপৰিও দিনপঞ্জীত অন্তৰ্ভুক্ত কৰা অন্যান্য উক্তিসমূহৰ ভিতৰত আছে — "কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে", "নাম থাকিলে বদনাম থাকেই", "কেতিয়াও নিজক ঢিলাই দিব নালাগে। যোদ্ধা মনোভাৱটো সদায় মনৰ ভিতৰত থাকিব লাগে। সেইটো লৈয়েই মই আগুৱাই গৈ আছো সদায়", "পৃথিৱীখন দুটা বস্তুৰেই চলায়। এটা হৈছে মগজু আৰু আনটো হৈছে হৃদয়", "কিছুমান মানুহ টকাৰ ধনী, মই মনৰ ধনী হ'বলৈ বিচাৰো", "নতুন প্ৰজন্মই যদি অকল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ থাকে, তেন্তে তেওঁলোকে শিক্ষা ঠিকেই পাব, কিন্তু জ্ঞান নাপাব, চাকৰি পাব, কিন্তু জীৱনৰ সোৱাদ উপলব্ধি কৰিব নোৱাৰিব" আৰু "ভগৱান আকাশত নাথাকে, ভগৱান সকলোৰে মাজত থাকে, ভগৱান ফুলত থাকে, গছত থাকে।" বিগত বৰ্ষৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যু হয়। শিল্পীগৰাকী কায়িকভাৱে জনতাৰ মাজৰ পৰা আঁতৰি গ'লেও তেওঁৰ আদৰ্শ, সৃষ্টিশীলতা আৰু মানৱতাবাদ চিৰ জীয়াই ৰাখিবলৈ বিদ্যালয় শিক্ষা পৰিষদে শিক্ষানুষ্ঠানৰ মুৰব্বী আৰু শিক্ষকসকলক আহ্বান জনাইছে। দিনপঞ্জীত উল্লেখ কৰা উক্তিসমূহৰ লগতে এখন বিশেষ পাঠত জুবিন গাৰ্গৰ জীৱন আৰু দৰ্শন সম্পৰ্কেও শিক্ষাৰ্থীসকলে অৱগত হোৱাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশংসনীয় পদক্ষেপৰ জৰিয়তে জুবিন গাৰ্গৰ চিন্তা-চৰ্চা অহমিকা অসমৰ নতুন প্ৰজন্মই আত্মস্থ কৰিব পাৰিব বুলি আশা ব্যক্ত কৰা হৈছে।

## চেন্নাইক ৮ উইকেটত

এম এ চিদাম্বৰম ষ্টেডিয়ামত খেলা এই মেচখনত গুজৰাটৰ বেটাৰ সাই সুদৰ্শনে ৪৬টা বলত ৮৭ ৰাণৰ এক চমৎকাৰ আৰু আক্ৰমণাত্মক ইনিংছ খেলে। তেওঁৰ প্ৰভাৱশালী বেটিঙৰ লগতে বলিং গোটৰ সামূহিক প্ৰচেষ্টাত দলটোৱে সহজেই জয়লাভ কৰে আৰু পইণ্ট তালিকাত পঞ্চম স্থানলৈ আগবাঢ়ে। মেচখনত গুজৰাট টাইটানছে টছত জয়ী হৈ প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰিবলৈ অহা চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই মাত্ৰ ১৫৮ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। যোৱা খেলত শতক অৰ্জন কৰা সঞ্জু ছেমছনে এইবাৰ বেটেৰে বিশেষ কিছু কৰিব নোৱাৰিলে। কিন্তু ফৰ্মৰ লগত যুঁজি থকা অধিনায়ক ঋতুৰাজ গায়কোৱাডে দলটোক পতনৰ পৰা উদ্ধাৰ কৰি ৭৪ ৰাণৰ অপৰাজিত ইনিংছ খেলে। অৱশ্যে গায়কোৱাডৰ বাহিৰে বাকী সকলো বেটিং শাৰী বিফল হয়। চেন্নাইৰ নিয়মীয়া অধিনায়ক এম এছ ধোনী এই মেচত অনুপস্থিত আছিল, যি দলটোৰ বাবে ডাঙৰ ধকল হিচাপে বিবেচিত হৈছিল। ১৫৯ ৰাণৰ নিৰ্ধাৰিত লক্ষ্যৰ পাছেৰা লৰা দিবলৈ অহা গুজৰাট টাইটানছে বেটিংত এক প্ৰভাৱশালী প্ৰদৰ্শন কৰে। দ্বিতীয় বলতে শুভমান গিলেৰ উইকেট পৰে যদিও তাৰ পিছত সাই সুদৰ্শনে ইনিংছৰ গতি নিজৰ হাতত লয়। সুদৰ্শনে চেন্নাইৰ বলাৰসকলৰ ছন্দ নষ্ট কৰি ৪৬টা বলত ৬টা চাৰ আৰু ৪টা ছ'ৰ সহায়ত ৮৭ ৰাণ তোলে। তেওঁৰ এই ইনিংছৰ বাবেই দলটোৱে ১৬.৪ অভাৰৰ ভিতৰতেই লক্ষ্যত উপনীত হয়। অধিনায়ক শুভমন গিলে ৩৩ ৰাণৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায় আৰু শেষত জছ বাটলাৰে ৩৯ ৰাণৰ অপৰাজিত নক খেলি দলটোক জয়ৰ মুখ দেখুৱায়। বলিঙৰ ফালৰ পৰা চাবলৈ গ'লে গুজৰাটৰ কাগিছো ৰাবাডাই মাত্ৰ ২৫ ৰাণ দখল কৰি তিনিটা বহুমূলীয়া উইকেট লাভ কৰে। আৰ্শ্বাদ খানে দুটা আৰু মানৱ ছুথাৰে এটা উইকেট দখল কৰে। চেন্নাইৰ হৈ নুৰ আহমেদ আৰু আকিল হুছেইনে এটাকৈ উইকেট লাভ কৰে যদিও সেয়া পৰাজয় ৰোধ কৰিবলৈ যথেষ্ট নাছিল। এই মেচত প্ৰভাৱশালী বলিঙৰ বাবে ৰাবাডাক 'প্লেয়াৰ অৱ দ্য মেচ'ৰ বঁটা প্ৰদান কৰা হয়। এই জয়ৰ লগে লগে গুজৰাট টাইটানছ আইপিএল ২০২৬ৰ পইণ্ট তালিকাত পঞ্চম স্থানলৈ উন্নীত হয়।

## ইৰানত ৫৪ দিন ধৰি বন্ধ

স্পষ্ট সতৰ্কবাণী জাৰি কৰি কৈছে যে যদি এইদৰে ইণ্টাৰনেট সেৱা ব্যাহত হৈ থাকে, তেন্তে সুস্থিৰ ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল প্ৰায় এক কোটি লোকৰ চাকৰি আৰু জীৱিকা গুৰুতৰভাৱে বিপদগ্ৰস্ত হ'ব। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে এই পৰিস্থিতিত সবাতোকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে মধ্যম আৰু নিম্ন আয়ৰ শ্ৰেণীৰ লোকসকল। তেওঁৰ মতে ইণ্টাৰনেটৰ এই ধাৰাবাহিক অস্থিৰতাই এই বৃহৎ জনসংখ্যাৰ নিয়োগৰ ক্ষেত্ৰত প্ৰত্যক্ষ ভাবুকি কঢ়িয়াই আনিছে। ইয়াৰ ফলত গোটেই দেশখনত গভীৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰভাৱ পৰাৰ আশংকাও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। প্ৰসংগত উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ আক্ৰমণ আৰম্ভ হোৱাৰ পিছত আৰু সংঘাত ক্ৰমান্বয়ে বৃদ্ধি পোৱাৰ লগে লগেই ইছলামিক প্ৰজাতন্ত্ৰৰ কৰ্তৃপক্ষই সাধাৰণ ৰাইজৰ বাবে বিশ্বব্যাপী ইণ্টাৰনেট ব্যৱহাৰৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰে। সেই নিষেধাজ্ঞা আজিও সম্পূৰ্ণৰূপে বলবৎ আছে। বৰ্তমান কেৱল এমুঠি ব্যৱহাৰকাৰীয়েহে বিশেষ সুবিধাৰ ভিত্তিত মুকলি সংযোগ লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে ক্ৰমান্বয়ে বৃদ্ধি পোৱা বিত্তীয় ক্ষতিৰ প্ৰসংগত অৰ্থনৈতিক বিশেষজ্ঞসকলেও গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। যোৱা সপ্তাহত ইৰাণ চেম্বাৰ অৱ কমাৰ্চৰ নলেজ-বেছড কমিশ্যনৰ মুৰব্বীগৰাকীয়ে প্ৰকাশ কৰা মতে, এই ইণ্টাৰনেট বন্ধৰ ফলত দেশখনে প্ৰতিদিনে প্ৰায় ৩০ৰ পৰা ৪০ মিলিয়ন ডলাৰ প্ৰত্যক্ষ লোকচানৰ সন্মুখীন হৈছে। আনহাতে পৰোক্ষ প্ৰভাৱসমূহকো সাঙুৰিলে এই লোকচানৰ পৰিমাণ দৈনিক ৭০ৰ পৰা ৮০ মিলিয়ন ডলাৰলৈকে বৃদ্ধি পায় বুলি অনুমান কৰা হৈছে। গুৰুতৰ পৰিস্থিতিটো আৰু বেছি একাত্ম হৈ পৰিছে যোৱা কেইসপ্তাহমানৰ পৰা ইণ্টাৰনেটৰ জৰিয়তে পৰিচালিত ব্যৱসায় আৰু সেৱা প্ৰদানকাৰী কোম্পানীসমূহত বহু কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ খবৰ পোহৰলৈ অহাৰ ফলত। এই পৰিস্থিতিয়ে ইৰানৰ অৰ্থনীতি আৰু নিয়োগ বজাৰত পৰিবলগীয়া দীৰ্ঘম্যাদী প্ৰভাৱক লৈ সাধাৰণ ৰাইজৰ লগতে ব্যৱসায়ীসকলৰ মনত অধিক ভয় আৰু শংকাৰ সৃষ্টি কৰিছে। পৰ্যবেক্ষকসকলৰ মতে ইৰান চৰকাৰে সোনকালে এই নিষেধাজ্ঞা প্ৰত্যাহাৰ নকৰিলে অৰ্থনৈতিক সংকটৰ লগতে ব্যাপক সামাজিক অস্থিৰতাই দেখা দিয়া অমূলক নহয়।

## 'মই নেপোলিয়ন নহয়, মই

উত্তেজনাপূৰ্ণ আৰু বিস্ফোৰক পোষ্ট দি ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। তেওঁ চিপৰাং ৰাজনীতিৰ বলি হোৱাৰ অভিযোগ উত্থাপন কৰি কেইবাটাও পোষ্টযোগে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। শনিবাৰে আৰম্ভ কৰি দেওবাৰেও তেওঁ এই পোষ্টৰ শৃংখলা অব্যাহত ৰাখে আৰু ইতিমধ্যে তৃতীয় খণ্ডলৈকে অপেক্ষা কৰিবলৈ কয়। শনিবাৰে প্ৰথম পোষ্টত ৰণজিৎ কুমাৰ দাসে কয় যে তেওঁ কেৱল কমিউনিষ্টৰ বিৰুদ্ধেই যুঁজ দিয়া নাই, বৰঞ্চ দলৰ ভিতৰতে 'আপোনৰূপী ছদ্মবেশী গাদ্দাৰ'ৰ বিপক্ষেও যুঁজ দিবলগীয়া হৈছে। তেওঁ লগতে কয় যে সন্মুখৰ শত্ৰুৰ প্ৰত্যাহ্বান অতিক্ৰম কৰাটো সহজ, কিন্তু ছদ্মবেশী গাদ্দাৰৰ কুটিল চক্ৰান্ত ওফৰাই জনসাধাৰণৰ স্বাৰ্থত কাম কৰি যোৱাটোৱেই তেওঁৰ দৃঢ় সংকল্প। দেওবাৰে দ্বিতীয় খণ্ডৰ পোষ্টত মন্ত্ৰীগৰাকীয়ে 'ৱাটাৰলু যুদ্ধ' শিৰোনামেৰে ঐতিহাসিক প্ৰসঙ্গ উল্লেখ কৰে। তেওঁ কয় যে ১৮১৫ চনত সংঘটিত হোৱা সেই যুদ্ধখন ইউৰোপৰ ইতিহাসৰ অন্যতম গুৰুত্বপূৰ্ণ যুদ্ধ। নেপোলিয়ন বোনাপাৰ্টৰ বিশাল সেনাবাহিনী ৱাটাৰলুত পৰাজিত হৈছিল। তাৰ কাৰণ আছিল — একফালে ওৱেলিংটনে সন্মুখৰ পৰা চাপ সৃষ্টি কৰিছিল আৰু আনফালে ব্লুছেৰে পিছফালৰ পৰা হেঁচা প্ৰয়োগ কৰিছিল। সেই পৰাজয়ৰ পৰাই নেপোলিয়নৰ সাম্ৰাজ্যৰ অন্ত পৰিবলৈ আৰম্ভ কৰিছিল। এই প্ৰসংগতে ৰণজিৎ কুমাৰ দাসে দাবী কৰে যে একাংশ কমিউনিষ্টে এইবাৰৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ যুঁজখনো একেই 'ৱাটাৰলু যুদ্ধ' হিচাপে নামকৰণ কৰিছিল। তেওঁলোকৰো পৰিকল্পনা আছিল একেই — সন্মুখৰ পৰা কমিউনিষ্টসকলে বাধা দিয়াৰ লগতে পিছফালৰ পৰা 'গাদ্দাৰ'সকলক লগত লৈ আক্ৰমণ চলোৱা। অৰ্থাৎ নেপোলিয়নক যিদৰে দুই দিশৰ পৰা ব্যস্ত ৰাখি হৰুওৱা হৈছিল, তেওঁৰ বিৰুদ্ধেও তেনে এক ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে কটাক্ষ কৰে। তেওঁ লগতে কয়, নেপোলিয়ন সম্ভৱতঃ দুই দিশৰ পৰা আক্ৰমণৰ বাবে প্ৰস্তুত নাছিল, যাৰ বাবেই তেওঁৰ পৰাজয় ঘটিছিল। কিন্তু ৯ এপ্ৰিল তাৰিখে যিখন 'ৱাটাৰলু যুঁজ' সংঘটিত হৈছে, সেই যুঁজত কমিউনিষ্ট আৰু গাদ্দাৰসকলক তেওঁ পৰাভূত কৰিবলৈ সক্ষম হৈছে। তেওঁ দাবী কৰে যে তেওঁলোকে এটা কথা নাজানিছিল — এই যুঁজৰ পৰিকল্পনাৰ কথা মই চোৰাংচোৱাৰ সূত্ৰে বহু আগতেই গম পাইছিলোঁ, যিটো সুবিধা নেপোলিয়ন বোনাপাৰ্টৰ নাছিল। সেয়েহে কৈছোঁ, মই নেপোলিয়ন নহয়, মই ৰণজিৎ — যুদ্ধ জয় কৰিবলৈ জানো। শেষত তেওঁ তৃতীয় খণ্ডলৈ অপেক্ষা কৰিবলৈ আহ্বান জনায়। প্ৰসংগত উল্লেখযোগ্য যে ৰণজিৎ কুমাৰ দাস পূৰ্বে সৰভোগৰ বিধায়ক আছিল আৰু যোৱা নিৰ্বাচনত পাটাছাৰকুছিৰ বিধায়ক হিচাপে জয়লাভ কৰিছিল। সমষ্টি পুনৰ্নিৰ্ধাৰণৰ পিছত এইবাৰ তেওঁ সৰভোগ-ভৱানীপুৰ সমষ্টিৰ পৰা বিজেপি প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই সমষ্টিত মুছলমানতকৈ হিন্দু ভোট বেছি বুলিও কোৱা হয়। কিন্তু ইয়াৰ পিছতো দলৰ ভিতৰৰ কেইবাজনো নেতাই তেওঁক হৰুৱাবলৈ চেষ্টা চলাইছিল বুলি তেওঁ প্ৰকাশ্যে উল্লেখ কৰাটো ৰাজনৈতিক মহলত যথেষ্ট তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। এতিয়া নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতহে প্ৰকাশ পাব কোন কোন সেই 'চিপৰাং ৰাজনীতি'ৰ স্বীকাৰ হয়।

## গণতন্ত্ৰত হিংসাৰ কোনো

প্ৰকাশিত এক পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ফাৰ্ষ্ট লেডী মেলানিয়া ট্ৰাম্প আৰু উপ-ৰাষ্ট্ৰপতি জে ডি ভ্যান্স নিৰাপদে আৰু সুস্থ অৱস্থাত থকা বুলি জানি তেওঁ অপৰিসীম সকাহ লাভ কৰিছে। মোদীয়ে লগতে উল্লেখ কৰে যে তেওঁ ৰাষ্ট্ৰপতি দম্পতী আৰু উপ-ৰাষ্ট্ৰপতিৰ নিৰাপত্তা আৰু মংগল কামনা কৰাৰ লগতে এই ঘটনাক তীব্ৰ গৰিহণা দিয়ে। তেওঁৰ মতে গণতান্ত্ৰিক ব্যৱস্থাত হিংসাৰ কোনো স্থান থাকিব নালাগে। শনিবাৰে নিশা স্থানীয় সময় অনুসৰি হোৱাইট হাউছৰ ভিতৰতে অনুষ্ঠিত এই নৈশভোজ অনুষ্ঠানৰ পৰা প্ৰায়ে গুলীচালনাৰ শব্দ শুনা পোৱা গৈছিল। ঘটনাটো ঘটাৰ লগে লগে উপস্থিত বহু গণ্যমান্য ব্যক্তি, সাংবাদিক, চেলিব্ৰিটি আৰু ৰাজনৈতিক নেতাৰ মাজত তীব্ৰ আতংক বিয়পি পৰে। নিৰাপত্তাৰ দায়িত্বত থকা ছিক্ৰেট ছাৰ্ভিচৰ এজেণ্টসকলে তৎকালীনভাৱে ভোজগৃহত উপস্থিত হৈ সকলোকে টেবুলৰ তলত আশ্ৰয় ল'বলৈ বা তললি হৈ বহি থাকিবলৈ নিৰ্দেশ দিয়ে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় নিৰাপত্তা বাহিনীৰ সৈন্যসকলকো থিয় দিয়া হয় আৰু কিছু সময়ৰ পিছতে সমষ্টলী খালী কৰিবলৈ কোৱা হয়। ঘটনাৰ পিছতে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নিজৰ সামাজিক মাধ্যম ট্ৰুথত এক পোষ্ট প্ৰকাশ কৰি সকলোকে সজাগ কৰে যে পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণত আছে। তেওঁ নিৰাপত্তা সংস্থাসমূহৰ ক্ষিপ্ৰ আৰু সাহসী পদক্ষেপৰ প্ৰশংসা কৰে আৰু নিশ্চিত কৰে যে আক্ৰমণকাৰীজনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। ট্ৰাম্পে লগতে কয় যে অনুষ্ঠানটো অব্যাহত ৰখাৰ সিদ্ধান্ত আইন প্ৰয়োগকাৰী বিষয়াসকলৰ ওপৰত নিৰ্ভৰ কৰিব যদিও তেওঁ কাৰ্যসূচী আগবঢ়াই নিয়াৰ দিহা দিছে। পিছে পৰৱৰ্তী সময়ত ভোজগৃহটো সম্পূৰ্ণৰূপে খালী কৰি দিয়া হয় আৰু পাছত পুনৰ কাকো প্ৰৱেশৰ অনুমতি দিয়া নহয়। আশে-পাশে থকা অঞ্চলসমূহতো নিৰাপত্তা কটকটীয়া কৰি তোলা হয়। তদন্তকাৰী সংস্থাসমূহে গ্ৰেপ্তাৰ কৰা সন্দেহভাজন ব্যক্তিজনক ৩১ বছৰীয়া কেলিফৰ্ণিয়াৰ যুৱক বুলি চিনাক্ত কৰিছে। প্ৰাৰম্ভিক তদন্তত ধাৰণা কৰা হৈছে যে তেওঁ অকলেই এই আক্ৰমণ সংঘটিত কৰিছিল। ভোজগৃহৰ পৰা মাত্ৰ কেইমিটাৰমান দূৰৈত হোটেল চৌহদৰ ভিতৰতে তেওঁক গ্ৰেপ্তাৰ কৰাৰ আগতে কেইবাজাঁই গুলী চলাইছিল। তেওঁৰ বিৰুদ্ধে আগ্নেয়াস্ত্ৰ আৰু আক্ৰমণৰ সৈতে জড়িত একাধিক অভিযোগ উত্থাপন কৰা হৈছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে এক সংবাদমেল সম্বোধন কৰি আক্ৰমণকাৰীজনক 'ৰুগীয়া ব্যক্তি' বুলি অভিহিত কৰে আৰু কয় যে ফেডাৰেল কৰ্তৃপক্ষই তেওঁৰ কেলিফৰ্ণিয়াৰ ঘৰত তালাচী চলাই তেওঁৰ অতীতৰ অভিলেখ পৰীক্ষা কৰি আছে। সম্প্ৰতি এতিয়াও এই আক্ৰমণৰ সঠিক উদ্দেশ্য সন্দৰ্ভত কোনো আনুষ্ঠানিক তথ্য প্ৰকাশ কৰা হোৱা নাই। এই গোটেই পৰিঘটনাৰ পিছতেই প্ৰধানমন্ত্ৰী মোদীৰ এই শান্তি আৰু সংহতিপূৰ্ণ বাৰ্তাই বিশ্বব্যাপী শাসকমণ্ডলীৰ মাজত গুৰুত্ব লাভ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰাপত্তাৰ প্ৰতি ভাৰতৰ সজাগ দৃষ্টিভংগী আৰু গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি থকা অটল বিশ্বাস প্ৰধানমন্ত্ৰীৰ এই পোষ্টৰ মাজেৰে স্পষ্ট হৈ পৰিছে।

## অসমত প্ৰবল বৃষ্টিৰ লগতে

বিজ্ঞান কেন্দ্ৰৰ পূৰ্বানুমান অনুসৰি অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্য যেনে মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ বহু ঠাইত পাতলীয়াৰ পৰা মধ্যমীয়া বৰষুণ হ'ব। মিজোৰামৰ কেইবাখনো জিলাত পাতলীয়া বৰষুণ আৰু তাপমাত্ৰাৰ কিছু সালসলনি হোৱাৰ সম্ভাৱনাও ব্যক্ত কৰা হৈছে। লগতে এইবোৰ ৰাজ্যত বজ্ৰপাত আৰু ধুমুহা অহাৰ আশংকা কৰা হৈছে। ৰাজধানী গুৱাহাটী মহানগৰী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত বতৰ ডাৱৰীয়া হৈ থাকিব আৰু ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৯ ডিগ্ৰী চেলচিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী চেলচিয়াছ হ'ব বুলি অনুমান কৰা হৈছে। ৰাজ্যৰ অন্যান্য বিভিন্ন জিলাৰ তাপমাত্ৰাৰ তথ্য অনুসৰি ডিব্ৰুগড়ত সৰ্বোচ্চ ২৬.৬ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৯.৪ ডিগ্ৰী, তেজপুৰত সৰ্বোচ্চ ২৭.৬ ডিগ্ৰী আৰু সৰ্বনিম্ন ২০.০ ডিগ্ৰী, শিলচৰত সৰ্বোচ্চ ২৮.৮ ডিগ্ৰী আৰু সৰ্বনিম্ন ২০.৪ ডিগ্ৰী, যোৰহাটত সৰ্বোচ্চ ২৬.০ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৮.৩ ডিগ্ৰী, আৰু লখিমপুৰত সৰ্বোচ্চ ২৮.৪ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৮.৮ ডিগ্ৰী চেলচিয়াছ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান কেন্দ্ৰই এই প্ৰতিকূল বতৰৰ প্ৰতি সজাগ থাকিবলৈ জনসাধাৰণলৈ আহ্বান জনাইছে। লগতে গাজনি-ঢেৰেকণিৰ লগত ধুমুহা আৰু বজ্ৰপাতৰ সময়ত নিৰাপদ স্থানত আশ্ৰয় ল'বলৈও পৰামৰ্শ আগবঢ়োৱা হৈছে। উল্লেখ্য যে শেহতীয়া সময়ত ৰাজ্যখনত হোৱা বৰষুণে কৃষি আৰু দৈনন্দিন জীৱনত কিছু প্ৰভাৱ পেলাইছে যদিও এতিয়ালৈকে গুৰুতৰ ক্ষতিৰ কোনো খবৰ পোৱা হোৱা নাই। বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী পূৰ্বানুমান সময়মতে প্ৰকাশ কৰিব বুলি জনাইছে।

## খোৱাঙৰ পৰা নিৰ্যাতন বিৰোধী

আলফা বিচৰাৰ নামত আৰক্ষী আৰু সেনাবাহিনীয়ে বহুজনক পংগু কৰিলে, বহু নাৰীক ধৰ্ষণ কৰিলে। কিন্তু চৰকাৰ হক বা আলোচনা পন্থী আলফাই হক, সিহঁতে অলপো গুৰুত্ব নিদিলে নিৰ্যাতনৰ বলি হোৱা লোকসকলক। এই অভিযোগ উত্থাপন কৰিছে নিৰ্যাতিত পৰিয়ালসমূহে। দেওবাৰে মৰাণৰ খোৱাঙত নিৰ্যাতন বিৰোধী ঐক্য মঞ্চ অসমৰ অষ্টাদশ প্ৰতিষ্ঠা দিৱস উপলক্ষে এক মুকলি সভাৰ আয়োজন কৰা হয়। পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ মাজেৰে কাৰ্যসূচী আৰম্ভ হয়। এই সভাতে আলফা-চৰকাৰৰ সংঘাতত নিৰ্যাতিত হোৱা লোকসকলৰ হৈ উপস্থিত বক্তাসকলে আলোচনা পন্থী আলফাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। নিৰ্যাতন বিৰোধী ঐক্যমঞ্চ অসমৰ ৰাজ্যিক সাধাৰণ সম্পাদক লক্ষ্মীনাথ ফুকনে কয়, "আজিৰ দিনটো আমাৰ বাবে গৌৰৱৰ দিন কিয়নো আমাৰ সংগঠনটোৱে ১৮ বছৰ অতিক্ৰম কৰিলে। আমি নিপীড়িত, চৰকাৰ আৰু বিদ্ৰোহীৰ দ্বাৰা নিৰ্যাতিত মানুহখিনিৰ সংগ্ৰামখন আগবঢ়াই নিবলৈ চেষ্টা চলাই আহিছো। বিশেষকৈ আলফা-চৰকাৰৰ সংঘাতত নিৰ্যাতিতসকলক অগ্ৰাধিকাৰ দিয়াই আমাৰ সংগ্ৰামৰ মূল লক্ষ্য।" সভাত অংশগ্ৰহণ কৰা বক্তাসকলে অনুপ চেতিয়াকে ধৰি একাংশ আলোচনা পন্থী আলফা নেতাৰ বিৰুদ্ধে সৰৱ হৈ পৰে। তেওঁলোকৰ অভিযোগ, আলোচনা পন্থী আলফাই কেৱল নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰিলে, নিৰ্যাতনৰ বলি হোৱা লোকসকলৰ প্ৰতি তেওঁলোকৰ কোনো সহানুভূতি নাই। যুগ যুগ ধৰি আলফাৰ নামত নিৰ্যাতিতসকল উপেক্ষিত হৈ থাকিলেও যেতিয়ালৈকে চৰকাৰৰ দৃষ্টি তেওঁলোকৰ পিনে নপৰে, তেতিয়ালৈকে নিৰ্যাতন বিৰোধী ঐক্য মঞ্চ, অসমে সংগ্ৰাম চলাই নিয়াৰ হুংকাৰ দিয়ে। উল্লেখযোগ্য যে আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই বৰ্তমানো নিজৰ স্থিতিত অটল থকাৰ মাজতে একাংশ মূল সুঁতিলৈ ঘূৰি অহা আলফা নেতাক লৈ চৰকাৰে আলফা শান্তি চুক্তি স্বাক্ষৰ কৰিছিল। এই চুক্তি অনুসৰি কেন্দ্ৰীয় চৰকাৰে পাঁচ হাজাৰ কোটি টকাৰ বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰে। কিন্তু এই বহু চৰ্চিত আলফা শান্তি চুক্তিৰ পৰা আজিও উপেক্ষিত হৈ ৰৈছে আলফা স্বাধীনৰ নামত নিৰ্যাতনৰ সন্মুখীন হোৱা হাজাৰ হাজাৰ ভুক্তভোগী। লক্ষ্মীনাথ ফুকনে স্পষ্টকৈ কয়, "আমাৰ দাবী, আলফা-চৰকাৰ শান্তি চুক্তিৰ ফলত চৰকাৰে যি পাঁচ হাজাৰ কোটি টকা বিশেষ অৰ্থনৈতিক পেকেজ আগবঢ়াইছিল, সেই ধন আলোচনা পন্থী আলফা নেতাসকলে নিজৰ পকেটত ভৰালে। আলফাৰ নামত নিৰ্যাতনৰ বলি হোৱা সাধাৰণ লোকক তেওঁলোকে উপেক্ষিত কৰি ৰাখিলে। আলফা সংগ্ৰামৰ বাবে শ্বহীদ হোৱা, ধৰ্ষিতা হোৱা আৰু নিৰ্যাতিত হোৱাসকলক এটকাও অনুদান প্ৰদান কৰা নহ'ল শীৰ্ষ আলোচনা পন্থী আলফা নেতাসকলে।" ফুকনে লগতে প্ৰশ্ন উত্থাপন কৰি কয়, "শ্বহীদ পৰিয়াল, ধৰ্ষিতা হোৱা মহিলা আৰু নিৰ্যাতনৰ বলি হৈ পংগুত্ব জীৱন কটাবলগীয়া হোৱাসকলে যদি চৰকাৰে প্ৰদান কৰা পাঁচ হাজাৰ কোটি টকাৰ পৰা আৰ্থিক সাহায্য লাভ নকৰে, তেন্তে কোনে এই ধন লাভ কৰিছে? সমগ্ৰ অসমতে আলফাৰ বাবে নিৰ্যাতিত হোৱা বিশ হাজাৰৰো অধিক লোক আছে। তেওঁলোকৰ জীৱনৰ নিৰাপত্তাৰ বাবে চৰকাৰৰ লগতে আলোচনা পন্থী আলফা নেতাসকলক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱা হৈছে যদিও আজিও তেওঁলোক উপেক্ষিত হৈ ৰৈছে।" সভাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা নিৰ্যাতনৰ সন্মুখীন হোৱা বহু ভুক্তভোগীয়ে অংশগ্ৰহণ কৰি নিজৰ বেদনাৰ কথা সদৰি কৰে। বক্তাসকলে কয় যে আলফা বিচৰাৰ নামত সেনা-আৰক্ষীয়ে যিসকল সাধাৰণ লোকক নিৰ্যাতন কৰিছিল, সেই লোকসকলক ন্যায় নিদিয়ালৈকে তেওঁলোকৰ সংগ্ৰাম চলি থাকিব।

## হাফলং সমষ্টিত বিজেপিৰ জয় সুনিশ্চিত; দেৱলাল গাৰ্লোচাৰ

সংৰক্ষিত হাফলং সমষ্টিত বিজেপিৰ জয় নিশ্চিত। এই সমষ্টিত বিজেপিয়ে অন্ততঃ ৭৫ হাজাৰৰ পৰা আটাইতকৈ বেছি ৮৫ হাজাৰ ভোট লাভ কৰিব বুলি তেওঁ পূৰ্বানুমান কৰে। উমৰাংছুস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত এক সংবাদমেলৰ আয়োজন কৰি দেৱলাল গাৰ্লোচাই সাংবাদিকসকলৰ আগত এই তথ্য সদৰি কৰে। তেওঁ লগতে কয় যে বিজেপিৰ পৃষ্ঠা প্ৰমুখ, বিএলচি, মণ্ডল আৰু পৰিষদৰ কাৰ্যনিৰ্বাহ সদস্যসকলৰ পৰা প্ৰাপ্ত প্ৰতিবেদনৰ ভিত্তিত এই হিচাপ কৰা হৈছে। গাৰ্লোচাই কংগ্ৰেছ আৰু এনপিপিৰ ভোট লাভ সম্পৰ্কেও ভৱিষ্যদ্বাণী কৰে। তেওঁৰ মতে কংগ্ৰেছে ৩০ৰ পৰা ৩৫ হাজাৰ আৰু এনপিপিয়ে ১৫ৰ পৰা ২০ হাজাৰ ভোট লাভ কৰিব। তেওঁ স্পষ্ট কৰি কয়, "এই সমষ্টিত কংগ্ৰেছ দ্বিতীয় স্থানত থাকিব। কাৰণ কংগ্ৰেছ দলৰ এটা নিৰ্দিষ্ট ভোটবেংক আছে আৰু তেওঁলোকে সম্পূৰ্ণ অকামিলা নহয় — কিছু পৰিমাণে উন্নয়নৰ কাম কৰিছে। কিন্তু কংগ্ৰেছৰ শাসনকালত যিমান উন্নয়ন হোৱা উচিত আছিল, সিমান হোৱা নাই।" বিজেপিৰ প্ৰাৰ্থী ৰূপালী লাংথাচা সম্পৰ্কে তেওঁ কয় যে তেওঁ বিধায়ক হিচাপে নিৰ্বাচিত হ'লে ডিমা হাছাও জিলাৰ উদ্যোগ নগৰী উমৰাংছুৰ বিকাশৰ বাবে কাম কৰি যাব। এই প্ৰসঙ্গত গাৰ্লোচাই কেইবাটাও উন্নয়নমূলক প্ৰতিশ্ৰুতিৰ উল্লেখ কৰে। তেওঁ কয় যে উমৰাংছুত বিমানবন্দৰ স্থাপন কৰা হ'ব, পৰ্যটনৰ ক্ষেত্ৰখন অধিক আগুৱাই নিয়া হ'ব, নিবনুৱা সমস্যাৰ সমাধানৰ বাবে পদক্ষেপ লোৱা হ'ব আৰু উমৰাংছুত চিমেণ্ট উদ্যোগ স্থাপন কৰা হ'ব। হাফলং সমষ্টিৰ অন্তৰ্গত পৰিষদৰ ২৮টা সমষ্টিৰ এক-দুটা সমষ্টিহে কিছু যুঁজাৰু হ'ব পাৰে বুলি গাৰ্লোচাই মন্তব্য কৰে। বাকী সমষ্টিত কংগ্ৰেছ-এনপিপিৰ লগত বিজেপিৰ কোনো প্ৰতিদ্বন্দ্বিতা নাথাকিব বুলি তেওঁ দাবী কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে হাফলঙত নিৰ্বাচনকেন্দ্ৰিক হিংসাৰ ঘটনা সংঘটিত হৈছিল আৰু বিজেপিৰ বিৰুদ্ধে এনপিপিৰ প্ৰাৰ্থী ডেনিয়েল লাংথাছাই এজাহাৰ দাখিল কৰিছিল। এনে পৰিস্থিতিত দেৱলাল গাৰ্লোচাৰ এই ভোটৰ হিচাপ আৰু জয়ৰ দাবীয়ে ৰাজনৈতিক মহলত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছে।

## মঠঘৰীয়াত শোকাৱহ দুৰ্ঘটনাত তিনি যুৱতীৰ কৰুণ

চালকজনে পলায়ন কৰে। স্থানীয় লোকসকলে খবৰ দিয়াৰ পাছত ঘটনাস্থলীত উপস্থিত হয় উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰা আৰু আৰক্ষীৰ দল। তেওঁলোকে পৰিস্থিতিৰ বুজ লয় আৰু নিহতসকলৰ মৃতদেহ উদ্ধাৰ কৰি জিএমচিএইচিৰ মৰ্গত ৰাখে। নিহত তিনিগৰাকী যুৱতীৰ ভিতৰত দুগৰাকীৰ পৰিচয় উদ্ধাৰ হৈছে। তেওঁলোক হৈছে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পূজা সাহা আৰু চৰাইদেউ জিলাৰ আকাংক্ষা শইকীয়া। আকাংক্ষা শইকীয়া ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ এগৰাকী কৰ্মচাৰী বুলি জানিব পৰা গৈছে। তৃতীয়গৰাকী যুৱতীৰ পৰিচয় এতিয়াও উদ্ধাৰ হোৱা নাই। সহকৰ্মী আৰু স্থানীয় লোকৰ মতে, তিনিওগৰাকী যুৱতী লখৰা অঞ্চলৰ পৰা কমেডী শ্ব' চাবলৈ ওলাই আহিছিল আৰু ঘূৰি যোৱাৰ পথত এই মৰ্মান্তিক দুৰ্ঘটনা সংঘটিত হয়। আকাংক্ষা শইকীয়াৰ এগৰাকী সহকৰ্মী আৰু ঘৰসংখ্যাই কান্দি কান্দি সাংবাদিকক কয়, "বা আমাৰ সৈতে একেটা ঘৰতে ভাড়াত আছিল। কালি ডিউটিৰ আগত বাৰ লগ পাইছিলোঁ। মই অলপ দেৰিকৈ আহি পাওঁতে বা ৰুমত নাছিল। ফোন কৰাত লগৰ ছোৱালীৰ ঘৰলৈ যোৱা বুলি কৈছিল। আজি বাৰ ভায়েকে ফোন কৰি কান্দি কান্দি ক'লে যে বা দুৰ্ঘটনাত মৃত্যু হৈছে।" মহানগৰ আৰক্ষীৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই সংবাদ মাধ্যমৰ আগত কয়, "পুৱা প্ৰায় ৩.৪০ বজাত আমি দুৰ্ঘটনাৰ খবৰ পাওঁ। ঘটনাস্থলীত উপস্থিত হৈ বাহনখন দেখি অনুমান কৰা গৈছে যে অতি তীব্ৰ বেগত গাড়ীখন চলাইছিল। পিছফালৰ পৰা ৰৈ থকা ট্ৰাকত খুন্দা মাৰে। দুগৰাকী যুৱতী থিতাতে মৃত্যু হয়, আনগৰাকী হাস্পতালত মৃত্যুক সাৱটি লয়। চালকজন পলায়ন কৰিছে। গাড়ীৰ মালিক ধেমাজি অঞ্চলৰ বুলি জানিব পাৰি। তেওঁ গাড়ীখন এটা ট্ৰেভেল এজেঞ্চীত ভাড়াত দিছিল। ঘটনাৰ তদন্ত আৰম্ভ কৰা হৈছে আৰু চালকক আটক কৰাৰ প্ৰয়াস চলি আছে।" এই মৰ্মান্তিক পথ দুৰ্ঘটনাই গুৱাহাটী মহানগৰীত শোকৰ ছাঁ পেলাইছে।

# কামৰূপ জিলাৰ চলিত মাহৰ জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** কামৰূপ জিলাৰ এপ্ৰিল মাহৰ জিলা পথ সুৰক্ষা সমিতিৰ সভাখন আজি আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কামৰূপ জিলাত পথ দুৰ্ঘটনাৰ ধাৰা, ব্লেক স্পটসমূহৰ নিৰ্মূল, বলৱৎকৰণমূলক ব্যৱস্থা, আৰক্ষী, লোক নিৰ্মাণ বিভাগ, পৰিবহণ, স্বাস্থ্য আৰু ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকাৰণ আদি বিভাগসমূহৰ মাজত সমন্বয়ৰ আদি পৰ্যালোচনা কৰে। আয়ুক্ত গৰাকীয়ে অসম্পূৰ্ণ বিষয়সমূহত সময়সীমা নিৰ্ধাৰণ কৰি দ্ৰুত ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু পথ সুৰক্ষা ব্যৱস্থাৰ ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে বিভাগসমূহৰ মাজত অধিক সমন্বয়ৰ প্ৰয়োজনীয়তাৰ উল্লেখ কৰে। বৈঠকত জিলাখনত গধুৰ ট্ৰাক চলাচল সম্পৰ্কত পৰ্যালোচনা কৰে আৰু এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহক কঠোৰ বলৱৎকৰণ, যানবাহনৰ নিয়ন্ত্ৰণ আৰু প্ৰয়োজনীয় বিধি-নিয়ম কঠোৰভাৱে পালন নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বহুমুখী কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰি জিলা আয়ুক্ত গৰাকীয়ে অধিক বলৱৎকৰণ অভিযান চলোৱা, উন্নত পথ প্ৰকৌশল ব্যৱস্থা গ্ৰহণ, স্পষ্ট আৰু পৰ্যাপ্ত পথ চিহ্ন স্থাপন আৰু সচেতনতা অভিযান জোৰদাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, বিশেষকৈ দুৰ্ঘটনা প্ৰবল অঞ্চলসমূহত। ইয়াৰ উপৰিও যোৱা মাহৰ জিলা পথ সুৰক্ষা সমিতিৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ ৰূপায়ণৰ বিষয়ে পৰ্যালোচনা কৰা হয় আৰু অসম্পূৰ্ণ কামসমূহ সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলক তৎকালীনভাৱে কাৰ্যবিবৰণী (ATR) দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত কামৰূপৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুবাশীষ বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত আদিত্য গগৈ, অতিৰিক্ত আৰক্ষী অধীক্ষক পুনম পেগু, জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰী তথা সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকল উপস্থিত থাকে। একেদিনাই সংহত জিলা আয়ুক্ত কাৰ্যালয়ত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত জিলা পৰ্যায়ৰ নাৰ্কো ক'ৰ্ডিনেশ্যন চেণ্টাৰ কমিটিৰ বৈঠকখনো অনুষ্ঠিত হয়। বৈঠকত জিলাখনত অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচীৰ নিয়ন্ত্ৰণ, নিচাযুক্ত সামগ্ৰী প্ৰচলন ৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়।

# ঢেকীয়াজুলিত চাঞ্চল্য; ১৩ দিন ধৰি সন্ধানহীন দুই সন্তানৰ মাতৃ, স্বামীৰ কাতৰ আহ্বান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৫ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ পিৰাকটা গাঁৱৰ এগৰাকী মহিলাৰ নিৰুদ্দেশ হৈ থকা ঘটনাই সমগ্ৰ অঞ্চলজুৰি গভীৰ উদ্বেগ আৰু চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিগত ১৩ দিন ধৰি কোনো ধৰণৰ সন্ধান নোপোৱা এই ঘটনাত এতিয়া মানসিকভাৱে ভাঙি পৰা পৰিয়ালটো সংবাদ মাধ্যমৰ জৰিয়তে সহায়ৰ আহ্বান জনাবলৈ বাধ্য হৈছে। প্ৰাপ্ত তথ্য অনুসৰি পিৰাকটা গাঁৱৰ বাসিন্দা সুজিৎ সেনৰ পত্নী তথা দুই সন্তানৰ মাতৃ ৩২ বছৰীয়া ধনদা ৰাজবংশী সেনে যোৱা ১১ এপ্ৰিল ২০২৬ তাৰিখে গুৱাহাটীৰ পৰা বাছযোগে নিজ গৃহলৈ উভতি আহিবলৈ যাত্ৰা আৰম্ভ কৰিছিল। কিন্তু সেই যাত্ৰাৰ পিছতেই আচম্বিতে সন্ধানহীন হৈ পৰে মহিলাগৰাকী, যাৰ ফলত পৰিয়ালটোত শোক আৰু উৎকণ্ঠাই স্থান লাভ কৰিছে। এই সময়ছোৱাত স্বামী সুজিৎ সেনে আত্মীয়-স্বজন আৰু সম্ভাব্য সকলো ঠাইতে সন্ধান চলাইছে যদিও এতিয়ালৈকে কোনো সফলতা লাভ কৰা নাই। দিনক দিনে আশাহত হৈ পৰা পৰিয়ালটোৱে এতিয়া আৰক্ষীৰ লগতে সাধাৰণ ৰাইজৰ সহায় কামনা কৰিছে। স্বামীৰ কণ্ঠত বেদনা আৰু আশাৰ সংমিশ্ৰণ স্পষ্ট — তেওঁ কয়, "যদি কোনো সদাশয় ব্যক্তিয়ে মোৰ পত্নীৰ কোনো সন্ধান পায় অনুগ্ৰহ কৰি ঢেকীয়াজুলি আৰক্ষী থানাত বা আমাৰ সৈতে তৎক্ষণাত যোগাযোগ কৰক।" এই ঘটনাই স্থানীয় ৰাইজকো চিন্তিত কৰি তুলিছে। বহুতে সামাজিক মাধ্যমৰ জৰিয়তে মহিলাগৰাকীৰ সন্ধান বিচাৰি জনসচেতনতা সৃষ্টি কৰাৰ আহ্বান জনাইছে। এতিয়া সকলোৱে একমাত্ৰ কামনা — ধনদা ৰাজবংশী সেন শীঘ্ৰেই সুৰক্ষিতভাৱে নিজৰ ঘৰলৈ উভতি আহক।

# ভেৰগাঁও-টংলাত ৰাভা জাতীয় শ্বহীদ দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ এপ্ৰিল ঃ** ২২ সংখ্যক ৰাভা জাতীয় শ্বহীদ দিৱস উপলক্ষে আজি সন্ধিয়া ভেৰগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নৃপেন খান্দাই মুখ্য প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰি বন্তি প্ৰজ্বলন কৰে। ভেৰগাঁও আঞ্চলিক ন-পুৰণি ৰাভা জাতীয় কৰ্মী, ভেৰগাঁৱৰ বুদ্ধিজীৱী আৰু ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ বিষডবয়বীয়াসকলে ৰাভা জনগোষ্ঠীৰ উত্তৰণ, আত্ম নিয়ন্ত্ৰণ, ৰাভা জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত আত্মবলিদান দিয়া ৰাভা জাতীয় জীৱনৰ ২৪ গৰাকী মহান শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই বন্তি প্ৰজ্বলন কৰি স্মৰণ কৰে। ভেৰগাঁওস্থিত বিষ্ণু ৰাভা ভৱনৰ চৌহদত ২৪ গৰাকী ৰাভা জনগোষ্ঠীৰ শ্বহীদৰ মহান ত্যাগ, অসীম সাহসক সন্মান জনাই তেওঁলোকৰ পবিত্ৰ স্মৃতিত ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মুছাহাৰী উপস্থিত থাকি গছপুলি ৰোপণ কৰে। ভেৰগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ লগতে ভেৰগাঁও আঞ্চলিক বড়ো ছাত্ৰ সন্থা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ভেৰগাঁও আঞ্চলিক সমিতি, ভেৰগাঁও উন্নয়ন সমিতিৰ সভাপতি, সম্পদক আৰু ভেৰগাঁও অঞ্চলৰ সচেতন ৰাইজে গছপুলি ৰোপণ কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাই যো টংলাস্থিত নিজা কাৰ্যালয়ত ২৪ গৰাকী মহান শ্বহীদৰ পবিত্ৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰি স্মৰণ কৰে। আনহাতে পুৱাৰ ভাগত নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ বিষয়ববীয়াসকলে টংলা টোকানকটাস্থিত নিজা কাৰ্যালয়ত সমবেত হৈ ২৪ গৰাকী মহান শ্বহীদৰ অসীম ত্যাগ, জাতি প্ৰেমক সশ্ৰদ্ধ স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে।

### ১৭খনকৈ চিলিং ফেন চোৰৰ কবলত

# দুধনৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাথমিক শাখাত চুৰিকাণ্ড

**অসমবাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৫ এপ্ৰিল ঃ** দুধনৈ চহৰৰ মাজমজিয়াতে থকা দুধনৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাথমিক শাখাত এক চুৰিকাণ্ড সংঘটিত হয়। জানিব পৰা মতে, চোৰে বিদ্যালয়খনৰ শ্ৰেণীকোঠাৰ পৰা ১৭খনকৈ চিলিং ফেন খুলি লৈ যায়। আজি পুৱা বিদ্যালয় খোলাৰ সময়তহে শিক্ষক তথা কৰ্মচাৰীসকলে এই ঘটনাৰ বিষয়ে গম পায়। বিশেষ মন কৰিবলগীয়া যে, প্ৰতিবছৰে গৰমৰ দিন অহাৰ লগে লগে এইদৰে বিদ্যালয়খনৰ পৰা ফেন চুৰি হোৱাটো এটা নিয়মীয়া ঘটনাত পৰিণত হৈছে। এইবাৰো ইমান বৃহৎ সংখ্যক ফেন চুৰি হোৱা ঘটনাই সচেতন ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে বিদ্যালয়খনৰ প্ৰধান শিক্ষক সুব্ৰত দাস আৰু প্ৰাথমিক শাখাৰ দায়িত্বত থকা শিক্ষক প্ৰণব দাসে এই সন্দৰ্ভত দুধনৈ আৰক্ষী থানাত ঘটনাৰ বিষয়ে অৱগত কৰিছে। অভিযোগ লাভ কৰাৰ পিছতেই আৰক্ষীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, বৰ্তমান ৰাজ্যত প্ৰখৰ গৰম অব্যাহত থকাৰ সময়তে ১৭খনকৈ ফেন চুৰি হোৱা কাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক বিপাঙত পেলাইছে। বিশেষকৈ প্ৰথমমান শ্ৰেণীৰ পৰা পঞ্চমমান শ্ৰেণীৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত অসহ্য গৰমৰ ফলত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হব। দুধনৈ আৰক্ষীয়ে এই চুৰিকাণ্ডৰ সৈতে জড়িত থকা দুষ্কৃতিকাৰীক অতি সোনকালে কৰায়ত্ত কৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

**তালিবানি নিৰ্যাতন ৰাকেশ দাস নামৰ এজন যুৱকক**

# দেৰগাঁৱত মৰেল পুলিচিঙৰ ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ২৫ এপ্ৰিল ঃ** ৰাজ্যত শেহতীয়াকৈ বৃদ্ধি পাইছে মৰেল পুলিচিঙৰ ঘটনা। এইবাৰ ঘটনাৰ স্থান দেৰগাঁৱৰ ধেমাজি কৈৱৰ্ত গাঁও। কোনো এক বিষয়ৰ অচিলা লৈ আৰক্ষীৰ বেশত অহা অস্ত্ৰধাৰী দুৰ্বৃত্তৰ দল এটাই ৰাকেশ দাস নামৰ যুৱক জনক দলবদ্ধভাৱে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হয়। ঘটনা অনুসৰি ৰাকেশ দাসে একে গাঁৱৰে লক্ষ্মীৰাম দাস নামৰ এজন লোকৰ বাৰীৰ পৰা তামোল চুৰি কৰাৰ অভিযোগ উত্থাপিত হৈছিল। সেই সন্দৰ্ভত ইতিমধ্যে দেৰগাঁও থানাত দাখিল কৰা হৈছিল এক গোচৰ। গোচৰৰ ভিত্তিত ২৪ এপ্ৰিল শুকুৰবাৰে ৰাকেশ দাস থানাত হাজিৰ হোৱাৰ কথা। কিন্তু ২২ এপ্ৰিলৰ নিশাই ৰাকেশ দাসৰ ঘৰত প্ৰৱেশ কৰিল ভুৱা আৰক্ষীৰ এটা দল। হাতত পিষ্টল লৈ নিশাই অতৰ্কিতে ৰাকেশ দাসৰ ঘৰত প্ৰৱেশ কৰি ৰাকেশক বাহিৰলৈ টানি-আজুৰি উলিয়াই আনিলে পুলিচৰ বেশধাৰী দলটোৱে। কেৱল সিমানেই নহয়, ৰাকেশ দাসৰ মূৰত বন্দুক থৈ তালিবানি অত্যাচাৰ কৰিলে ৰাকেশক। আৰক্ষীলৈ বাট নাচায় নিশা আৰক্ষীৰ ভুৱা পৰিচয়েৰে ঘৰৰ পৰা ৰাকেশক এনেদৰে উঠাই আনি শাস্তি বিহাৰ গুৰুতৰ অভিযোগ ৰাকেশ দাসৰ পৰিয়ালৰ। ৰাকেশ দাসৰ বিৰুদ্ধে দেৰগাঁও থানাত তামোল চুৰিৰ গোচৰ থকাৰ পিছত আৰক্ষী থানাত আজি (শুকুৰবাৰে) হাজিৰ হোৱাৰ কথা আছিল যদিও অভিযুক্ত ৰাকেশ দাসক পুৱতি নিশাই পুলিচৰ বেশ ধৰি হাতত পিষ্টল লৈ ঘৰৰ পৰা চোঁচোৰাই অনা ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তামোল চুৰিৰ অভিযোগ তোলা লক্ষ্মীৰাম দাসৰ বাসগৃহত ৰাকেশক ৰচীৰে বান্ধি ভয়ংকৰ শাস্তি দিয়া অভিযোগক লৈ সৰৱ হৈছে ৰাকেশৰ পৰিয়াল। ঘটনা খবৰ পাই পুৱাই দেৰগাঁও আৰক্ষীয়ে ৰাকেশ দাসক উদ্ধাৰ কৰি লৈ আহে থানালৈ। ঘটনাক লৈ ২৩ এপ্ৰিলৰ বিয়লি পৰিয়ালৰ লোকে দেৰগাঁও থানাত গোচৰ তৰিছে। পুলিচৰ দৰে পোছাক পিন্ধি হাতত পিষ্টল লৈ মৰেল পুলিচিঙৰ ঘটনা সংঘটিত কৰা অভিযুক্তৰ বিৰুদ্ধে ৰাকেশ দাসৰ পৰিয়ালে দেৰগাঁও থানাত দাখিল কৰিছে এজাহাৰ। আনহাতে ৰাকেশ দাসে অভিযোগ কৰা মতে তেওঁক আক্ৰমণ কৰা গুণ্ডা বাহিনীটোৰ নেতৃত্বত আছে লক্ষ্মীৰাম দাস নামৰ এজন লোক। ইতিমধ্যে ৰাকেশ দাসে তেওঁক তালিবাণী শাস্তি দিয়া লক্ষ্মীৰাম দাস সহ তেওঁ সংগী সকলৰ বিৰুদ্ধে দেৰগাঁও থানাত এজাহাৰ দাখিল কৰিছে।

**চালকসহ দুজন থিতাতে নিহত**

# কলিয়াবৰৰ ৰাঙলুত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, কলিয়াবৰ, ২৫ এপ্ৰিল ঃ** কলিয়াবৰৰ জখলাবন্ধা আৰক্ষী থানাৰ অন্তৰ্গত ৰাঙলুত যোৱা নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ট্ৰাক আৰু চুইফট বাহনৰ মাজত হোৱা প্ৰচণ্ড সংঘৰ্ষৰ ফলত এই ভয়াবহ দুৰ্ঘটনা সংঘটিত হয়। যোৱা নিশা প্ৰায়১০.০০ বজাত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ প্ৰচণ্ড শব্দ শুনি স্থানীয় একাংশ লোক আৰু হোটেল ধাবাৰ লোক ওলাই আহি পৰিস্থিতি দেখি তেওঁলোকৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। পিছত আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰে। দুৰ্ঘটনাটোত দুজন লোক থিতাতে নিহত হয়। আনহাতে এগৰাকী কন্যা শিশু সহ আন দুগৰাকী মহিলা গুৰুতৰ ভাৱে আহত হয়। দুৰ্ঘটনাটোত নিহত হোৱা লোক দুজন হল শিৱসাগৰ নাজিৰাৰ সুন্দৰপুৰৰ মনোজ নেওগ (৩৮) আৰু শৰৎ দত্ত (৩৭)। দুৰ্ঘটনাটোত গুৰুতৰ ভাৱে আহত হৈছে নিহত মনোজ নেওগৰ পৰিয়াল ক্ৰমে তনুশ্ৰী নেওগ, সুস্মিতা নেওগ আৰু এবছৰীয়া কণমানি শিশু কন্যা পৰি নেওগ। আৰক্ষীয়ে গুৰুতৰ ভাৱে আহত হোৱা সকলক জখলাবন্ধাস্থ কলিয়াবৰ মহকুমা অসামৰিক চিকিয়সালয়ত ভৰ্তি কৰায় যদিও উন্নত চিকিৎসাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰে। নিহত দুইজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটালৰ মৰ্গলৈ প্ৰেৰণ কৰে। নিহত শৰৎ দত্ত চুইফট বাহনখনৰ চালক আছিল বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাগ্ৰস্ত বাহনদুখনৰ নম্বৰ হ'ল এ এছ ০১ জি চি১১৪৭ নম্বৰৰ ট্ৰাক আৰু এ এছ০৩ এইচ ৫১২২ নম্বৰৰ চুইফট। মনোজ নেওগৰ পৰিয়ালটো নাজিৰাৰ সুন্দৰপুৰৰ পৰা তেজপুৰলৈ আহি থকা অৱস্থাত এই দুৰ্ঘটনা সংঘটিত হয়।

### চিন্তিত পৰিয়াল, আৰক্ষীৰ সহায় বিচাৰি এজাহাৰ দাখিল

# হাজোৰ মাজৰ চুপাৰ পৰা যুৱক নিৰুদ্দেশ

**অসম বাৰ্তা, হাজো, ২৫ এপ্ৰিল ঃ** তীৰ্থ নগৰী হাজোৰ মাজৰ চুপাৰ পৰা বিশ্বজিৎ দাস নামৰ এজন ২৫ বছৰীয়া যুৱক নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা বৃহস্পতিবাৰে দিনৰ প্ৰায় ১ বজাৰ পৰা যুৱকজন নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, বিশ্বজিতে ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা তেওঁৰ কোনো সন্ধান পোৱা হোৱা নাই। বহু সময় ধৰি তেওঁ ঘৰলৈ ঘূৰি নহাত আত্মীয়-স্বজনে বিভিন্ন ঠাইত বিচাৰ-খোচৰ কৰে যদিও বৰ্তমানলৈকে কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। যুৱকজনৰ কোনো সম্ভেদ নোপোৱাত এতিয়া পৰিয়ালটোৱে চৰম উদ্বেগ আৰু অনিশ্চয়তাৰ মাজত দিন পাৰ কৰিছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত বিশ্বজিৎ দাসৰ পৰিয়ালে হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও বৰ্তমানলৈকে কোনো সফলতা লাভ কৰা নাই। পৰিয়ালৰ তৰফৰ পৰা কোনো লোকে যদি বিশ্বজিৎ দাসৰ কিবা সন্ধান লাভ কৰে, তেন্তে নিকটৱৰ্তী আৰক্ষী থানাত অথবা ৯১০১০৫১২৯৩ নম্বৰত যোগাযোগ কৰি সহায় কৰিবলৈ বিনম্ৰতাৰে অনুৰোধ জনাইছে।

### জিলা আয়ুক্তলৈ আছুৰ স্মাৰক পত্ৰ প্ৰদান

# গৰৈমাৰী অঞ্চলত বৃদ্ধি পোৱা অসামাজিক কাৰ্যকলাপ বন্ধৰ দাবী

**অসম বাৰ্তা, গৰৈমাৰী, ২৫ এপ্ৰিল ঃ** কামৰূপ জিলাৰ গৰৈমাৰী অঞ্চলত শেহতীয়াকৈ বৃদ্ধি পোৱা অসামাজিক কাৰ্যকলাপ বন্ধৰ দাবীত আজি আছুৰ পূৱ-ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থাই জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। বিশেষকৈ গৰৈমাৰী, পুখুৰীপাৰ-শিঙিমাৰী, চাম্পুপাৰা, হাতীপাৰা, হাতীশলা, বিহাপাৰা আদি অঞ্চলত তীৰ, মদ, জুৱা, অনলাইন ক্ৰিকেট জুৱা আদিৰ প্ৰচলন বৃদ্ধি পাইছে। ইপিনে গৰৈমাৰী বজাৰৰ পূব দিশৰ লগতে চক্ৰ বিষয়া কাৰ্যালয়ৰ সমীপৰ গৰু বজাৰ, গৰৈমাৰী মাছ বজাৰৰ সমীপত অবাধে তীৰখেল চলি থকাৰ উপৰি সন্ধিয়াৰ পৰা নিশালৈ গৰৈমাৰী বজাৰৰ পূব অংশত মদাহীৰ উৎপাত বৃদ্ধি পাইছে। ইপিনে পুখুৰীপাৰ, শিঙিমাৰী, বিহাপাৰা আদি ঠাইত তীৰ, মদ, অনলাইন ক্ৰিকেট জুৱা চলি থকাত শৈক্ষিক-সামাজিক পৰিবেশ বিনষ্ট হৈছে। সেয়ে গৰৈমাৰী এলেকাত চলি থকা অসামাজিক কাৰ্যকলাপ বন্ধ কৰাৰ দাবীত পূব ছমৰীয়া আৰু গৰৈমাৰী শাখা ছাত্ৰ সন্থাৰ সভাপতি জ্ঞানদ্বীপ কলিতা, সাধাৰণ সম্পাদক ছাদ্দাম হুছেইন স্বাক্ষৰিত এখন স্মাৰকপত্ৰ আজি গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ জৰিয়তে কামৰূপ জিলা আয়ুক্তলৈ প্ৰেৰণ কৰে।

**□ সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব কৃষ্ণমণি চুতীয়াই □**

# ১ মে'ত ৰাৱনাপাৰত বিহু সন্মিলন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** মাজুলী জিলাৰ পূব মাজুলীৰ অন্তৰ্গত ৰাৱনাপাৰ উন্নয়ন সমিতিৰ উদ্যোগত আৰু আঞ্চলিক ৰাইজৰ সহযোগত অহা ১ মে'ত পিএমশ্ৰী ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৰঙালী বিহু সন্মিলন আৰু অসমীয়াৰ হিয়াৰ আমঠু প্ৰয়াত শিল্পী জুবিন গাৰ্গ সোঁৱৰণি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে। উক্ত দিনা পুৱা পৰিবেশ নিকাকৰণ, পাতাকা উত্তোলন, শিল্পী সম্বৰ্ধনাৰ পিছতেই দিনযোৰা কাৰ্যসূচীৰে চিত্ৰাংকন, সৰু বিহুৱতী আৰু জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হব। ৰাতিলৈ অসমীয়াৰ হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গ সোঁৱৰনী সাংস্কৃতিক সন্ধিয়াত স্থানীয় শিল্পীৰ উপৰিও জনপ্ৰিয় শিল্পী কৃষ্ণমণি চুতীয়াই গীত পৰিৱেশন কৰিব। উক্ত দিনাৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহযোগিতা ৰাৱনাপাৰ উন্নয়ন সমিতিৰ সভাপতি জীৱেশ্বৰ বৰা, সম্পাদক গিৰিশ চন্দ্ৰ ওজা, ৰঙালী বিহু উদ্‌যাপন সমিতিৰ হৈ দিলীপ চন্দ্ৰ মহন্ত, সভাপতি ৰঞ্জিত সেন, কাৰ্যকৰী সভাপতি শশীধৰ বৰুৱা, সম্পাদক আৰু যুটীয়া সম্পাদক দ্বীপেন সঁজাতি আৰু মাধুৰ্য শইকীয়াই কামনা কৰিছে।

**বৰপেটাৰ ৰফিক আলী শ্ৰেষ্ঠ**

# চপাইত সদৌ অসম ভিত্তিত মাৰাথন দৌৰ প্ৰতিযোগিতা

**অসম বাৰ্তা, মঙলদৈ, ২৬ এপ্ৰিল ঃ** চপাই যুৱ কল্যাণ কেন্দ্ৰৰ উদ্যোগত হোৱা ৪৫ সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি আজি অনুষ্ঠিত সদৌ অসম ল'ৰাৰ মাৰাথন দৌৰ প্ৰতিযোগিতাত বৰপেটাৰ ৰফিক আলীয়ে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। ওদালগুৰি জিলাৰ কলাইগাঁৱৰ পৰা চপাই নেহৰু ময়দানলৈ হোৱা এই প্ৰতিযোগিতা চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ সভাপতি ৰমণীমোহন শৰ্মা আৰু চপাই সাহিত্য সভাৰ সভাপতি নৱ কুমাৰ শৰ্মাৰ সহযোগত উদ্বোধন কৰে স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ দেৱব্ৰত মৰাণে। এই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ৰফিক আলীক ৰজত বৰুৱা সোঁৱৰণী বঁটা আৰু নগদ পাঁচ হাজাৰ টকা, দ্বিতীয় ধূলাৰ জামিৰুল হকে মঙলা পাটোৱাৰী সোঁৱৰণী বঁটা আৰু চাৰি হাজাৰ টকা, তৃতীয় খাৰুপেটীয়াৰ জিয়াউৰ ৰহমানে নবীন চন্দ্ৰ ডেকা আৰু ভুৱনেশ্বৰী ডেকা সোঁৱৰণী বঁটা আৰু নগদ তিনি হাজাৰ টকা, চতুৰ্থ বৰপেটাৰ চাইফুল ইছলামে বিনোদ বিহাৰী দত্ত আৰু অনু দত্ত সোঁৱৰণী বঁটা আৰু দুই হাজাৰ টকা আৰু পঞ্চম স্থানপ্ৰাপ্ত নাপ্তাপাৰাৰ ধীৰেণ শৰ্মাই যোগেশ্বৰী চহৰীয়া সোঁৱৰণী বঁটা আৰু নগদ এক হাজাৰ টকা লাভ কৰে হয়। আনহাতে ধূলাৰ চাহেল ৰহমানে ষষ্ঠ, দিপীলাৰ পৰাগ মহন্তই সপ্তম, ধূলাৰ বাবুল আলীয়ে অষ্টম, কৌপাটীৰ সঞ্জয় বড়োৱে নৱম আৰু বেজপাৰাৰ কৈলাস কলিতাই দশম স্থান লাভ কৰে।

# ২৬ এপ্ৰিলত টংলাত বোৱাৰী বিহু উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ এপ্ৰিল ঃ** টংলা আঞ্চলিক বোৱাৰী বিহু সন্মিলনে বিগত বৰ্ষবোৰৰ দৰে এইবেলিও ২৬ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে ছহিদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহৰ অস্থায়ী বিহুতলিত বিংশতম বাৰ্ষিক বোৱাৰী বিহু উদ্‌যাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উদ্‌যাপন সমিতিৰ সভানেত্ৰী ববিতা ৰামচিয়াৰী আৰু সম্পাদিকা ৰশ্মিতা শৰ্মাই জনোৱা অনুসৰি ২৬ এপ্ৰিলৰ পুৱা ৮-৩০ বজাত টংলা আঞ্চলিক বোৱাৰী বিহু সন্মিলনীৰ স্থায়ী সমিতিৰ পতাকা উত্তোলন কৰিব সভানেত্ৰী ৰঞ্জনা শৰ্মা বৰুৱাই। বোৱাৰী বিহু উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰিব সভানেত্ৰী ববিতা ৰামচিয়াৰীয়ে। ৯- বজাত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰিব নিবেদিতা ডেকা বকৰাই। ৯-৩০ বজাত আল্পনা লঙ্কৰ আৰু মনিকা ৰাভাৰ পৰিচালনাত মহিলা আৰু কণকণ ল'ৰা-ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১০-০০ বজাত মঞ্চ উদ্বোধন কৰিব টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° প্ৰভা বৰুৱাই। ১০-১৫ বজাত উদ্‌যাপন সমিতিৰ সদস্য সকলৰ দ্বাৰা বিহু নৃত্য প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ পিছতে ১০-৩০ বজাত বিহু নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া ১২-৩০ বজাত অনুষ্ঠিতব্য সম্বৰ্ধনা অনুষ্ঠানত সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° ৰীতা বড়ো, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী হিৰণময়ী দেৱী, বিশিষ্ট ধৰ্মপ্ৰাণ মহিলা সুমিত্ৰা বৰুৱাক সম্বৰ্দ্ধনা জনাব।

### অতিষ্ঠ ৰাইজে বন্ধ কৰিলে চামতা-নলবাৰী সংযোগী পথ

# নলবাৰীত গেছ চিলিণ্ডাৰৰ তীব্ৰ নাটনি

**অসম বাৰ্তা, নলবাৰী, ২৬ এপ্ৰিল ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে নলবাৰীতো নাটনি হৈছে ৰন্ধন গেছ চিলিণ্ডাৰৰ। নলবাৰী জিলাত গেছ চিলিণ্ডাৰৰ তীব্ৰ নাটনিৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি আৰু হাহাকাৰৰ সৃষ্টি হৈছে। বিগত কিছুদিন ধৰি পৰ্যাপ্ত চিলিণ্ডাৰ উপলব্ধ নোহোৱাৰ অভিযোগ উত্থাপন কৰি গ্ৰাহকসকলে আজি চামতা-নলবাৰী পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে মাজনিশা গেছ চিলিণ্ডাৰ ডেলিভাৰী দেখুওৱা হৈছিল যদিও বাস্তৱত বহু গ্ৰাহকে চিলিণ্ডাৰ লাভ কৰা নাই। এই ঘটনাক কেন্দ্ৰ কৰি ক্ষোভিত ৰাইজে "যোগান বিভাগ হাই-হাই", "ৰেড হৰ্ণ গেছ এজেঞ্চী হাই-হাই" আদি শ্ল'গানেৰে পল্লা ৰ'ড উত্তপ্ত কৰি তোলে। ঘটনাস্থলীত নলবাৰী আৰক্ষী আৰু জিলা যোগান বিভাগৰ অতিৰিক্ত আয়ুক্ত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণত আনিবলৈ সক্ষম হয়। অতিৰিক্ত আয়ুক্তগৰাকীয়ে ৰাইজক আশ্বাস দিয়ে যে গেছ চিলিণ্ডাৰৰ নাটনি আৰু অভিযোগসমূহ সম্পূৰ্ণৰূপে নিৰীক্ষণ কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, গেছ চিলিণ্ডাৰৰ নাটনিৰ ফলত গ্ৰাহকসকলে দীঘলীয়া শাৰী আৰু এজেঞ্চীৰ সন্মুখত অতি কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছে। নলবাৰীৰ মেচাৰ্চ ৰেড হৰ্ণ গেছ এজেঞ্চীৰ বিৰুদ্ধে গ্ৰাহকক হাৰাশাস্তি কৰাৰ অভিযোগো উত্থাপিত হৈছে। লগতে ক'লা বজাৰত ১৫০০ টকাৰ পৰা ২০০০ টকালৈ গেছ চিলিণ্ডাৰ বিক্ৰী হোৱাৰো অভিযোগ উঠে। এই পৰিপ্ৰেক্ষিতত, ক্ষুব্ধ গ্ৰাহকসকলে নলবাৰী জিলা আয়ুক্তৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰি বিষয়টোত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। লগতে বুকিং কৰাৰ পিছত ঘৰে-ঘৰে গেছ চিলিণ্ডাৰ যোগান নিশ্চিত কৰাৰ বাবেও যোগান বিভাগক দাবী জনোৱা হয়। ঘটনাটোৱে জিলাখনত যোগান ব্যৱস্থাৰ অব্যৱস্থাপনা আৰু সম্ভাব্য অনিয়মৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে।

**■ নাজিৰাৰ সোণ্‌দৰ পুখুৰী কোঁচ গাঁৱত শোকৰ বন্যা ■**

# পথ দুৰ্ঘটনাত একে গাঁৱৰে নিহত দুজন; আহত তিনি

**অসম বাৰ্তা, নামতি, ২৫ এপ্ৰিল ঃ** আজি নিশা ভাগত সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে নিহত হোৱা ঘটনাই নাজিৰাৰ সোণ্‌দৰ পুখুৰী কোঁচ গাঁৱত গভীৰ শোকৰ বন্যা কঢ়িয়াই আনিছে। ঘটনা মৰ্মে নাজিৰাৰ সোণ্‌দৰ পুখুৰী কোঁচ গাঁৱৰ যুৱ ব্যৱসায়ী মনোজ নেওগে পত্নী আৰু দুই কন্যাক লগত লৈ তেখেতৰ এ এছ ০৩ এইচ-৫১২২ নম্বৰৰ ছুইফট ডিজায়াৰ গাড়ীৰে নিশা ঘৰৰ পৰা তেজপুৰলৈ বুলি গৈ থাকোঁতেই কলিয়াবৰত বিপৰীতমুখী এখন পঞ্জাৱবডী ট্ৰাকে তীব্ৰ বেগত খুন্দা মৰাৰ ফলত যুৱ ব্যৱসায়ী মনোজ নেওগৰ লগতে চালক শৰৎ দত্তৰ ঘটনাস্থলীত থিতাতে নিহত হয় আৰু মনোজ নেওগৰ পত্নী সুস্মিতা নেওগ, এবছৰীয়া কন্যা পৰী নেওগ সহ আনগৰাকী কন্যা তনুশ্ৰী নেওগ গুৰুতৰ ভাৱে আহত হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দুয়োজনৰে মৃতদেহ জিম্মাত লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে কলিয়াবৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে আহত সকলক চিকিৎসালয়ত ভৰ্তি কৰে। নাজিৰাৰ সোণ্‌দৰ পুখুৰী কোঁচ গাঁৱৰ গোবিন নেওগ আৰু ৰহীলা নেওগৰ পুত্ৰ মনোজ নেওগৰ লগতে একেখন গাঁৱৰে কুমুদ দত্ত আৰু পবিত্ৰী দত্তৰ পুত্ৰ শৰৎ দত্তৰ অকাল মৃত্যুৰ খবৰে আজি সোণ্‌দৰ পুখুৰী অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। নিহত গাড়ী চালক শৰৎ দত্তই পত্নীৰ লগতে এজন পুত্ৰ সন্তানক ইহ সংসাৰত এৰি থৈ গৈছে।

# লাওখোৱা নলতলি- ৰাজ্যিক ঘাইপথত পুনৰ প্ৰকাণ্ড গাঁতৰ সৃষ্টি

**অসম বাৰ্তা, ৰূপহীহাট, ২৬ এপ্ৰিল ঃ** লাওখোৱা-নলতলি পথৰ ঔ-অনা এলেকাৰ বৃহত্তৰ অংশত পুনৰ প্ৰকাণ্ড গাতৰ সৃষ্টি হোৱাত যাতায়তত দূৰ্ভোগ ভুগিব লগা হৈছে পথচাৰীসকল। ৰাজ্যিক পথছোৱাত বছৰ বছৰ ধৰি জলাশয় সদৃশ পৰিস্থিতি বিৰাজ কৰাৰ পাছত বিগত বছৰটোতেই ৰাইজৰ প্ৰতিবাদ-দল-সংগঠনৰ তৎপৰতাৰ পাছত মেৰামতি কৰা হৈছিল। কিন্তু ৬টা মাহ সম্পূৰ্ণ নহওতে উক্ত পথছোৱাত পুনৰ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। সম্প্ৰতি উক্ত পথৰ ঔ-অনা-পলাশনিৰ মাজ ভাগত পকী উৱলি যোৱাত পথচাৰিয়ে সমস্যাৰ সন্মুখীন হৈছে। নগাঁও-নলতলি হৈ তেজপুৰ ঢেকিয়াজুলিকে ধৰি উজনি অসমলৈ যোৱা পথটিৰে নিতৌ হাজাৰ হাজাৰ বাহন চলাচল কৰে। নিশাৰ ভাগত এই ঠাইডোখৰত একাধিক দুৰ্ঘটনা সংঘটিত হৈ বহু লোক চিকিৎসাধীন হবলগীয়া হৈছে। উল্লেখ্য যে পথাৰৰ মাজেৰে যোৱা পথটিৰে তীব্ৰ বেগে চাৰি চকীয়া বাহনৰ লগতে মটৰ চাইকেলো বিজুলী গতিত চলাচল কৰে। যাৰ বাবে পথৰ মাজৰ গাঁতত পৰি যিকোনো বাহন নিশাৰ ভাগত ভয়ংকৰ দুৰ্ঘটনাত পতিত হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। পথটোৰ দুৰৱস্থালৈ চাই জিলা প্ৰশাসন আৰু গড়াকাপ্তানী বিভাগে পথটিৰ মেৰামতিৰ ব্যৱস্থা

❐ বাগিচাখনৰ ৩৫.৪৮ হেক্টৰ মাটি জাহ গ'ল নদীৰ বুকুত ❐

## ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে ডুমডুমাৰ দীঘলটৰং চাহ বাগিচালৈ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৬ এপ্ৰিল ঃ** ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত দীঘলটৰং চাহ বাগিচাত ডাঙৰী নদীৰে সোমাই অহা ব্ৰহ্মপুত্ৰৰ এটা সুঁতিয়ে ভয়াবহ খহনীয়া সৃষ্টি কৰি আহিছে। খহনীয়াত ইতিমধ্যে বাগিচাখনৰ হাজাৰ হাজাৰ চাহ গছ নদীৰ বুকুত জাহ গৈছে। এই খহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰিলে অচিৰেই দীঘলটৰং চাহ বাগিচাৰ কলঘৰ, চিকিৎসালয়, প্ৰাথমিক বিদ্যালয়, শ্ৰমিক-কৰ্মচাৰীৰ আৱাসিক কলনি আৰু বাগিচাখনৰ পৰিচালকসকলৰ বঙলাও এই খহনীয়াৰ কবলত পৰাৰ সম্ভাৱনাই দেখা দিছে। প্ৰাপ্ত তথ্য মতে এতিয়ালৈকে বাগিচাখনৰ চাহ গছৰ সৈতে ৩৫.৪৮ হেক্টৰ মাটি খহনীয়াৰ কবলত পৰি নদীৰ বুকুত জাহ গৈছে। বাগিচাখনৰ উত্তৰ দিশত শ্ৰমিকসকলৰ বাবে পকী গৃহ নিৰ্মাণ কৰি দি 'পুৰণা লাইন' নামেৰে নামকৰণ কৰা আৱাসিক এলেকাও গৰাখহনীয়াত জাহ গ'ল। বাগিচাখনৰ ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ১০, আৰু ১৫ নম্বৰ চেকচনত বৰ্তমান খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰিছে। বাগিচাখনৰ কলঘৰ আৰু চিকিৎসালয় খহনীয়া হৈ থকা স্থানৰ পৰা প্ৰায় ৩০০ মিটাৰ দূৰত্বত আছে। ফলত কলঘৰ আৰু চিকিৎসালয়খনলৈ খহনীয়াই তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। আনহাতে, খহনীয়াই সংকুচিত কৰি অনা চাহ বাগিচাখনৰ ৭, ৮, আৰু ১০ নম্বৰ চেকচনৰ মাজত ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে বিগত বৰ্ষত ৪ কোটি টকা খৰচ কৰি মাত্ৰ দুশ মিটাৰৰ এটা অংশ জিঅ'বেগৰ পাৰ বান্ধি দায়িত্ব সামৰাৰ অভিযোগ উঠিছে। শাসকীয় দলৰ আশিস ধন্য ঠিকাদাৰে পালমৰা কাম কৰি সমুদায় আবণ্টিত ধন হৰলুকি কৰাৰো অভিযোগ উত্থাপিত হৈছে। এই কামে বাগিচাখনক কোনোপধ্যেই গৰাখহনীয়াৰ পৰা সুৰক্ষা দিব নোৱাৰে বুলি শ্ৰমিকসকলে চৰকাৰ তথা জনপ্ৰতিনিধিক বাৰম্বাৰ বুজাই দিয়াৰ পাছতো কোনেও বিষয়টোক গুৰুত্ব সহকাৰে নোলোৱাৰ অভিযোগ তুলিছে বাগিচাখনৰ শ্ৰমিক - কৰ্মচাৰীসকলে। উল্লেখযোগ্য যে দীঘলটৰং চাহ বাগিচাত ১, ৩৬০ গৰাকী শ্ৰমিকৰ লগতে ৫৬জন উপ-কৰ্মচাৰী আৰু ৫৮জন কৰ্মচাৰী আছে। এই দৰে গৰাখহনীয়া অব্যাহত থাকিলে মুঠ ১, ৪৭৪জন শ্ৰমিক-কৰ্মচাৰীৰ পৰিয়াললৈ অন্ধকাৰ নামি আহিব। বাগিচাখনৰ চাহ গছ থকা মুঠ ৬১৬.৩৭ হেক্টৰ মাটিকালিৰ ৩৫.৪৮ হেক্টৰ মাটি চাহ গছেৰে সৈতে ইতিমধ্যেই নদীৰ বুকুত জাহ গ'ল। ইয়াৰ ওপৰতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি অইল ইণ্ডিয়া লিমিটেডে বাগিচাখনৰ ১৯.৪৮ হে'ৰ মাটি অধিগ্ৰহণ কৰি তাত থকা চাহ গছ উচ্ছেদ কৰি বাগিচাখনত ৬টা তেলখাদ স্থাপন কৰি ১৯টা পইণ্ট চলাবলৈ লোৱাত বাগিচাখন কেঁচা চাহপাত উৎপাদনৰ ক্ষেত্ৰত বৃহৎ পৰিমাণৰ লোকচানৰ সন্মুখীন হোৱা বুলি জানিবলৈ দিছে। মনকৰিবলগীয়া যে দীঘলটৰং চাহ বাগিচাৰ মাটি অধিগ্ৰহণ কৰি ২০০৯ চনৰ পৰা অইল ইণ্ডিয়া লিমিটেডে খনিজ তেল আৰু গেছ উৎপাদন কৰি কোটি কোটি টকাৰ মুনাফা লুটি আহিছে যদিও অইল কৰ্তৃপক্ষই বাগিচাখনৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ফুটাকড়ি এটাও খৰচ কৰা নাই। চাহ বাগিচাখনৰ শ্ৰমিক সংগঠন অসম চাহ মজদুৰ সংঘ আৰু অসম চাহ কৰ্মচাৰী সংঘৰ নেতৃত্বই বাগিচাখনক খহনীয়া ৰোধৰ ব্যৱস্থাৰে ভৱিষ্যতলৈ সুৰক্ষিত কৰাৰ দাবী জনাই আহিছে যদিও অইল কৰ্তৃপক্ষই কেৱল খাৰুৱা তেল আৰু গেছ আহৰনতহে অধিক মনোনিবেশ কৰাৰ অভিযোগ উঠিছে।

বিশিষ্ট সাংবাদিক বীৰেন্দ্ৰ নাথ বৰ্মন আৰু ওৱাহিদুজ জামানলৈ সন্মান প্ৰদান

## নলবাৰী প্ৰেছ ক্লাৱত নলবাৰীৰ দুই মহীৰুহক সন্মান জনালে “এটেনচন সংস্থাই”



**অসম বাৰ্তা, নলবাৰী, ২৬ এপ্ৰিল ঃ** দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু বিভিন্ন অব্যৱস্থাৰ বিৰুদ্ধে গণতান্ত্ৰিক প্ৰতিবাদৰ ধাৰা আগবঢ়োৱা এক ব্যতিক্ৰমী সংস্থা এটেনচনে আজি দুই মহীৰুহলৈ আগবঢ়ালে বিশেষ সন্মান। নলবাৰীৰ বিশিষ্ট সাংবাদিক, অধিবক্তা বীৰেন্দ্ৰ নাথ বৰ্মন আৰু বিশিষ্ট সাংবাদিক, অভিনেতা ওৱাহিদুজ জামানলৈ আজি আগবঢ়োৱা হয় এই বিশেষ সন্মান। নলবাৰী প্ৰেছ ক্লাৱত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই সন্মান আগবঢ়োৱা হয় সংবাদক্ষেত্ৰৰ দুই বিশিষ্ট ব্যক্তিক। উল্লেখযোগ্য যে সুদীৰ্ঘ বছৰে সংবাদসেৱাৰ ক্ষেত্ৰখনত অৱদান আগবঢ়োৱা বীৰেন্দ্ৰ নাথ বৰ্মন আৰু ওৱাহিদুজ জামানক আজি আনুষ্ঠানিকভাৱে এই বিশেষ সন্মান প্ৰদান কৰা হয়। নলবাৰী প্ৰেছ ক্লাৱৰ সহযোগত দিনৰ ১১ বজাত আৰম্ভ হোৱা “সমৃদ্ধ জীৱনৰ অভিনন্দন” শীৰ্ষক অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে নলবাৰী প্ৰেছ ক্লাৱৰ সম্পাদক মজিবুৰ ৰহমানে। এটেনচন'ৰ প্ৰতিষ্ঠাপক তথা নলবাৰী প্ৰেছ ক্লাৱৰ সভাপতি জিতেন শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰি প্ৰতিগৰাকী লোকক অন্যায়-অব্যৱস্থাৰ বিৰুদ্ধে গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে আহ্বান জনায়। নলবাৰীৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট লোকৰ উপস্থিতিত সম্পন্ন হোৱা অনুষ্ঠানটো পৰিচালনা কৰে বিশিষ্ট শিক্ষাবিদ, লেখক ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ ৰাখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ৰ অধ্যাপক চম্পক গোস্বামীয়ে। ভাষণ প্ৰসংগত অধ্যাপক গৰাকীয়ে এটেনচন'ৰ এই পদক্ষেপক আন্তৰিকতাৰে ধন্যবাদ জনাই সন্মান প্ৰাপ্ত দুই ব্যক্তিৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। ভাষণ প্ৰসংগত এটেনচনে দুৰ্নীতি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে এই নীৰৱচ্ছিন্ন যাত্ৰা অব্যাহত ৰখাৰো কামনা কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ৰ অধ্যাপক গৰাকীয়ে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট কবি বিৰিঞ্চি ভট্টাচাৰ্যৰ “কলম” শীৰ্ষক কবিতাটো আবৃত্তি কৰি উপস্থিত সকলোকে সন্মোহিত কৰি তোলে আবৃত্তিকাৰ ভায়োলিনা শৰ্মাই। উল্লেখযোগ্য যে সন্মান গ্ৰহণ কৰি সন্মান প্ৰাপক বীৰেন্দ্ৰ নাথ বৰ্মনে এটেনচন'ৰ পদক্ষেপ আৰু জ্যেষ্ঠ সাংবাদিক জিতেন শৰ্মাৰ চিন্তা চেতনাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বিভিন্নজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সন্মান প্ৰাপক বিশিষ্ট সাংবাদিক ওৱাহিদুজ জামানে এটেনচন'ৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে এটেনচন'ৰ মুখ্য ব্যক্তি জিতেন শৰ্মাই দুৰ্নীতি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে যুঁজ দি অহা সংগ্ৰামখনিৰ সহযোদ্ধা হ'বলৈ সকলোকে আহ্বান জনাই। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ অৱসৰী অনুষ্ঠান কাৰ্যবাহী বিভূ দত্তই কয় যে ভাল আৰু বেয়া, দুয়োপ্ৰকাৰৰ কাৰ্য অত্যন্ত সতৰ্কতাৰে লক্ষ্য কৰি আছে আমাৰ সমাজখনে। তাৰেই আধাৰতে সমাজে আমাৰ মূল্যায়ন কৰে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱী শশী শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পমাল্য প্ৰদান কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা গুৱাহাটী দূৰদৰ্শনৰ প্ৰাক্তন কাৰ্যবাহী বিভু দত্ত, জ্যেষ্ঠ সাংবাদিক এম মহিবৰ ৰহমান, কিশোৰ শৰ্মা, অধ্যাপক চম্পক গোস্বামী, শিক্ষাবিদ সঞ্জীৱ কুমাৰ গোস্বামী, বিশিষ্ট ব্যক্তি উমেশ চন্দ্ৰ দাস, নৰেন শৰ্মা, শিক্ষাবিদ অৰ্জুন সেন ডেকাকে ধৰি বিভিন্নজন বিশিষ্ট ব্যক্তিয়ে।

## লখিমপুৰত ১/২নং বালিজান কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ সৌজন্যত “কহুঁৱা ২০২৬” উদ্‌যাপন




**অসম বাৰ্তা, বগীনদীৰ বিশেষ, ২৬ এপ্ৰিল ঃ** ৰাজ্যজুৰি এতিয়াও অব্যাহত আছে ৰঙালী বিহুৰ উচাহ-উদ্দীপনা। ৰঙালী বিহুৰ উচাহ-উদ্দীপনাৰ মাজতে লখিমপুৰ জিলাৰ কাকৈ ৰাজগড়ত ১/২ নং বালিজান কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ সৌজন্যত বৰ্ণাঢ্যভাৱে অনুষ্ঠিত হয় “কহুঁৱা ২০২৬”। ২৫ আৰু ২৬ এপ্ৰিলত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই অনুষ্ঠানত স্থানীয় ৰাইজৰ ব্যাপক সঁহাৰি পৰিলক্ষিত হয়। প্ৰথম দিনাৰ কাৰ্য্যসূচীত পতাকা উত্তোলন জৰিয়তে শুভাৰম্ভণি কৰে উদযাপন সমিতিৰ সভাপতি প্ৰবীন নাথে। ইয়াৰ পিছতে সমাজসেৱক বিতুপন শৰ্মাই স্মৃতি তৰ্পণ কৰাৰ লগতে “মায়াবিনী” অনুষ্ঠান উদ্বোধন কৰে। পৰৱৰ্তী পৰ্য্যায়ত কাকৈ বন সংমণ্ডলৰ বিষয়া ৰুবুল সোনোৱালে বৃক্ষৰোপণ কৰে আৰু সমাজসেৱক বিৰেন দত্তই বয়োজ্যেষ্ঠ সকলক সম্বৰ্ধনা জনায়। উক্ত দিনটোত জাতি, বৰ্ণ, ভাষা নিৰ্বিশেষে অংশগ্ৰহণ কৰা সাংস্কৃতিক শোভাযাত্ৰাই বিশেষ আকৰ্ষণ লাভ কৰে। সন্ধিয়া ভাগত সমাজসেৱক কমল নাথে বন্তি প্ৰজ্বলন কৰাৰ পিছতে মৌ কুঁৱৰী আৰু সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনাৰ কাৰ্য্যসূচী অনুসৰি সমাজসেৱক দিব্য ভূঞাই চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক ৰবিন শৰ্মাই কুইজ প্ৰতিযোগিতা উদ্বোধন কৰে। সন্ধিয়া সমাজসেৱক দিলীপ নাথে বন্তি প্ৰজ্বলন কৰাৰ লগতে উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ সভাপতি দুলাল দত্তই আঁত ধৰি সাংস্কৃতিক অনুষ্ঠানসমূহ অনুষ্ঠিত কৰে। এই অনুষ্ঠানত অসমীয়া আধুনিক নৃত্য, দশৱতাৰ নৃত্য, আমন্ত্ৰিত শিল্পীৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান, বঁটা বিতৰণী অনুষ্ঠান আদি অন্তৰ্ভুক্ত থাকে। শেষত বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰে অনুষ্ঠানৰ সফল সমাপ্তি ঘটে। ৰাইজৰ সক্ৰিয় সহযোগিতাৰে অনুষ্ঠিত হোৱা “কহুঁৱা ২০২৬” অনুষ্ঠানটোৱে অঞ্চলটোত এক উচ্ছল সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হয়।

জব্দ ড্ৰাগছ ভৰ্তি ১৯ টাকৈ কণ্টেইনাৰ

## লাহৰীঘাটত পুনৰ আৰক্ষীৰ জালত ড্ৰাগছ সৰবৰাহকাৰী

**অসম বাৰ্তা, লাহৰীঘাট, ২৬ এপ্ৰিল ঃ** লাহৰীঘাট আৰক্ষীৰ নিষিদ্ধ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত। আজি পুনৰ অভিযান চলাই ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰবৰী গাঁৱত অভিযান চলাই ড্ৰাগছসহ নবী হুছেইন নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে, ধৃত ড্ৰাগছ সৰবৰাহকাৰী নবী হুছেইনৰ ঘৰ বৰবৰী গাঁৱৰ ৩নং ৱাৰ্ডত বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী নবী হুছেইনৰ পৰা ড্ৰাগছ ভৰ্তি ১৯ টাকৈ কণ্টেইনাৰৰ লগতে নগদ ১৫ হাজাৰ টকা জব্দ কৰিবলৈ সক্ষম হয়। ড্ৰাগছ সৰবৰাহকাৰীটোক বৰ্তমান সময়ত লাহৰীঘাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে সোধপোচ অব্যাহত ৰাখিছে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি লাহৰীঘাট অঞ্চলত একাংশ দুষ্ট চক্ৰই নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই আহিছে। আৰক্ষীয়ে সময়ে সময়ে অভিযান চলাই দুই-এজনক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে যদিও কিছু পিছত জেল হাজোতৰ পৰা ওলাই আহি পুনৰ ড্ৰাগছৰ ব্যৱসায় চলাই। দিনক দিনে নিষিদ্ধ ড্ৰাগছে অঞ্চলটোত প্ৰতিটো চুবুৰীত ছানি ধৰিছে। যাৰ ফলত নৱ-প্ৰজন্মৰ একাংশ প্ৰতিভান কিশোৰ কিশোৰী কলিতেই নিঃশেষ হৈ যোৱাত অঞ্চলটোৰ সচেতন মহল উদ্বিগ্ন হৈ আৰক্ষী প্ৰশাসনক ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## সুৰৰ ৰাণী আশা ভোছলে আৰু বিহুৱতী নিশামনি হালৈলৈ টংলাৰ বিভিন্ন অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টৰ, টংলা, ২৬ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ শিল্পী সমাজ টংলাৰ উদ্যোগত কিংবদন্তি কণ্ঠশিল্পী আশা ভোছলে আৰু আজি পুৱতি নিশা এটি পথ দুৰ্ঘটনাত মৃত্যু হোৱা ভাস্কৰজ্যোতি বিহুৱা দলৰ বিহুৱতী তথা নাগাৰা নামৰ পাঠিকা নিশামনি হালৈ প্ৰতি টংলাত শ্ৰদ্ধাঞ্জলি জনায়। শিল্পী সমাজ টংলাৰ সম্পাদিকা গায়ত্ৰী দেৱীয়ে আঁতধৰা অনুষ্ঠানত প্ৰয়াত শিল্পী দুগৰাকীৰ প্ৰতিচ্ছবিৰ সমুখত শিল্পী সমাজ টংলাৰ সভাপতি নিবেদিতা ডেকা বৰুৱাই বন্তি প্ৰজ্বলনৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত শিল্পী সমাজ, টংলাৰ সমূহ বিষয়ববীয়া, টংলা লেখিকা সমাৰোহ, টংলা বোৱাৰী বিহুৰ বিষয়ববীয়া, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিৱাকৰ বড়া, সদৌ টংলা ৰঙালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ সভাপতি শ্যামল কুমাৰ দাস, টংলা সাহিত্য সভাৰ উপ সভাপতি তপেশ্বৰ ৰাভাৰ উপৰি বিহু সুৰক্ষা সমিতিৰ কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়া দুলাল কুমাৰ বৰুৱা আৰু নৱজিৎ দাস আদিয়ে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি বন্তিপ্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে প্ৰয়াত শিল্পী দুয়োগৰাকীলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত শিল্পী সমাজ টংলাৰ সভাপতি নিবেদিতা ডেকা বৰুৱা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিৱাকৰ বড়া, বিহু সুৰক্ষা সমিতিৰ বিষয়ববীয়া দুলাল কুমাৰ বৰুৱাই বক্তব্যৰ জৰিয়তে শিল্পীদ্বয়লৈ শ্ৰদ্ধা অৰ্ঘ্য জ্ঞাপন কৰে। ইফালে যুৱ মঞ্চ, টংলায়ো ভাস্কৰজ্যোতি বিহুৱা দলৰ প্ৰতিশ্ৰুতি সম্পন্ন বিহুৱতী নিশামনি হালৈৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক দিগন্ত চহৰীয়া আৰু ৰিংকু ডেকাৰ উপস্থিতিত ছাত্ৰ নেতা নিলয় চলিহাই আঁতধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ মৌন প্ৰাৰ্থনাৰে আৰম্ভ কৰে যুৱ মঞ্চ, টংলাৰ সভাপতি প্ৰবীন হাজৰিকাই। ইয়াৰ পিছতে ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিৱাকৰ বড়া, প্ৰাক্তন ছাত্ৰ নেতা ড° জয়ন্ত কুমাৰ ভট্টাচাৰ্য, টংলা সাহিত্য সভাৰ সম্পাদক শ্যামল কুমাৰ দাস, শিল্পী সমাজ টংলাৰ সভাপতি নিবেদিতা ডেকা বৰুৱা সম্বনিতে বিষয়ববীয়া, লেখিকা সমাৰোহ টংলাৰ বিষয়ববীয়াৰ লগতে বিহু সুৰক্ষা সমিতিৰ বিষয়ববীয়াসকলে নিশামনি হালৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে শ্ৰদ্ধা অৰ্ঘ্য অৰ্পণ কৰে। প্ৰতিভাসম্পন্ন, উদীয়মান শিল্পী নিশামণি হালৈৰ আকস্মিক হৃদয়বিদাৰক মৃত্যুত সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ সভাপতি শ্যামল কুমাৰ দাস আৰু সম্পাদক জয়কান্ত শৰ্মায়ো গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। বড়োলেণ্ড সাংবাদিক সন্থা ওদালগুৰি জিলা সমিতি, টংলা সাহিত্য সভা, টংলা প্ৰেছ ক্লাৱ, টংলা টাউন ইয়ুথ ক্লাব, টংলা আঞ্চলিক নাৰী মঞ্চ, ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থা, টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা আদিৰ উপৰি বিভিন্ন দল-সংগঠনে বিহুৱতীগৰাকীৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

## দক্ষিণ টংলা আঞ্চলিক যুৱ মঞ্চৰ তৃতীয় বাৰ্ষিক ব'হাগী উৎসৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টৰ, টংলা, ২৬ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত দক্ষিণ টংলা আঞ্চলিক যুৱ মঞ্চৰ উদ্যোগত অহা ১ মে' শুক্ৰবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হব তৃতীয় বাৰ্ষিক বহাগী উৎসৱ। মৌগাও মিলন উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব লগা উৎসৱৰ কাৰ্যসূচী মতে ৰাতিপুৱা ৭-৩০ বজাত যুৱ মঞ্চৰ পতাকা উত্তোলন কৰিব দক্ষিণ টংলা আঞ্চলিক যুৱ মঞ্চৰ সভাপতি ডিম্বেশ্বৰ চহৰীয়াই, ৭-৪৫ বজাত উদযাপন সমিতিৰ পতাকা উত্তোলন কৰিব ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি তিলেশ্বৰ শৰণীয়াই, ৮ বজাত স্মৃতি তৰ্পন কৰিব মৌগীও মিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী কৃতী শিক্ষক নৱ কুমাৰ শৰ্মাই, ৮-৩০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পৰিচালনা কৰিব দক্ষিণ টংলা আঞ্চলিক যুৱ মঞ্চৰ সদস্য পংকজ অসমীয়াই, ৯ বজাত গছপুলি ৰোপণ কৰিব ক্ৰমে আদৰ্শ খেতিয়ক মাণিক চন্দ্ৰ বড়ো, অৱসৰী ক্ৰীড়া প্ৰশিক্ষক পুৰণ কলিতা আৰু সমাজ সেৱক গহীন ৰাভাই। ১০ বজাত সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন কৰিব চিত্ৰ শিল্পী কল্যাণ ৰাভাই। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন কৰিব সদৌ অসম তৰণ বিদ্যাৰ্থী সমাজৰ প্ৰাক্তন সভাপতি গুনেন্দ্ৰ চলিহাই, সন্ধিয়া ৬ বজাত বিহুতলি উদ্বোধন কৰিব বি.টি.চি. কাৰ্য্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰীয়ে। ৭ বজাত ২০০ গৰাকী মহিলাৰ দ্বাৰা মায়াবিনী গীত পৰিৱেশন পাছতেই অনুষ্ঠিত হব মুকলি বিহু প্ৰতিযোগিতা। সকলো ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদযাপন সমিতি তৰফৰ পৰা।

## নিৰ্বাচনৰ শেষ হোৱাৰ পিছতো ধিং সমষ্টিৰ প্ৰতিটো চুকে-কোণে গৈ মানুহৰ সৈতে সংযোগ অটুট ৰাখিছে এগৰাকী প্ৰাৰ্থীয়ে

**অসম বাৰ্তা, মৈৰাবাৰী, ২৬ এপ্ৰিল ঃ** প্ৰতিটো নিৰ্বাচনত ভোট গ্ৰহণৰ পূৰ্বে ধিং সমষ্টিৰ খহনীয়া গ্ৰস্ত লোক সকল ক'ত কেনেকৈ আছে বিছাৰি হাহাকাৰ কৰে প্ৰতিজন প্ৰাৰ্থীয়ে। বহিঃ ৰাজ্যতে হওক বা বিভিন্ন জিলাৰ চৰাঞ্চলতে হওক তেওঁলোকৰ সন্ধানত হাবাথুৰি খাই প্ৰাৰ্থী সকলে। তেওঁলোক ভোট দিবলৈ কিহত কেনেকৈ আহিব তাৰো ব্যৱস্হাৰ বাবে তৎপৰ হৈ পৰে প্ৰতিজন প্ৰাৰ্থী। প্ৰাৰ্থীয়ে নিজাকৈ ব্যৱস্হা কৰি দিয়ে ট্ৰেইনৰ টিকট গাড়ী, লঞ্চ আদি। কিন্তু ভোট প্ৰদানৰ পাছতে প্ৰাৰ্থীয়ে ৫ বছৰৰ বাবে পাহৰি যায় সেই দুৰ্গত লোক সকলক। তাৰ এক বিপৰীত ছবি দেখা গ'ল ধিং সমষ্টিত। ভোটগ্ৰহণ সমাপ্ত হোৱাৰ পিছতো যুৱ নেতা গৰাকীয়ে ধিং সমষ্টিৰ চোকে-কোণে ঘূৰি ফুৰিছে—কিন্তু এই বাৰ ভোট বিচাৰি নহয়, বৰঞ্চ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱাৰ বাবে। ধিং সমষ্টিৰ ধিং সমষ্টিৰ চাৰিখন পঞ্চায়তৰ লোকে চৰত বাস কৰে। শনিবাৰে তিনিটেকীয়া চৰত উপস্থিত হয় ৰাইজৰ দলৰ মুখপাত্ৰ তথা ধিং বিধানসভা সমষ্টি বিৰুধী মিত্ৰজোঁটৰ উমৈহতীয়া ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুৰ মুক্তাৰ চৰ খনৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰী সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনায়। লগতে চৰৰ মানুহৰ লগত মত বিনিময় কৰে। নিৰ্বাচনী প্ৰচাৰৰ ধুমুহা শেষ হোৱাৰ পিছত বেছিভাগ প্ৰাৰ্থীয়ে ফলাফলৰ অপেক্ষাত জিৰণি ল'বলৈ বিভিন্ন স্থানলৈ ফুৰিবলৈ গৈছে। সমৰ্থক সকলো ব্যস্ত হৈ পৰিছে জয়-পৰাজয়ৰ অংক কৰাৰ লগতে ভৱিষ্যতৰ ৰাজনৈতিক কৌশল নিৰ্ধাৰণত। কিন্তু ধিং বিধানসভা সমষ্টিৰ এগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনৰ পিছদিনাৰে পৰা সম্পূৰ্ণ ব্যক্তিক্ৰমী ধৰণৰ কামত ব্যস্ত হৈ পৰিছে। মেহবুব মুক্তাৰে ধিং সমষ্টিৰ প্ৰত্যেকখন পঞ্চায়ত গৈ মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীক ব্যক্তিগতভাৱে সম্বৰ্ধনাৰ লগতে অভিনন্দন জনাই উৎসাহিত কৰিছে আৰু তেওঁলোকৰ ভৱিষ্যত সাফল্যৰ কামনা কৰিছে। এই কাৰ্যই সমষ্টিৰ মানুহৰ মাজত ব্যাপক প্ৰশংসা লাভ কৰিছে। বহুতে কৈছে যে নিৰ্বাচনী ৰাজনীতি শেষ হোৱাৰ পাছত বহু প্ৰাৰ্থীক সাধাৰণতে দেখা পোৱা নাযায়। কিন্তু মেহবুব মুক্তাৰৰ এনে মানৱীয় আৰু শিক্ষামূলক পদক্ষেপে মেহবুব মুক্তাৰক এজন ব্যতিক্ৰমী প্ৰাৰ্থী হিচাপে প্ৰতিষ্ঠা কৰিছে। ধিং সমষ্টিৰ বহু অভিভাৱকে প্ৰাৰ্থী গৰাকীৰ এই উদ্যোগক আদৰ্শস্বৰূপ বুলি অভিহিত কৰিছে। তেওঁলোকে কৈছে, “নিৰ্বাচন শেষ হোৱাৰ পিছদিনাই যদি এজন প্ৰাৰ্থীয়ে শিক্ষাৰ্থীৰ সফলতাত আনন্দিত হৈ তেওঁলোকৰ ঘৰলৈ যায়, তেন্তে সেয়া প্ৰকৃত নেতৃত্বৰ চিন।” মেহবুব মুক্তাৰৰ এই পদক্ষেপে ধিং সমষ্টিত শিক্ষাৰ প্ৰতি এক নতুন সচেতনতাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। এনে ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা প্ৰাৰ্থী গৰাকীক লৈ বৰ্তমান ধিং সমষ্টিত ব্যাপক চৰ্চা চলিছে।

## যোৰহাট জিলা ৰাজনীতি বিজ্ঞান সন্থা (JDPSA)ৰ সন্মিলন

**অসম বাৰ্তা, নিমাতীঘাট, ২৬ এপ্ৰিল ঃ** যোৰহাট জিলা ৰাজনীতি বিজ্ঞান সন্থা (JDPSA)-ৰ ২০২৬ বৰ্ষৰ সন্মিলনখন যোৱা ২৩ এপ্ৰিল, ২০২৬ তাৰিখে বাহনা মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। এই সন্মিলনত “সমসাময়িক ভাৰতৰ ৰাজনীতি” শীৰ্ষক বিষয়বস্তুক কেন্দ্ৰ এখন চেমিনাৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই চেমিনাৰত মুঠ ২৪খন গৱেষণা পত্ৰ উপস্থাপন কৰা হয়। জিলাভিত্তিক এই সন্মিলনত যোৰহাটৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ২০০ শিক্ষাৰ্থী, শিক্ষক আৰু গৱেষকসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই আদৰণি ভাষণ প্ৰদান কৰি শৈক্ষিক বিনিময় আৰু শিক্ষাৰ্থীসকলৰ মাজত গৱেষণামূলক চিন্তাধাৰা গঢ়ি তোলাৰ ক্ষেত্ৰত এনে সন্মিলনৰ গুৰুত্বৰ কথা উল্লেখ কৰে। এই সন্মিলন তথা চেমিনাৰখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে দেৱী চৰণ বৰুৱা বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধীৰেণ তামোলীয়ে। তেওঁ নিজৰ ভাষণত সমসাময়িক ৰাজনীতি অধ্যয়নৰ প্ৰাসংগিকতা আৰু শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে এক তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে দেৱী চৰণ বৰুৱা বালিকা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক প্ৰফেছৰ বিজয় কৃষ্ণ বৰাই যোৰহাট জিলা ৰাজনীতি বিজ্ঞান সন্থাৰ লক্ষ্য আৰু এই চেমিনাৰৰ উদ্দেশ্যসমূহ সুস্পষ্টভাৱে ব্যাখ্যা কৰে। সন্মিলনত শিক্ষাৰ্থীসকলৰ গৱেষণা পত্ৰসমূহৰ মূল্যায়নৰ বাবে বিচাৰক হিচাপে উপস্থিত থাকে আউনিয়াটি বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° কৈলাস প্ৰতিম হাজৰিকা, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক দেবাশিস বৰা আৰু বাহনা মহাবিদ্যালয়ৰ দীপিকা শইকীয়া। উক্ত অনুষ্ঠানটোত জিলাখনৰ বিশিষ্ট শিক্ষাবিদ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সুভাষীষ শৰ্মা, ড° পিংকি দাস আৰু কাব্যশ্ৰী বৰুৱা; নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক জয়প্ৰসাদ ওঝা; কাকজান মহাবিদ্যালয়ৰ ড° ক্ষীৰোদ শইকীয়া আৰু ড° ধ্ৰুৱজ্যোতি শইকীয়া; চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়, টিয়কৰ ড° দীপক কুমাৰ শৰ্মা আৰু দেৱী চৰণ বৰুৱা বালিকা মহাবিদ্যালয়ৰ জ্যোৎস্না হাজৰিকা তথা ইপ্সিতা দুৱাৰা, বাহনা মহাবিদ্যালয়ৰ ড° সঞ্জয় মিলি, ড° ৰঞ্জিত পেগু, ড° মৃদুল দত্ত, আৰু ড° পঙ্কজ বৰা উপস্থিত থাকে। সুভাষীষ শৰ্মাই তেওঁৰ প্ৰয়াত পিতৃ-মাতৃৰ স্মৃতিত সন্মিলনখনৰ চেমিনাৰৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকললৈ মুঠ ৫০০০ টকাৰ নগদ পুৰস্কাৰ আগবঢ়ায়। অনুষ্ঠানত ড° পংকজ বৰাই ঘোষণা কৰে যে এই চেমিনাৰত উপস্থাপিত নিৰ্বাচিত গৱেষণা প্ৰবন্ধসমূহ যোৰহাট জিলা ৰাজনীতি বিজ্ঞান সন্থাৰ গৱেষণা পত্ৰিকা 'Politikos'ৰ পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব। উল্লেখনীয় যে, জিলাখনৰ শৈক্ষিক ক্ষেত্ৰখনত বিশেষ প্ৰভাৱ পেলোৱা এই সমগ্ৰ বৌদ্ধিক অনুষ্ঠানটো বাহনা মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তী উদ্‌যাপনৰ এক বিশেষ অংশ হিচাপে ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আয়োজন কৰা হৈছিল।

## উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত মুকলি বিহু; প্ৰাচীৰ পত্ৰিকা জাগৰণ উন্মোচন

**অসম বাৰ্তা, নিমাতীঘাট, ২৬ এপ্ৰিল ঃ** উত্তৰ যোৰহাট বাহনা তিনিআলিস্থিত উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ বাকৰিত যোৱা ২৫ এপ্ৰিলত দিনযোৰা কাৰ্যসূচীৰে মুকলি বিহু উদ্‌যাপন কৰা হয়। পুৱা ৯-০০বজাত পতকা উত্তোলন কৰে বিদ্যালয়ৰ শৈক্ষিক সভাপতি প্ৰদীপ চন্দ্ৰ শইকীয়াই। ইয়াৰ পাচতে বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা জাগৰণৰ ষষ্ঠ বৰ্ষৰ প্ৰথম সংখ্যা উন্মোচন কৰে অধ্যক্ষ সৰ্বেশ্বৰ বৰাই। এক বৰ্ণিল পৰিৱেশৰ মাজত মুকলি বিহু উদ্বোধন কৰে যোৰহাটৰ এগৰাকী বিহু শিল্পী তথা যোৰহাট জিলা বিহু সুৰক্ষা মঞ্চৰ উপসভাপতি বাবুল বৰাই। বিদ্যালয়ৰ তৰফৰ পৰা জেষ্ঠ নাগৰিক বুধিন্দ্ৰ কুমাৰ নেওগ, সৰ্বেশ্বৰ বৰা, সমাজকৰ্মী জগন্নাথ অগ্নিবৰা প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে আৰম্ভ কৰা মুকলি বিহুৰ পছতেই নিমন্ত্ৰিত শিল্পী সকলে বিহু প্ৰদৰ্শন কৰে আৰু শেষত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা উপস্থিত সকলে একগোট হৈ বিহু প্ৰদৰ্শন কৰি জাতীয় বিদ্যালয়ৰ বাকৰি ৰঙীণ কৰি তোলে। বিদ্যালয়ৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত প্ৰাচীৰ পত্ৰিকা সম্পাদনা কৰে শিক্ষয়িত্ৰী সুপ্ৰীতি দেৱীয়ে।

## সৰুপথাৰত অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিৰ বিশেষ অধিৱেশন

**অসম বাৰ্তা, সৰুপথাৰ, ২৬ এপ্ৰিল ঃ** সৰুপথাৰৰ কুশল কোঁৱৰ ভৱনত দেওবাৰে অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিৰ এক বিশেষ অধিৱেশন সম্পন্ন হয়। ভাৰতীয় ইতিহাসৰ প্ৰকৃত সত্য উদঘাটন আৰু অসমৰ থলুৱা সংস্কৃতিৰ সংৰক্ষণৰ লক্ষ্যৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অধিৱেশনত মুখ্য বক্তা হিচাপে উপস্থিত থাকি অখিল ভাৰতীয় ইতিহাস সংকলন যোজনাৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰে এক মনোজ্ঞ বক্তব্য আগবঢ়ায়। তেওঁ ভাৰতীয় ইতিহাস, ভাষা আৰু সংস্কৃতিৰ চহকী পৰম্পৰাৰ ওপৰত আলোকপাত কৰাৰ লগতে অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত থকা সমন্বয় আৰু লোকাচাৰসমূহৰ ঐতিহাসিক গুৰুত্ব ব্যাখ্যা কৰে। ইতিহাস সংকলন সমিতিৰ ভৱিষ্যৎ পৰিকল্পনা আৰু ইয়াৰ মূল লক্ষ্যসমূহৰ সন্দৰ্ভত বিতং বক্তব্য আগবঢ়ায় ৰাষ্ট্ৰীয় সদস্যা ড° জুৰি শৰ্মাই। তেওঁ ইতিহাসৰ শুদ্ধ সংকলন আৰু ইয়াৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সৰুপথাৰৰ কুশল ভৱনত অনুষ্ঠিত হোৱা অনুষ্ঠানত উদ্যোগ গ্ৰহণ কৰে গোলাঘাট জিলাৰ সম্পাদক সত্যব্ৰত দত্তই। উপস্থিত থাকে অখিল ভাৰতীয় ইহিতাস সংকলন যোজনাৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰ, ৰাষ্ট্ৰীয় সদস্যা ড° জুৰি শৰ্মা, অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ৰাজ্যিক সমিতিৰ সচিব ভাস্কৰ নাথ, নলবাৰী জিলাৰ সচিব মনোজ বৰ্মন উপস্থিত থাকে। লগতে উপস্থিত থাকে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ গোলাঘাট জিলা কাৰ্যবাহ ড° প্ৰেমকান্ত বৰা। অসমৰ জনগোষ্ঠীয় ইতিহাসক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এক মৰ্যাদাপূৰ্ণ স্থান দিয়াৰ সংকল্পৰে অনুষ্ঠানটোৰ সামৰণি মৰা হয়। গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সচেতন লোকৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক সাফল্যমণ্ডিত কৰি তোলে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন